Library copy
A.L.A

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 6

**The 29th March 1978**

1979

PRINTED AT THE ASSAM GOVERNMENT PRESS,
GAUHATI

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

( Budget Session )

Volume I

No. 6

Dated, the 29th March, 1978.

.....................

## CONTENTS


| | | Pages |
|---|---|---|
| 1. | Voting on Vote on Accounts for the First Quarter of the Financial Year, 1978-79. | 244-251 |
| 2. | The Assam Appropriation ( Vote on Account ) Bill, 1978 | 252-255 |
| 3. | Debate on Governor's Address | |
| 4. | Miscellaneous ... ... .. | 261 |
| 5. | Debate on Governor's Address .. ... | 261-291 |
| 6. | Statement :—by Minister .. ... | 291-292 |
| 7. | Adjournment ... ... .. | 292 |

Poroceedings of the First Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on wednesday, the 29th March 1978 with the Hon. Speaker in the Chair 12 ( Twelve ) Ministers, 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretaries and 97 ( ninty seven ) Members present.

## VOTING ON VOTE ON ACCOUNTS FOR THE FIRST QUARTER OF THE FINANCIAL YEAR, 1978-79

Mr. SPEAKER :— **Item No. 1,** Shri Keshab Gogoi, Minister to move.

Shri KESHAB CH. GOGOI, (Minister) :— Mr. Speaker **sir,** On the recommendation of the Governor of Assam, I beg, Sir to move that an amount not exceeding Rs. 86,74,92,200 be granted to the Governor of Assam **in** advance to defray charges in respect of different Departments during the first quarter of the financial year ending the 31st March, 1979 under Grants shown in the Schedule.

Mr. SPEAKER :— Motion moved.

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ঃ—মাননীয় অধ্যক্ষ মহোদয়, আজি তিনি মাহৰ কাৰণে ভোট অব একাউণ্ট দাখিল কৰা বাবে বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। এই সম্পৰ্কত মই কেইষাৰ মান কথা কব খুজিছো। আশাকৰো নবগঠিত জনতা চৰকাৰে আৰু বিশেষকৈ বিত্তমন্ত্ৰী ডাঙৰীয়াই সেই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিব। আমাৰ পঞ্চম পাচ বছৰীয়া পৰিকল্পনা তিনি বছৰ আগতে তৈয়াৰ কৰিছিল আৰু এই পৰিকল্পনা তৈয়াৰ কৰোতে কেইটামান উদ্দেশ্য লৈ তৈয়াৰ কৰা হৈছিল। মূল উদ্দেশ্য আৰু লক্ষ্যসমূহৰ ভিতৰত দৰিদ্ৰতা দূৰীকৰণ, দেশৰ অৰ্থনৈতিক ক্ষেত্ৰত স্বাৱলম্বীতা লাভ কৰা, নিবনুৱা সমস্যা সমাধান, পিচপৰা অঞ্চলৰ উন্নতি আৰু অনগ্ৰসৰৰ পৰা আগবঢ়াই নিয়া, আঞ্চলিক বৈষম্য দূৰীকৰণ আৰু পোন্ধৰ বছৰৰ ভিতৰত ভাৰতৰ অন্যান্য ঠাইৰ লগতে সমানে অসমৰ জনমূৰি আয়ৰ পৰিমাণো বঢ়াই অনা। কিন্তু পৰিকল্পনাৰ তিনি বছৰ পাৰ হৈ যোৱাৰ পিচত আজি অসমৰ ৰাইজে কি পাইছে ভাবি চোৱাৰ সময় হৈছে। অধ্যক্ষ মহোদয়, এই কেইটা বিষয়ত আমাৰ অসম বাৰুকৈয়ে পিচপৰি থাকিল। এই পৰিস্থিতিত বিশেষকৈ বিত্তমন্ত্ৰী ডাঙৰীয়াই এতিয়া আমি আশাকৰা মতে বা মূল উদ্দেশ্যত উপনীত হোৱাৰ পৰা কিয় আঁতৰি থাকিবলগীয়া হ'ল সেইটো চালিজাৰি চাই উপযুক্ত ব্যৱস্হা গ্ৰহণ কৰিব লাগে। পঞ্চম পৰিকল্পনাৰ আগতে মহকুমা পৰ্য্যায়ত পৰিকল্পনা চেল কিছুমান তৈয়াৰ কৰা হৈছিল। তাত এম-এল-এ আৰু মহকুমা পৰিষদৰ মধ্য্য কাৰ্য্যবাহী বিষয়াও আছিল। সেই উদ্দেশ্যে কাগজ-পাতি, পেন্সিল আদিৰ বাবে যথেষ্ট টকাও খৰচ কৰা হল যদিও মহকুমাৰ পৰিকল্পনা চেলৰ কাৰণে যি কামৰ কথা ভবা হৈছিল বা লিখা হৈছিল সেই সকলোবোৰ কথা কাগজতে থাকি গ'ল। বিভাগীয় কৰ্তৃপক্ষই যি আদেশ দিয়ে বা খৰচৰ কাৰণে যি টকা নিৰ্দ্ধাৰণ কৰি দিয়ে তাতেই পৰিকল্পনা চেল সীমিত থাকিবলগীয়া হল। অসমৰ মানুহে ব্ৰহ্মপুত্ৰৰ জলৰাশি নিয়ন্ত্ৰণ কৰি ৰাইজৰ উপকাৰত ব্যৱহাৰ কৰাৰ নিচিনা যি বিলাক সপোন দেখিছিল সেই

সকলো বিলাক সপোন হৈয়েই ৰ'ল। এতিয়া ষষ্ঠ পৰিকল্পনাত ব্ৰহ্মপুত্ৰৰ জলৰাশি নিয়ন্ত্ৰণ কৰি উত্তৰ পূব ভাৰত তথা অসমৰ উন্নতি সাধন কৰাৰ কাৰণে ভাৰত চৰকাৰ তথা প্লানিং কমিচনৰ ওচৰত দাবী জনাই প্ৰাপ্য সুবিধা আদায় কৰিব বুলি নতুন জনতা চৰকাৰৰ ওচৰত আশা ৰাখিলো। নহলে নতুন চৰকাৰেও অসমৰ ৰাইজৰ আস্থা হেৰুৱাব লাগিব। সেই কাৰণেই আগতীয়াকৈ সকিয়াই থলো। আশাকৰো জনতা চৰকাৰে এই বিষয়ত ধ্যান দিব ।

অধ্যক্ষ মহোদয়, ভাৰতৰ অন্যান্য প্ৰদেশৰ তুলনাত অসমৰ বহুতো অঞ্চল এতিয়াও বহুত পিচপৰি আছে। এই কথাত বোধকৰো কাৰো দ্বিমত নহব। অসমৰ ভিতৰতে মঙ্গলদৈ মহকুমা আটাইতকৈ পিচপৰা বুলি কলেও অত্যুক্তি কৰা নহয়। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত মঙ্গলদৈ মহকুমাৰ অৱস্থা অতি দুখ লগা। কলেজীয়া শিক্ষাৰ কাৰণে মাত্ৰ এখন কলেজ। দহ লাখ অধিবাসীৰ মাজত মাত্ৰ এখন পূৰ্ণাঙ্গ কলেজ। তাতো প্ৰাকবিশ্ববিদ্যালয় আৰু স্নাতক শাখাত কলা আৰু বিজ্ঞান বিভাগ মাথোন আছে। ১৯৫১ চনতে আৰম্ভ হোৱা এই কলেজ আজি পৰ্য্যন্ত সম্পূৰ্ণ হোৱা নাই। ১৯৭৫ চনত স্বীকৃতি পালে টংলা কলেজে। তাৰ পিচত ছিপাঝাৰত এখন কলেজ খোলা হৈছে। কিন্তু পূৰ্ণাঙ্গ কলেজ বুলিবলৈ এখন আৰু আধাখন বুলিহে কব লাগিব। আঞ্চলিক বৈষম্য দূৰীকৰণ কৰিবলৈ হলে শিক্ষাৰ ক্ষেত্ৰত এই বৈষম্য আঁতৰাব লাগিব। শিক্ষাৰ নামত যদি শোষণ কৰা হয় তেন্তে তাতকৈ ডাঙৰ শোষণ আন একোৱেই হব নোৱাৰে। হাইস্কুলৰ ক্ষেত্ৰতো আন মহকুমাতকৈ এই মহকুমাত হাইস্কুলৰ সংখ্যা কম। এই বছৰত পৰিকল্পনাৰ কাৰণে আঁচনিৰ বাবদ একশছয়ষষ্ঠি কোটি টকা ধাৰ্য্য কৰা হৈছে।সৰ্বমুঠ পঞ্চম পৰিকল্পনাত ধাৰ্য্য কৰা হৈছিল চাৰিশ তেসত্তৰ কোটি চৌৰাশী লাখটকা। ইয়াৰ ভিতৰত প্ৰথম তিনি বছৰত অৰ্থাৎ ১৯৭৪-৭৫, ১৯৭৫-৭৬ আৰু ১৯৭৬-৭৭ চনত এশ আঠসত্তৰ কোটি পয়ৰ্ষষ্টি লাখ টকা খৰচ কৰা হল। এতিয়া টকা খৰচ কৰিবলৈ আছে দুটা বছৰ। ১৯৭৭-৭৮ আৰু ১৯৭৮-৭৯ এই দুটা বছৰত দুশ পচান্নৈৰ কোটি উনৈশ লাখ টকা খৰচ কৰিব লাগিব। অধ্যক্ষ মহোদয়, তিনি বছৰত খৰচ কৰা হৈছিল এশ আঠসত্তৰ কোটি পয়ৰ্ষষ্টি লাখ টকা আৰু এতিয়া দুবছৰত খৰচ কৰিব লাগিব প্ৰায় তিনিশ কোটি টকা। মই এই কাৰণেই এই বিধান সভা শেষ হোৱাৰ আগতে অৰ্থাং অহা চাৰি এপ্ৰিলৰ আগতে চৰকাৰৰ কোন কোন বিভাগে কিমান টকা খৰচ কৰিব নোৱাৰিলে সেইটো হিচাব কৰি সদনত মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে দিব লাগে। তেতিয়াহলে সদস্যসকলেও যোৱাৰ আগতে জানি যাব পাৰিব যে তিনিশ কোটি টকা খৰচ কৰিব লাগিব সেই বিষয়ে চৰকাৰ সচেতন হব । বিশেষকৈ এতিয়াই এইটো সকিয়াই দিছো যে এই প্ৰায় তিনিশ কোটি টকা খৰচ কৰাৰ দ্বাৰা পঞ্চম পঞ্চ বাৰ্ষিকী পৰিকল্পনাত ৰাইজৰ মাজত যি আশাৰ সঞ্চাৰ কৰিছিল অনৈক্য আৰু আঞ্চলিক বৈষম্য দূৰীকৰণ হব বুলি সেই আশা ষষ্ঠ পৰিকল্পনাতো আশা হৈয়েই থাকিব ।

অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত গড়কাপ্তানী বভাগৰ কথা কেইটামান কব খুজিছো ।

এই গড়কাপ্তানী বিভাগে কি ধৰণে টকা-পইচা বিলাক খৰচ কৰিছে আৰু কি ভাবে খৰচ কৰিবলৈ বিচাৰিছে সেই বিষয়ে এটা কথা কও। ১৯৬২ চনত চীন আৰু ভাৰতবৰ্ষৰ সংঘৰ্ষ যেতিয়া হৈছিল তেতিয়াই কেই বছৰ মান পাচত ওডালগুড়ীৰ পৰা তামোলপুৰলৈ এটা ৰাস্তা লোৱা হৈছিল আৰু ভাৰত চৰকাৰৰ তত্বাৱধানত এটা ৰাস্তা লোৱা হল কিন্তু ১৯৬৫ চনৰ পৰা ১৯৭৮ চনলৈকে এই ৰাস্তাটো সম্পূৰ্ণ কৰিব পৰা নাই অসমৰ গড়কাপ্তানী বিভাগে। এই ৰাস্তাটোয়ে ওডালগুৰিৰ পানেৰী আৰু তামোলপুৰ

এই তিনিটা সৰ্মাল্ট সংযোগ কৰিছে আৰু দুখন জিলাও সংযোগ কৰিছে কিন্তু যোৰা ১২।১৫ বছৰে এই ৰাস্তাটো সম্পূৰ্ণ কৰিব পৰা নাই। এই বিষয়ে যেতিয়া Boarder Road Organisation ৰ দায়িত্বত থকা কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী ৰাজবাহাদুৰলৈ লিখিছিলো যে এই বিষয়ে যিবিলাক প্লেন এণ্ড এটাষ্টিমেট আছে এই সকলো দায়িত্ব অসমৰ গড়কাপ্তানী বিভাগক দিয়া হৈছে কিন্তু দায়িত্ব তেওঁলোকে পালন কৰা নাই, এই কথা মই তেতিয়াৰ অসমৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক জনাইছিলো কিন্তু ফল একো নহল। বৰ্ত্তমানৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াকো এই বিষয়ে মই জনাম। ১৯৬২ চনতে এই ৰাস্তাটোৰ ওপৰেদি এখন দলং নিৰ্মাণ কৰাৰ কাৰণে চাৰি লাখ টকা চেংশ্যন হৈছিল আৰু আজিও সেই দলঙৰ কাম নহল তাত কেৰল শুকলাই নদীৰ ওপৰত গড়কাপ্তানী বিভাগৰ ৪৮ টা খুটাই অসমৰ গড়কাপ্তানী বিভাগৰ জয় গান গাই আছে। সেই অঞ্চলত অলপমান পানী হলেই একাঠু পানীত অহা-যোৱা কৰিব নোৱাৰা হয়। তাৰ চাৰি বছৰ পাচত যেতিয়া বোৰ্ডাৰ ৰোডৰ কাৰণে দিল্লীৰ পৰা ইঞ্জিনীয়াৰ আহিল তেওঁলোকে কলে যে তাত দলং হব নোৱাৰে অথচ সেই দলংখনৰ পৰিবৰ্ত্তে cause way এটাৰ কাৰণে পাঁচ লাখ টকা চেংশ্যন হল। আৰু সেই নদীৰ ওপৰত cause way কৰাৰ কাৰণে টেণ্ডাৰ কৰা হল। আনকি বোল্ডাৰো পেলোৱা হল কিন্তু পিচত গম পোৱা হল যে সেই নদীৰ ওপৰ ভাগত খৰালি পানী নাথাকিলেও নদীৰ বুকুৰ তলত পানী পোৱাৰ কাৰণে সেই নদী খান্দিব পৰা নগ'ল আৰু কন্সট্ৰাকশ্যন কৰাত অসুবিধা হোৱাত ইলেকশ্যনৰ আগতে সকলো সামগ্ৰী লৈ অনা হ'ল ফলত সেই অঞ্চলৰ মানুহবিলাক আমাৰ ওপৰত বিতুষ্ট হ'ল, আনকি এই বিষয়টো লৈ পি, এ, চিতো নানান সমালোচনা হৈছে। যদি এনেবোৰ কাৰ্য্যই চলি থাকে তেতিয়াহলে গডকাপ্তানী বিভাগৰ ওপৰত ৰাইজৰ কি আস্থা থাকিব? মই আশা ৰাখিছোঁ আমাৰ নতুন উদ্যোগী মন্ত্ৰীয়ে এই দলংখন চাবলৈ যাব আৰু সেই ৰাস্তাটো ভ্ৰমণ কৰি তাত কৰিব লগীয়া খিনিৰ যথা-যথ ব্যৱস্থা লব। তাৰোপৰি পৰিকল্পনাৰ কিমান টকা চাৰেণ্ডাৰ কৰা হব সেই বিষয়ে ৪ তাৰিখে জনাব। এই যে ২৯৫ কোটিতকৈ অধিক টকা যি প্লেনত খৰচ কৰিবলৈ বিচৰা হৈছে তাৰে কিমান টকা চাৰণ্ডাৰ কৰা হব সেই বিষয়ে আমাক জনাব লাগে নহলে যি বিলাক কথা কৈ আমাৰ ৰাইজক আশা দিয়া হয় সেইবিলাক বাস্তৱত নকৰিলে আমি ৰাইজৰ আগত হেয় প্ৰতিপন্ন হব লগীয়া হও। শেষত এই পৰিকল্পনাবিলাক কৰি যাতে ৰাইজৰ সুবিধা দিব পাৰে তাকেই নিবেদন কৰিলো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী:— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ বিতৰ্কৰ আলোচনাত মই দুষাৰ মান কথা উন্নুকিয়াব বিচাৰিছোঁ।

"To ensure social justice and for bringing confidence among the weaker section among the rural population this national programme has been given topmost priority during the year 1977-78. This programme relates to elementary education, health and sation, rural roads, rural electrification, house sites for rural landless, drinking water facilities in rural areas and improvement of slums and urban areas."

ইতিমধ্যে যি খিনি আলোচনা হৈছে সেই বিষয়ে মাননীয় সদস্য ৰমেশ চন্দ্ৰ ডাঙৰীয়াই ডাঙি ধৰিছে। ১৯৭০ চনৰ ৪ অক্টোবৰ তাৰিখে সেই সময়ৰ ভাৰতৰ জলসিঞ্চন মন্ত্ৰী ডাঃ কে, এল, ৰাওয়ে অসমৰ কলিয়াবৰত এটা উত্তোলিত জলসিঞ্চন আঁচনিৰ কাৰণে গ্ৰীণ চিগনেল দিছিল কিন্তু দুখৰ বিষয় আজিলৈকে সেই আঁচনিতো সম্পূৰ্ণ হৈ নুঠিল। এই আঁচনিৰ কাৰণে প্ৰায় ২৬ হেজাৰ বিঘা খেতি মাটি অধিগ্ৰহণ কৰা হল কিন্তু সেই মাটিৰ যি ক্ষতিপূৰণ দুটা মৌজাৰ মানুহক দিব লগীয়া আছিল সেই টকা আজিলৈকে দিয়া নহল। আগতে ব্ৰহ্মপুত্ৰৰ মঁঠাউৰী বান্ধোতে বালিমাটিতো ১২০০ ৰ

পৰা ১৫০০ টকা লৈকে কমপেনশ্যন দিয়া হৈছিল কিন্তু কলিয়াবৰত আঁচনি লওতে দুটা খেতি হোৱা মাটি অধিগ্ৰহণ কৰাৰ পিচত তাত মাত্ৰ বিঘা প্ৰতি ৯০০ টকাকৈহে দিব বুলি কোৱা হৈছে, কিন্তু সেই টকাও এতিয়ালৈকে আদায় দিয়া হোৱা নাই। তাৰোপৰি যি খন বাৰ্জ অনা হৈছে সেইখনো নদীৰ বালিয়ে পুতি পেলাইছে আৰু তাত মাত্ৰ ১২০ এইচ, পি মেচিনবোৰ কাৰ্য্যক্ষম কৰি ৰাখিবলৈ বিজুলী শক্তিৰ যোগান ধৰা হোৱা নাই।

এনেকৈ কাম কৰা হৈছে। গড়কাপ্তানী বিভাগে ১৯৬৭ চনত ডিজ নদীৰ দলং নিৰ্মানৰ কাম আৰম্ভ কৰি ১৯৭৮ চনত মটৰ চলাচলৰ সুবিধা কৰিছে এনেকৈয়ে গড়-কাপ্তানী বিভাগে কাম কৰে। ইয়াত প্ৰাথমিক শিক্ষাৰ প্লেনিং এচটিমেট সম্বধে দিয়া আছে কিন্তু এই গোটেইখিনি কথা কাযয্কৰি হোৱা নাই। আৰু এটা কথা জখলাবন্ধাত পানী যোগানৰ আঁচনি এখন লোৱা হ'ল। যি ঠাইত পানী যোগান দিয়া হৈছে, সেই ঠাইয়ে আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু কৃষি মন্ত্ৰী যাব লগিব আৰু আহিব লাগিব। তেওঁলোকে মন কৰিলে দেখিবলৈ পাব ৩৭ নং নেচনেল হাইওৱেৰৰ কাষে কাষে পানীৰ পাইপ দিয়া হৈছে। সেই পানীবোৰ এনেয়ে গৈ থাকে তাৰ পৰা এবালটি গৰুৰে খাবলৈ পানীকোনোৱে নিনিয়ে। কাৰণ যি ঠাইত পাইপ বোৰ দিছে সেই ঠাইত তাত সকলোৰে ঘৰে ঘৰে নাদ বা পানীৰ কল আছে। অথচ কাষতে থকা অনুসুচীত সম্প্ৰদায়ৰ ধেকিয়াল কাৰ্য্যিৰ শেন-চোৱা গাঁৱত পানীৰকোনো ব্যৱস্থা নাই। কংগ্ৰেছী চৰকাৰে এনেকৈয়ে কাম কৰিছিল। বিশেষকৈ চৰকাৰী এই বিভাগ বিলাকৰ ওপৰতে যদি সকলো বোৰ নিৰ্ভৰ কৰা হয় তেতিয়া হলে কোনো সলনি নহব। কাৰণ তেওঁলোকৰ যি আমোলতান্ত্ৰিক মনোভাব। সেই মনোভাবৰ মই কোনো পৰিবৰ্ত্তন হোৱা দেখা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ক খবৰ ৰাখিবলৈ আপোনাৰ জৰিয়তে দৃষ্টি আৰ্ক-খন কৰিলো। আন এটা কথা হল এই যে যিবোৰ গাওঁ অঞ্চলৰ এলপি স্কুল আছে তাত মেপ এখন নাই, গ্লোৱ এটা নাই আনকি শিক্ষক বহিবলৈ এখন চকিও নাই। ওচৰৰ চবুৰীয়াৰ পৰা খুজি আনিহে শিক্ষক সকলে চকিত বহিব পাৰে। অধ্যক্ষ মহোদয়, আৰু আন এটা ব্যৱস্হা দেখিছো এই স্কুল বিলাকত যি ডেস্ক আৰু বেঞ্চ আদিৰ দিয়া ব্যৱস্হা কৰিছে, সেই বিলাক ডি, পি, আইৰ অফিচৰ পৰা চাপলাই হয়। তেওঁলোকে স্কুলৰ ওচ-ৰতে বনাবলৈ দি স্কুলত দিয়াৰ ব্যৱস্হা কৰা নই ১২০ মাইল বা ১১৫ মাইল আতৰৰ পৰা সেইবোৰচাপলাই কৰিছে। ফলত স্কুল পাই মানে ডেস্ক বেঞ্চৰ খুৰা বোৰ ভাঙিহে সেইখিনি পাইগৈ। তেওঁলোকে এই ব্যৱস্হাৰে দুই পইচাৰ ইনকাম চোৰ্চ উলিয়াবলৈ দিহা কৰিছে। এই সকলো বিলাক সমস্যা সমাধানৰ কাৰণে পুৰ্ব্বতে প্লেন প্ৰগ্ৰেম কৰি কোনো বেমৈজানি নোহোৱাকৈ কাৰ্য্যকৰি কৰিব পাৰি তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ কৰিছো। আমাৰ জনসাধাৰণে যাতে এনে কিছুমান অসুবিধা ভোগ কৰি থাকিব নালাগে সেইবাবে মই আমাৰ বিত্তমন্ত্ৰী মহোদয়ৰ ওচৰত আপোনাৰ জৰীয়তে পৰামৰ্শ দাঙি ধৰিলো।

Mr. SPEAKER :— Order, order. I want to ask the Minister to reply.

Shri AKRAM HUSSAIN :— We wanted to speak on this, Sir.

শ্ৰীখগেন বৰবৰুৱা :— অধ্যক্ষ মহোদয় বিত্ত মন্ত্ৰীয়ে যি বিষয়ে দাঙি ধৰিছে তাত দুটা অংশ থাকিব লাগিব। কোন ফালৰ পৰা টকা পোৱা যাব আৰু কোন ফালে কেনেকৈ খৰছ কৰা হব। ধন সংগ্ৰহ কৰাৰ ক্ষেত্ৰত ধনী শ্ৰেনীৰ ওপৰত কৰ লগোৱা উচিত। এই ধনী শ্ৰেনীৰ ভিতৰত কোন কোন পৰে তাৰ এটা ভাল তদন্ত কৰি চাই এটা সীমা নিৰ্ধাৰণ কৰা

উচিত। অসম ভাৰতবৰ্ষৰ এটা অংশ। আমাৰ চৰকাৰে ৮ হাজাৰৰ টকা পোৱা ধনীৰ ওপৰতো আয়কৰ লগাইছে। অৱস্হালৈ চাই ব্যবস্হা কৰিব লাগিব। ধনী আৰু দৰিদ্ৰৰ মাজত এটা সীমাৰেখাৰ ব্যৱস্হা কৰিব লাগে যাতে ধনীৰ ওপৰত কৰ বৃদ্ধি কৰাৰ ব্যৱস্হা কৰিব পাৰি। এতিয়া ১০ বিঘা মাটিৰ ওপৰত খাজনা ৰেহাই দিয়া হৈছে। কিন্তু এই যে এম, এল, এ বিলাক আছে তেওঁলোককো ৰেহাই দিয়াও হবনেকি ? এই খগেন বৰবৰুৱাকো ৰেহাই দিয়া হবনেকি—কি বুলি এম, এল, এ সকলে খাজনা (ভইচ :—এম, এল, এ, সকলোৰে ভাল অৱস্হা নহয় ।) মই এজন এম, এল, এ মোৰ অৱস্হা ভাল নহয়।

স্বাধীনতাৰ আগত টাটা বিড়লাৰ সম্পত্তিৰ মূল্য আছিল ২০—৩০ কোটি। কিন্তু এতিয়া সি সকলৰ সম্পত্তি ২০ হাজাৰ কোটিৰ ওপৰ ।

পৃথিবীত এনে এখন দেশ নাই যি খনত ভাৰতবৰ্ষৰ ধাৰ নাই। ইংলণ্ড, এমেৰিকা ফ্ৰান্স, পশ্চিম জাৰ্ম্মানী, জাপান আদি প্ৰতিখন দেশত ধাৰ লাগিছে। ধাৰৰ পৰিমান বৰ্ত্তমান ৩০ হাজাৰ কোটি, ভাৰতৰ ওচৰত অসমৰ ৪৭০ কোটি ধাৰ লাগিছে। পৃথিবীৰ বহুদেশে Developing Country (বিকাশমুখী) বিলাকৰ ধাৰ দিয়াৰ কথা কৈছে । গতিকে অসম চৰকাৰে ভাৰতৰ ওচৰত থকা ধাৰ মাফ দিয়াৰ কাৰণে ব্যৱস্হা কৰিব লাগে। দিল্লীতো জনতা চৰকাৰ অসমতো জনতা চৰকাৰ আছে—Link বা যোগাযোগ থিকেই আছে। এই বিষয়ে এটা প্ৰস্তাৱ সদনত চৰকাৰি পক্ষই আনিব পাৰে কংগ্ৰেছ । বামপন্হী সকলে ন্যায় সম্মতি জ্ঞাপন কৰিব।

অসমৰ পৰা বিদেশী চাহ কোম্পানীয়ে আগতে ১০ কোটি এতিয়া প্ৰায় ২০/২৫ কোটি লাভ নিয়ে। এই টকা ইয়াত খৰছ নহয়—খৰছ হয় বিলাতত। এই বাগান বাজেয়াপ্ত কৰিব লাগে। এই লাভ অসমত খৰছ কৰিব লাগে। বহু বাগান বিক্ৰী কৰি কোনো কোনো কোম্পানী আফ্ৰিকালৈ গৈ বাগান খুলিছে। সেই বাগান চৰকাৰে লব লাগে বাজেয়াপ্ত কৰি ।

অসমৰ বাগান বিলাকৰ পৰা লাখ লাখ কোটি কোটি টকা আমাৰ কেন্দ্ৰীয় চৰকাৰে 'চেণ্ট্ৰেল এক্সাইজ'ৰ নামত নি আছে। সামান্য এখন বাগানৰ কথা মই কবপাৰো আৰু এইখন আমগুৰি কোম্পানীৰ বৰবাম বাগান। ইয়াৰ পৰাই কেন্দ্ৰীয় চৰকাৰে ১৩ লাখ টকা চাহৰ টেক্সত নিয়ে। ২০ লাখ নিয়ে বৰচিলা বোলা বাগান খনৰ পৰা ২৫ লাখ নিয়ে তিনৈজান বাগানৰ পৰা । গতিকে ইয়াৰে একাংশ কেন্দ্ৰীয় চৰকাৰৰ পৰা অনাৰ দিহা কৰিব লাগে। তাকে নকৰিৰ দৰিদ্ৰ মানহ বিলাকৰ পৰা টেক্স আদায় কৰাৰ উত্তৰ ৰাইজৰ পৰা চৰকাৰে পাব। বিদেশী কোম্পানী, কেন্দ্ৰীয় চৰকাৰ আৰু ধনীক শ্ৰেণীৰ পৰা টকা অনাৰ ব্যৱস্হা কৰিবলাগে। তাৰোপৰি, ৰয়েলটিৰ টকাও পাবপাৰি। ব্যয়ৰ ক্ষেত্ৰত দৰিদ্ৰ শ্ৰেণীক নিশ্চয় সকাহ দিব লাগিব। এই ক্ষেত্ৰত মই আৰু এটা কথা উল্লেখ কৰিব খুজিছোঁ আৰু সেইটো হৈছে যে, আমাৰ ৰাজ্যত প্ৰায় ২২ হেজাৰমান গাওঁ আছে । এই গাওঁ বিলাকৰ বহু এল, পি স্কুল আছে। এই বিলাক স্কুলত কাৰ কাৰ লৰাছোৱালীয়ে পঢ়ে ? যিবিলাক মানুহৰ অৱস্হা ভাল সেইবিলাক মানুহে কিণ্ডাৰগাৰ্টেন, ডনবস্ক, মণ্টেশ্বৰী, চেণ্ট্ৰেল স্কুল আদিতহে তেওঁবিলাকৰ লৰা-ছোৱালীক পঢ়ুৱায়। যি বিলাক দুখীয়া মানুহ সেইবিলাকৰ লৰা-ছোৱালীয়েহে এই ক্ষুদ্ৰ ক্ষুদ্ৰ এল, পি স্কুল বিলাকত পঢ়ে। দশম মান শ্ৰেণীলৈকে স্কুলত পঢ়া লৰা-ছোৱালী বিলাকৰ ক্ষেত্ৰত বিনামূলীয়া শিক্ষাদিয়াৰ ব্যৱস্হা কৰিছে, ১০ বিঘালৈকে মাটিৰ খাজনা ৰেহাই দিয়াৰ ব্যৱস্হা আদি হৈছে। এই-বিলাক আমি ভাল পাইছোঁ । কিন্তু লগে লগে সেইবুলি টকা নাই বুলি, সৰু সৰু স্কুল

বিলাক ভাল কৰিবলৈ টকা নাই বুলিলে নহব। ঘৰ-দুৱাৰ কলো বিলাক ভাঙি যাব ধৰিছে। বৰষুণত পানী পৰে তাত কুকুৰ-গৰু-ছাগলী আদি দিনে নিশাই সোমায়। যদি এইটোৱেই অৱস্থা হয় তেতিয়াহলে, চৰকাৰ আৰু আমাৰ এম, এল, এ সকলৰেই বা প্ৰয়োজন কি? শিক্ষাৰ ক্ষেত্ৰত আগনেবাঢ়িলে এখন দেশকেতিয়াও আগবাঢ়িব নোৱাৰে। আমাৰ দেশৰ কুটিৰশিল্প বিলাকক ধনীৰ শ্ৰেণীৰ পৰা মুক্ত কৰি আনি দুখীয়া কাৰিকৰ বিলাকৰ হাতত চমজাই দিব লাগে। আজি সৰ্থেবাৰীৰ বাচন বৰ্ত্তন বিলাকো মেচিনত তৈয়াৰ হব ধৰিছে। চাবন ডাঙৰ শিল্পত প্ৰস্তুত হৈছে। আজি কিছুমান ডেকা লৰাই সংস্থান আদি নেপাই দীঘল ডাঢ়ি চুলি ৰাখি ঘুৰিফুৰিব লগীয়া অৱস্থা হৈছে। আমেৰিকা পৃথিবীৰ ভিতৰতে ধনী দেশ আৰু পৃথিবীৰ পাঁচ ভাগৰ তিনিভাগ এই দেশখনৰ সোন আছে। তাৰে এখন নগৰ নিউইয়কৰ ডেকা সকলোকে চাকৰি দিবনোৱাৰাৰ কাৰণে তাত ৩৩০ টা মান ডকাইতৰ গেং সৃষ্টি হৈছে আৰু এই সকলৰ সংখ্যা হৈছে ২০ হেজাৰ। গতিকে আমাৰ ডেকাবিলাককো যদিচাকৰি আদিৰ যোগান দিব নোৱাৰে তেতিয়া-হলে, তেওঁলোকেও চোৰ, ডকাইতি আদি কৰিবলৈ বাধ্য হব লাগিলে যিমানেই আইন কানুন কেন্দ্ৰীয় চৰকাৰে লোকসভাত বিধান সভাত নকৰক লাগিলে খাবলৈ নেপোৱা লোকে কেতিয়াও আইন কানুন নেমানে। এই খন কি দেশ? এইখন কণা মানুহৰ দেশ।

Conntry of the bind—H. G. wells.

কাৰোবাৰ ৰাজ অট্টালিকা হৈছে আৰু হয়তোকোনোবাই গছৰ তলত বাস কৰিছে। গতিকে যদি অনতিপলমেই ধনীক শ্ৰেণীৰ উচ্ছেদ নহয় তেতিয়াহলে, আমাৰ দেশত এখন গৃহযুদ্ধৰ সূচনা হব ধৰিছে। যোৱা ১৯৪২চনত যুদ্ধ আৰম্ভ হৈছিল এটা বৃটিশ চৰকাৰক খেদিবৰকাৰণে আৰু ইয়াৰ পিছত যি গৃহযুদ্ধৰ সৃষ্টি হব সি হব ভাৰতবৰ্ষৰ ধনীক শ্ৰেণী আৰু দুখীয়া শ্ৰেণীৰ মাজত।যোৱা নিৰ্ব্বাচন খনও একপ্ৰকাৰ নিম্নপৰ্য্যায়ৰ যুদ্ধই আছিল। আজিয়েই হওঁক বা কালিলৈকেই হওঁক দৰিদ্ৰশ্ৰেণীৰ জয় অনিবাৰ্য্য।

ৰাস্তা-ঘাত, দলং আদি বহুত বিলাক বিষয়ৰ ওপৰত কব লগীয়া আছিল। সেইবিলাকবাৰো পিছত কবলৈ সুবিধা পাম এতিয়া মাত্ৰ চৰকাৰক এইটোকেইহে সকিয়াই দিবখুজিছোঁ যে, দৰিদ্ৰ শ্ৰেণীক ৰক্ষা কৰক আৰু ধনীবিলাকৰ পৰা যিমান পাৰি টেক্স আদায় কৰক।

মাননীয় অধ্যক্ষঃ—১২ বজালৈ এক নম্বৰ আৰু দুই নম্বৰৰ আইটেম থাকিল।

*শ্ৰীএ, এন, আক্ৰাম হোছেইনঃ—মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ৰ লগতে আৰু এটা কথা কব খুজিছোঁ আৰু সেইটো হৈছে যে, বানপানী অসমৰ চিৰন্তন সমস্যা। এই সমস্যাটোৰ পৰা অসমবাসী ৰাইজক মুক্ত কৰিব পৰা নাই। এই সমস্যাটো সমাধান কৰিব নোৱাৰাৰ কাৰণেই আজি অসম ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতি সম্ভৱপৰ হোৱা নাই। ইতিমধ্যেই বাৰ্তাৰ কাকতত প্ৰকাশ পাইছে যে, ব্ৰহ্মপুত্ৰৰ নামনি অঞ্চলত অৰ্থাৎ গোৱালপাৰা আৰু ধুবুৰীৰ ওচৰত দুশ মাইল খাল্ল খান্দি গঙ্গাৰ লগত লগ লগাই দিয়া হব আৰু সেই গঙ্গাৰ জলধাৰাইদি সেইটো নি বাংলাদেশত লগাই তাৰ পানীৰ যোগান খৰকালি ধৰা হব। এইটোৰ ফলত অসমৰ ভীষণক্ষতি হব। যোৱা ২৬ তাৰিখৰ বাৰ্তাৰ কাকতত আৰু ২৮ তাৰিখৰ 'দৈনিক অসম' কাকতত এইবিষয়ে সবিশেষ প্ৰকাশ পাইছেই। এই ব্যৱস্থা টোকৰাৰ ফলত আমাৰ ৰাজ্যখনৰ ভীষণ ক্ষতি হব তাত কোনো সন্দেহ নাই। ইয়াৰ ফলত আমাৰ ব্ৰহ্মপুত্ৰ নদীখন শুকাই যাব। বাংলাদেশ তাৰ দ্বাৰা উপকৃত হব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ লগতে আপোনাৰো মনত আছে যে, যেতিয়া ফাৰাক্কা চুক্তি স্বাক্ষৰিত হৈছিল তেতিয়া পশ্চিম বাংলাত আন্দোলন হৈছিল এই কাৰণে যে,

*Speech not corrected

ইয়াৰ দ্বাৰা ফাৰাক্কাত যি বান্ধ নিৰ্ম্মাণ কৰা হব তাৰ ফলত কলিকতা পৰ্টটো শুকাই যাব। তেতিয়া কেন্দ্ৰীয় চৰকাৰে আশ্বাস দিছিল যে, ইয়াৰ দ্বাৰা কলিকতা পৰ্টৰ কোনো ক্ষতি নহব। কিন্তু পশ্চিম বঙ্গৰ চৰকাৰে এতিয়াও সেই বিষয়টোৰ ওপৰত হেচা দি আছে। ২০০ মাইল খাণ্ড খাণ্ডি বোৱাই নিয়াৰ ফলত বাংলাদেশ উপকৃত হব আৰু তাৰ ফলত এই অসম ৰাজ্যখনৰ লাখ লাখ বিঘা মাটি মৰুভূমিত পৰিণত হব। কলকাৰখানা, উদ্যোগ সকলো বিলাক অচল হৈ পৰিব। বিজুলী শক্তি উৎপাদনত ৰাজ্যখন ক্ষতিগ্ৰস্ত হব। অৰ্থাৎ এক কথাত কবলৈ হলে গোটেই অসমখন মৰিশালিত পৰিণত হব। মই এই কথাটো কব খুজিছোঁ যে, অসমৰাজ্য খনক শোষণ কৰিহে কেন্দ্ৰীয় চৰকাৰে কাম বিলাক কৰে। অসম খনত এতিয়াও শোষণকৰাৰেই ষড়যন্ত্ৰ চলিয়েই আছে। এইটো সচাঁকৈয়ে জীৱন মৰণৰ প্ৰশ্ন হৈ পৰিছে। ধুবুৰী আৰু গোৱালপাৰাত বুজ কৰিব।

মাননীয় অধ্যক্ষ মহোদয় :—'ষড়যন্ত্ৰ' শব্দটো বোধকৰো আপত্তি জনক।

*শ্ৰীএ, এন, আক্ৰাম হুছেইন :— মই বাৰু সেই শব্দটো উঠাই লৈছোঁ। মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এইটো অনুৰোধ কৰিব খুজিছো যে, 'এক্সপাৰ্ট অপিনিয়ন' লৈহে যেন তেখেতে এই কামটো আৰম্ভ কৰিবলৈ দিয়ে। গতিকে এই যিটো বুজ কৰিব বিছাৰিছে সেই সম্পৰ্কে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব খুজিছো যাতে তেখেতে এই বিষয়টোৰ এক্সপাৰ্ট অপিনিয়ন লয়। দিহিং আৰু সোৱণশিৰি বুজ নকৰাকৈ বুজ কৰিব নালাগে। এইবাৰ ফাৰাক্কা চুক্তিত ব্ৰহ্মপুত্ৰৰ কথাটো আহিবই আৰু তাৰ দ্বাৰা অসমৰ বিশেষ ক্ষতি হব বুলি এক্সপাৰ্ট অপিনিয়ন আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এক্সপাৰ্ট অপিনিয়নৰ কথাযে কৈছে সেই এক্সপাৰ্ট সকলৰ নাম কব নেকি ?

*শ্ৰীএ, এন, আক্ৰাম হুছেইন :— এক্সপাৰ্ট অপিনিয়ন লব লাগে বুলিহে কৈছো। মই অৱশ্যে কিছুমান ইঞ্জিনিয়াৰ আদিৰ পৰা এই কথা জানিব পাৰিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এখেত সকলৰ নাম কলে ভৱিষ্যতে আমিও এক্সপাৰ্ট অপিনিয়ন লবলৈ সুবিধা হব।

(সময়ৰ সংকেট)

*শ্ৰীএ, এন, আক্ৰাম হুছেইন :—গতিকে যিহেতু ইয়াৰ দ্বাৰা অসমৰ ক্ষতি হব সেই-কাৰণে সময়থাকোতেই এই বিষয়টো যোগাযোগ কৰিবলৈ অনুৰোধ জনাই বক্তব্যৰ সামৰণি মাৰিলো ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) :—মাননীয় সদস্য শ্ৰীচহৰীয়া ডাঙৰীয়াই কৈছে যে পঞ্চম পৰিকল্পনাত আমি আশানুৰূপ ফল পোৱা নাই। এই কথা সত্য। কিয় পোৱা নাই এই বিষয়ে পৰীক্ষ কৰি চাব লাগিব। আমাৰ অহা বছৰৰ পৰিকল্পনামতে বাজেট প্ৰভিজন কৰা হৈছে, বাজেট প্ৰভিজন কৰোতে কেন্দ্ৰীয় চৰকাৰৰ লগত মিল ৰাখিয়ে কৰা হৈছে। আমি দায়ীত্ব লোৱা কিছু সময়হে হৈছে এই বিলাক স্তাদী কৰিবলৈ সময় পোৱা নাই, সময়ত স্তাদী কৰিম। আগতে যিবিলাক্ৰুটি হৈছিল আশাকৰে সেইবিলাক ক্ৰুটি

*Speech not corrected.

আৰু নহব। মাননীয় সদস্য গৰাকীয়ে মহকুমা পৰ্য্যায়ৰ পৰিকল্পনাৰ কথা কৈছে সেই বিলাক অ গৰ চৰকাৰে কৰি যোৱা কাম, সেইবিলাক বিষয়ে মন্তব্য দিবলৈ মই অপাৰগ। এইবিলাকৰ আমি খা-খবৰ কৰিম আৰু সদনকো জানিবলৈ দিম। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনৰ ক্ষেত্ৰত মাননীয় সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে সেইবিলাক মনত ৰাখি আমি কাম কৰিবলৈ যত্ন কৰিম। কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰনৰ কাম সমাধা কৰিব লাগিব। ইয়াৰ পিচত তেখেতে মঙলদৈ আৰু চিপাঝাৰ কলেজৰ কথা কৈছে, আমাৰ শিক্ষামন্ত্ৰী উপস্থিত আছে তেখেতে এই বিষয়ে চাব। বাজেট সম্পৰ্কে মাননীয় সদস্য সকলে বাজেট বক্তৃতাত কবলৈ সুবিধা পাব। টকা চাৰেন্দাৰ কৰা কথা কৈছে। এতিয়ালৈকে কিমান টকা চাৰেন্দাৰ হব সেই হিচাব উলিওৱা নাই তথাপি আমাৰ গড়কাপ্তানি মন্ত্ৰী মহোদয়ে কালি ইঙ্গিত দিছে। এই হিচাব এই সদনতে চলি থকা অৱস্থাতে দিবলৈ চেষ্টা কৰিম। (ভইচ-ঘূৰাই নিদিলে হয়) ঘূৰাই দিবই লাগিব। যিহেতু আগতে খৰছ কৰিব পৰা নহল এতিয়া খৰছ কৰিবৰ উপায় নাই। গড়কাপ্তানি বিভাগৰ যিবিলাক কথা কোৱা হৈছে আমাৰ গড়কাপ্তানি মন্ত্ৰী মহোদয় উপস্থিত আছে তেখেতৰ এইবিলাক দৃষ্টিগোচৰ হৈছে সেই কথাবিলাক চাব। মাননীয় সদস্য শ্ৰীবৰবৰুৱা ডাঙৰীয়াই বেচি চহকি আৰু ধনি শ্ৰেণীৰ ওপৰত কৰ লগোৱাৰ কথা কৈছে। এই খৰচতে (Vote on Account) মাত্ৰ তিনি মাহৰ কাৰণে বিচৰা হৈছে। আমাৰ বাজেটত কোনো নতুন কৰ-কাতলৰ ব্যৱস্থা নাই। চাহ নিগমে দুই এখন চাহ বাগিছা কিনিছে, এই বিষয়ে আৱশ্যক হলে সকলো কথা পাচত জনাব পাৰিম। ব্ৰহ্মপুত্ৰ আৰু গঙ্গাত এটা খাল খান্দি সংযোগ কৰাৰ কথা আমাৰ মাননীয় সদস্য শ্ৰীহুচেইন ডাঙৰীয়াই কৈছে। তেখেতে অসমৰ স্বাৰ্থ হানি হব বুলি সন্দেহ কৰিছে। মই তেখেতক জনাব বিছাৰিছো এই চৰকাৰে অসমৰ যাতে কোনো প্ৰকাৰে ক্ষতি নহয় তাৰ কাৰণে দৃঢ় প্ৰতিজ্ঞ। এই খিনিকে কৈ ভোট অন একাণ্টস মাননীয় সদস্য সকলে সমৰ্থন কৰিব বুলি অনুৰোধ কৰিলো।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—বিত্তমন্ত্ৰী মহোদয়ৰ লগতে মই এটা যোগ দিব বিছাৰছো, মই মাননীয় সদস্য সকলক জনাব বিছাৰিছো এই ফাইনেন্চিয়েল পলিচিটো অৰ্থাত প্ৰাচিদিউটো গোটেই চিস্তেমটোৱে ভুল। চেংচনিং আৰু স্পেনডিং এই দুয়োটাই ৰং। এইবাৰ অৱশ্যে বহুত টকা চাৰেন্দাৰ কৰিব লাগিব। ভবিষ্যতে যাতে নালাগে তাৰ ব্যৱস্থা কৰিম। মাননীয় সদস্য শ্ৰীচহৰীয়া ডাঙৰীয়াই মঙলদৈৰ যিটো কথা কৈছে অসমৰ সমস্ত প্ৰদেশতে গডকাপ্তানি বিভাগৰ এনেধৰণৰ গুনানুকীৰ্ত্তন আছে। এই সম্পৰ্কে বিহীত ব্যৱস্থা লবলৈ চেষ্টা কৰি আছো।

Mr. SPEAKER—The motion moved is that an amount not exceed ing Rs. 86, 74, 92, 200 be granted to the Governor of Assam in advanc to defray charges in respect of different Deparments during the firs quater of the financial year ending the 31st March 1979 under Grants shown in the schedule.

( ..... The motion is carried ........)

Now, Bill will be circulated.

Shri BENOY KUMAR BASUMATARY * * *

* * * *

Procedings expunged under orders from the chair.
*Speech not corrected

Shri KESHAB CHANDRA GOGOI (MINISTER)—Sir, I beg leave to introduce the Assam Appropriation (Vote on Account) Bill, 1978.

Mr. SPEAKER—Is it the pleasure of the House to permit the introduction of the Bill ?

(Leave granted)

Here is a message from the Governor: "Under the provision of Article 207 (1) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (Vote-on-Account) Bill, 1978.

Sd/ LALLAN PRASAD SINGH,
Governor of Assam.

Shri KESHAB CHANDRA GOGOI (MINISTER): Sir, I beg to introduce the Assam Appropriation (Vote-on-Account) Bill, 1978.

(Secretary Assam Legialative Assembly read out the title of the Bill).

Mr. SPEAKER—Here is another message from the Governor: "Under the provision of Article 207 (3) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend that the Assam Appropriation (Vote—on—Account) Bill, 1978 be taken into consideration by the Assam Legislative Assembly.

Sd/ LALLAN PRASAD SINGH,
Governor of Assam."

Shri KESHAB CHANDRA GOGOI, (Minister): Sir, I beg to move that the Assam Appropriation (Vote—on—Account) Bill, 1978 be taken into consideration.

মিঃ স্পীকাৰ ঃ— কোনোবাই কবনে কি ?

শ্ৰীপ্ৰেম বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখিনি পইচা দিয়া হৈছে সেই পইচাখিনি তলৰ পৰা কামত খটুৱালে ভাল হয় আৰু তাৰ বাবে মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যে এই ক্ষেত্ৰত যাতে স্কুলৰ চাকিদাৰ সকলক প্ৰথম সুবিধা দিয়া হয়। দ্বিতীয়তে, মাষ্টাৰ ৰোলৰ যিসকল কৰ্মীয়ে ১৫।২০ বছৰ ধৰি কাম কৰি আছে সেই সকলক নিয়মীয়া কৰ্মী কৰি দি নতুন চৰকাৰে সমাজবাদী সমাজৰ নাম ৰক্ষা কৰে যেন।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—(মন্ত্ৰী) মাষ্টাৰ ৰোলৰ সম্পৰ্কত ইতিমধ্যে কাম হাতত লোৱা হৈছে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ—মাননীয় সদস্য ডাঙৰীয়াই যিটো কথা কৈছে সেই সম্পৰ্কত বিভাগীয় মন্ত্ৰী সকল ইয়াত উপস্থিত আছে আৰু তেখেত সকলে এই বিষয়ে কব বুলি মই আশা ৰাখিছো।

Mr. SPEAKER—The motion is that the Assam Appropriation (Vote—on—Account) Bill, 1978 be taken into consideration.

.........(The motion is passed).........

Now as their is no amendment I put clause 2. Clause—2 does form part of the Bill.

.......(The motion is passed)......

The Clause 2 forms part of the Bill. Now, I put clause 3. Clause 3 does form part of the Bill.

.........(The motion is passed).........

.. . ...The Clause 3 forms part of the Bill ......... Now, I put Clause 1, preamble, enacting formula, short title of the Bill. The Clause 1, preamble, the enacting formula, short title of the Bill and schedule do form part of the Bill.

The Clause 1, premble, the enacting formula, the short title and schedule form part of the Bill.

Shri KESHAB CHANDRA GOGOI, (Minister): Sir, I beg to moev hat the Assam Appropriation (Vote—on—Account) Bill, 1978 be passed

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন গ্ৰহণ কৰাৰ আগতে মই দুআষাৰমান কব খুজিছো। খুউব চমুকৈ মই কম। আমাৰ যিটো লোক সেৱা আয়োগ আছে সেই আয়োগটোৱে নিয়োগৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। ভাৰতীয় সংবিধান মতে এই লোক সেৱা আয়োগবোৰ গঠন কৰা হৈছে ৰাজ্যিক ভিত্তিত আৰু গোটেই দেশৰ কাৰণে আমাৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় লোক সেৱা আয়োগ আছে। অসমৰ লোক সেৱা আয়োগৰ ৰিপৰ্ট আমি মাজে-সময়ে পাই থাকো। তাৰ যিবোৰ ভিতৰুৱা কাৰবাৰ সেইবোৰৰ কথা অৱশ্যে ইয়াত কবলৈ টান লাগে। আনহাতে এই লোক সেৱা আয়োগটো এটা Quasi Judicial অনুষ্ঠান। সেয়ে এই সম্পৰ্কত কিবা কবলৈ হলে আমি সন্মান ৰাখি কবলৈ আমি ন্যায়ত বাধ্য। কিন্তু দুষ্ট লোকসকলে মাজে সময়ে কিবা কিবি কৈ থাকে।

শ্ৰীনগেন বৰুৱা ঃ—অধ্যক্ষ মহোদয়, দুষ্ট লোক শব্দটো উঠাই লব লাগে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—দুষ্ট শব্দটো অধ্যক্ষ মহোদয়, আন পাৰ্লিয়ামেন্টৰী নহয়।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—অধ্যক্ষ মহোদয়, দুষ্ট শব্দটোলৈ এটা বাদানুবাদৰ হৈছে যেতিয়া দুষ্ট শব্দটোৰ বেলেগ কিবা শব্দ থাকিলে মই কবলৈ প্ৰস্তুত আছো কিন্ত সদ্য-হতে তেনেকুৱা শব্দ ইয়াৰ প্ৰতি মোৰ এতিয়া মনত পৰা নাই। যি কি নহওক, লোক সেৱা আয়োগৰ সম্পৰ্কত বহুতে বহুত ধৰণেৰে কয়। যি নিৰেপেক্ষতা, ন্যায়পৰায়ণতা

আমি এই অনুষ্ঠানটোৰ পৰা আশা কৰা উচিত সেইখিনি বোধকৰো যোৱা কেইবছৰত আমি পোৱা নাই । এনেকুৱা ৰিপৰ্ট আমি পাইছো যে অৰ্হতা থকা প্ৰাৰ্থী যাৰ একাডেমিক কেৰিয়াৰ অতি সুন্দৰ, যাৰ কোনো ৰকমে পৰীক্ষা বেয়া হোৱাৰ সম্ভাৱনা নাই তেনেকুৱা প্ৰাৰ্থীও তালিকাৰ অন্তৰ্ভুক্ত হোৱা নাই আৰু তালিকাখন কিবা কিবি হৈ থাকে । মই মাথোন চমুকৈ কৈছো, দৰকাৰ হলে ইয়াৰ পিচত বহলাই ভালকৈ কম । এতিয়া মই মাত্ৰ চৰকাৰক এইটোহে অনুৰোধ কৰিব খুজিছো যে এই অনুষ্ঠানটোৰ প্ৰতি চৰকাৰে যাতে অলপ দৃষ্টি ৰাখে । ইয়াৰ ওপৰতে আমাৰ প্ৰশাসন যন্ত্ৰটোৰ উন্নতি বহুখিনি নিৰ্ভৰ কৰে। লোৱা সেৱা আয়োগত যোগ্য প্ৰাৰ্থী নিয়োগ কৰিব লাগিব তেতিয়াহে প্ৰশাসন ভাল হব । এটা কথা আমি লক্ষ কৰিছো যে বহুতো এচ, ডি, চি আৰু গেজেটেড অফিচাৰ নিয়োগ কৰা হৈছে কিন্তু তেওঁলোকৰ যোগ্যতাৰ নিম্নম মানদণ্ড আমি দেখা নাই। যোগ্যতাহীন ব্যক্তিও এচ, ডি, চি হৈছে। সেই কাৰণে কৈছো এই সম্পৰ্কে চৰকাৰে চকু দিব লাগে। জিলা প্ৰশাসনৰ কথা মই কৈছো । জিলা কিয় ৰাজ্যিক প্ৰশসিনৰ কথা কবলৈ যাওতে-আমাৰ যিটো অৱস্থা চলিছে সেইটো এক কথাত বৰ্ণনা কৰিব লাগিলে কব লাগিব যে এইটো হল "পুট আপ" চৰকাৰ । কিবা কাৰণত এখন দখাস্ত দিলে উচ্চতম কৰ্তৃপক্ষই সেই খন তৎক্ষনাত সিদ্ধান্ত কৰিবৰ ক্ষমতা বহুত কৰ্তৃপক্ষৰ নাই । লিখি দিব পুট আপ ফৰ ৰেকড, কল ফৰ ৰিপৰ্ট আদি । এই দৰেই এখন দৰ্খাস্ত দিলে পুট আপ ৰেকড, ৰিপৰ্ট কল ফৰ বা এনকুৱাৰ ইন টুদি মেটাৰ আদি লিখি ওপৰৰ পৰা তললৈ তলৰ পৰা ওপৰলৈ কৰি থাকিব তাৰ কোনো সিদ্ধান্ত নহয় । এই খিনিতে মই আগতে কোৱা এটা গল্প কব বিচাৰিছো । গল্প নহয় আচলতে সচাঁ কথা ।

অধ্যক্ষ ঃ—ৰিপিট নকৰিব, সময় নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—[illegible] সদস্য নতুনকৈ আহিছে তেখেত সকলে কথাটো নজানিব পাৰে সেই কাৰণে মই কব বিচাৰিছো। কথাটো হল এজন এচ ডি অ'ৰ এখন বদলি অৰ্ডাৰ আহিল। তাত এচ দি অয়ে লাট মণ্ডলৈ লিখি দিলে enquire and report লাট মণ্ডলে ৰিপৰ্ট দিলে যে 'সেই খন হজুৰৰ বদলিৰ আদেশহে'। কৰ্মচাৰী সকলে এনেকে অন্ধভাবে এটা গতানুগতিক পদ্ধতিৰে কাম কৰি থাকে। কোনো পৰ্য্যায়তে কৰ্ম্মচাৰী সকলে নিজে অধ্যয়ন নকৰে বা দায়িত্ব নলয়।

আমাৰ ষ্টেচনাৰী এণ্ড প্ৰিন্‌টিং নামৰ এটা বিভাগ আছে । তাত চৰকাৰৰ কিতাপ আদি চপা কৰা হয় । এই বিভাগটোৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে । তাত আইন আদি চপা কৰা হয় । এই বিলাক চপা হোৱাৰ পিচত মাননীয় সদস্য সকলে এখন এখন কপি পায় আৰু গেজেটতো পাবলিচ হয় । কিন্তু জনসাধাৰণ ৰাইজে এই বিলাকৰ একো গম নাপায় । এই বিলাক কোনো কিতাপৰ দোকানত পোৱা নাযায় । যি বিলাক বুক ডিপট আছে সেই বিলাকতো এই আইন বিলাক বিচাৰি পাবলৈ নাই । যি সকলে এই বিলাকৰ সম্পৰ্কত খবৰ ৰাখে সেই সকলে গম পায় আৰু যি সকলে খবৰ নাৰাখে সেই সকলে একো গম নাপায় । আইন নজনাৰ কথা নুঠে । জনসাধাৰণৰ মংগলৰ কাৰণে যি বিলাক আইন প্ৰনয়ন কৰা হয় সেই বিলাক প্ৰত্যেক নাগৰিকে জানিব লাগে । আৰু এই বিলাক আইনৰ প্ৰচাৰ কৰিবলৈ হলে অসমীয়াত এই আইন বিলাক অনুবাদ কৰি প্ৰচাৰ কৰিব লাগে ।

Mr. Speaker :— We have completed our time. Hon'ble Member will please conclude.

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—মই ইয়াকে কৈ শেষ কৰিলো ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, পাবলিক চাৰ্বিচ কমিচনৰ যি খিনি কথা কৈছে সেই খিনি চৰকাৰৰো দৃষ্টি গোচৰ হৈছে। আমি আশা ৰাখিছো ভৱিষ্যতে ইয়াৰ কোনো সভ্য বা চেয়াৰমেন নিয়োগ কৰিবলৈ হলে মেন অৱ ইনটিগ্ৰিটি মানুহ লোৱাৰ কথা ভাবিছো । যি বিলাক আইনৰ কথা কৈছে সেই বিলাক প্ৰচাৰ নহয় এইটো কথা সত্য । এই বিলাক পাবলিচ কৰিবলৈ চেষ্টা কৰা হব আৰু প্ৰচাৰ কৰা হব ।

শ্ৰীমুকুট শৰ্মা ঃ—আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই পাব্লিক চাৰ্বিচ কমিচনৰ ভৱিষ্যতে চেয়াৰমেন আদি নিয়োগ কৰোতে মেন অৱ ইনটিগ্ৰিটি মানুহ লোৱাৰ কথা কৈছে । ইয়াৰ দ্বাৰা তেখেতে এইটোকে বুজাব বিচাৰিছেনেকি যে আগতে যি সকল চেয়াৰমেন নিযুক্তি দিয়া হৈছিল সেই সকল মেন অৱ ইনটিগ্ৰিটি নাছিল ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ—মই সেইটো কথা কবলৈ যোৱা নাই। মই কবলৈ বিছাৰিছো যে আগতে যি বিলাক নিয়মৰ মাৰ্জোদ চলি অহা হৈছিল আমি সেই বিলাক নিয়ম মানি নচলো ।

Mr. SPEAKER: The motion moved is that the Assam Appropriation (Vote—on—Accounts) Bill, 1978, be passed.

........the motion is passed (by voice Vote) The bill is passed.........

## DEBATE ON GOVERNOR'S ADDRESS

Mr. SPEAKER: My Hon'ble friends will appreciate that we have limitations regarding time on the debate on the Governor's address for the rest of the time. The Janata Party has 225 minutes in its disposal, the Indian National Congress 125 minutes, the C. P. I. (M) 36 minutes and the Congress (I) 29 minutes. The other parties have already exceeded their time—C. P. I. by 13 minutes, R. C. P. I. by 13 minutes, and independents by 17 minutes.

Now Hon'ble Member, Shri Samsul Huda, may speak but he will have to couclude in a couple of minutes time

*শ্ৰীচামচুল হুদা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই কৈছিলো যে ৰজা কুৰাউনে ৰাজ্যত লিখা পঢ়া উঠাই দি মানুহ বিলাকক মূৰ্খ কৰি ৰাখিলে । থিক তেনেকৈ ৩১ বছৰ আমাৰ কংগ্ৰেছ চৰকাৰে সাধাৰণ মানুহক নিৰক্ষৰ কৰি ৰাখিলে । এই নিৰক্ষৰ মানুহ বিলাকক ভিত্তি প্ৰদৰ্শন কৰি, মানুহক ভুৰা দি, প্ৰবঞ্চনা কৰি ভোটলৈ ৩১ বছৰ গাদী ৰাখিছিল । আমাৰ এনেকুৱা হৈছিল যে ভোটৰ সময়ত ৰাইজৰ মাজত নানা ধৰণৰ প্ৰলোভন দি ৰাইজক নিৰক্ষৰ কৰি ৰাখিলে । এনে ধৰণেৰে ভয় ভিত্তিৰ মাৰ্জোদ তেওঁ-লোকে ৩১ বছৰ ৰাজত্ব কৰিলে । নতুন চৰকাৰক মই অনুৰোধ জনাইছো নিৰক্ষৰতা দূৰীকৰণ কৰাৰ আসু ব্যৱস্থা কৰিব । এই নতুন চৰকাৰৰ ম্যাদ হৈছে ৫ বছৰ। এই ৫ বছৰৰ ভিতৰতে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ কাৰ্যকৰী ব্যৱস্হা কৰক । আজি আমাৰ লাখ লাখ মানুহে ভাত খাবলৈ নাপায় । এই গৰিব মানুহৰ লৰা-ছোৱালী বিলাকে

* Speech not corrected

যাতে স্কুলত গৈ প্ৰাথমিক শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণে যাতে অভিভাবক সকলৰ কোনো কষ্ট নহয় তাৰ কাৰণে গৰিব মানুহৰ লৰা-ছোৱালী বিলাকক মাহে ৫০ টকাকৈ এডুকেচন এলাৱেন্স দিব লাগে। তাতকৈ কম বেচি দিলেও হব। এইটো কৰিব পাৰিলেহে যথাৰ্থতে আমাৰ মানুহৰ প্ৰাথমিক শিক্ষা লাভ হব। এইটো যদি কৰিব নোৱাৰে তেনেহলে আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত যি ব্যৱস্থা চলি আছিল সেই ব্যৱস্থাই চলি থাকিব। প্ৰাথমিক শিক্ষাৰ কাৰণে ভাল ভাল ঘৰ দিব নোৱাৰে নালাগে মাত্ৰ শিক্ষক দিব লাগে। শিক্ষকৰ ক্ষেত্ৰতো কোনো নতুন মানুহ নিদিলেও নালাগে। কিন্তু আমাৰ যি বিলাক বেকাৰ আছে সেই বেকাৰ বিলাকক মাহে ১০০ টকাকৈ বেকাৰ ভাট্টা দি আমাৰ এই লৰা-ছোৱালী বিলাকক পঢ়োৱা কামত লগাই দিয়ক। ঘৰ নাই নালাগে, গছৰ তলতেই হওক বা বাঁহৰ তলতেই হওক বা পাৰিলে ওপৰত চালি এখন দিয়েই হওক এই প্ৰাথমিক শিক্ষা বাৰ ফটিঙত চলাবলৈ মই নতুন চৰকাৰক অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, সময় বৰ কম, বহু আৱশ্যকীয় কথাই কব লগা আছিল। এটা কথা নতুন চৰকাৰক অনুৰোধ জনাইছো যে অলপতে আমাৰ ইয়াৰ পৰা মাননীয় বিত্তমন্ত্ৰীয়ে অহা তিনি মাহৰ কাৰণে টকা বিচাৰিছে। নতুন চৰকাৰে ৰাইজৰ পৰা লোৱা এইটোৱেই প্ৰথম টকা। যোৱা ৩১ বছৰে বিভিন্ন বিভাগ পচি গৈছে। গেলা লাগি যাতে নতুন চৰকাৰৰ হাত লেতেৰা নহয়, শাসন বিসঙ্গতিপূৰ্ণ নহয় তাৰ বাবে অনুৰোধ জনাইছো। ভৱিষ্যতৰ গাইড লাইনৰ বাবে প্ৰতি বিভাগৰ কাৰণে সৰু সৰু ৰিভিউ কমিটি কৰা উচিত। এই ৰিভিউ কমিটিয়ে অতীতৰ ভুল ক্ৰুটি জনাই থৈ ভৱিষ্যতৰ পথ নিৰ্দ্দেশ দিব। প্ৰত্যেক বিভাগৰ কাৰণে একোটা ৰিভিউ কমিটিৰ পৰামৰ্শ দি এই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিলো।

শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাব আনিছে তাক সমৰ্থন কৰিছোঁ। সমৰ্থন কৰাৰ লগে লগে কেইটামান কথা সদনৰ আগত দাঙি ধৰিব খুজিছো। পোন প্ৰথমে কথা হল শিক্ষা বিভাগৰ। প্ৰাথমিক স্কুল আৰু হাইস্কুল যেতিয়া চৰকাৰীকৰণ কৰিলে তেতিয়া আমি বিৰোধী আছিলো। তাৰ কাৰণ বুজিছিলো ৰাজনৈতিক চক্ৰান্ত। কাৰণ সকলোৱে জানে প্ৰাথমিক স্কুলৰ শিক্ষক আৰু হাইস্কুলৰ শিক্ষক সকলে অসমৰ গাৱে-ভুঞে ৰাজনীতি আৰু সমাজনীতিত যথেষ্ট সক্ৰিয় অংশ গ্ৰহণ কৰে। এই অংশ গ্ৰহণ কৰাৰ পৰা তেওঁলোকক লৈ যোৱাত অসমৰ ৰাজনীতি আৰু সমাজনীতিৰ ক্ষেত্ৰত এটা ভেকুৱামৰ সৃষ্টি হৈছে। এই অৱস্থাত কিছু কাম কৰিব লাগে বুলি আশা ৰাখিছো। পোন প্ৰথম কথা হল শিক্ষক সকলৰ চাৰ্ভিচ ৰুল যেতিয়া আহিব তাত চিভিক আৰু পলিটিকেল ৰাইট ৰাখিব লাগে। চিভিক আৰু পলিটিকেল ৰাইট ৰাখিব লাগে বুলি ৰাধাকৃষ্ণ ৰিপোৰ্টত আছে আৰু কোঠাৰিৰ ৰিপোৰ্টত তাক দিয়া হৈছে। চাৰ্ভিচ ৰুল অলপতে আহিব আৰু চৰকাৰে কৰিব; তাত যাতে চিভিক আৰু পলিটিকেল ৰাইটৰ প্ৰভিজন ৰখা হয়। ৰাখিলে অসমৰ সমাজনীতি আৰু ৰাজনীতি উন্নতিৰ পথত আগবাঢ়িব। দ্বিতীয়তে, প্ৰশাসনীয় সংস্কাৰৰ বিষয়ে কোৱা হৈছে। তাত এনে কিছুমান কথা আছে যি বিলাক আমি যদিও সমৰ্থন কৰিছো তথাপিতো চৰকাৰৰ দৃষ্টি গোচৰ কৰিবলৈ বাধ্য হৈছো। সংবিধানৰ যি ৩১১ (২) আৰ্টিকেলৰ প্ৰভিচ (বি)ত বৰ্খাস্তকৰণ আৰু পদচ্যুত কৰা নাইবা পদবীৰ পৰা আতৰ কৰা ক্ষেত্ৰত যি এখন পৰ্য্যালোচনা ৰিপোৰ্ট কমিটি গঠণ কৰিছে সি বে-আইনী আৰু সংবিধান বিৰোধী। সংবিধানত এনে কোনো প্ৰভিজন নাই যে চৰকাৰী চাকৰিয়ালক দিচমিচ কৰি তেওঁৰ ডিচমিচেল ৰিভিউ কৰিব পাৰি। বিশেষকৈ পৰ্য্যালোচনা কমিটি বে-আইনী কায়দাত হৈছে। সৰহ সংখ্যক চৰকাৰী অফিচাৰৰ দিচমিচেল কেবিনেট দিচিচন কৰি দিছে। কেবিনেটৰ তলত কাম কৰা পৰ্য্যালোচনা কমিটিক ৰিভিউ কৰিবলৈ দিয়াটো

কিমান সমীচিন হৈছে বুলি জ পোৱা নাই। কাৰণ এইটো একেবাৰে দেখদেখকৈ বে-আইনী আৰু আন পিনে দেখিবলৈ বেয়া। মিনিষ্টাৰ এজনৰ অৰ্ডাৰ, কেবিনেণ্ট দিচামচেল কৰা অফিচাৰক ৰিভিউ কৰিব তেওঁৰ তলত কাম কৰা অফিচাৰে। অসম চৰকাৰে কেনেকৈ কৰিছে বুলিজবলৈ টান পাইছো। এই ক্ষেত্ৰত মোৰ পৰামৰ্শ হল যি বিলাক দিচমিচেল কেচ হাইকোৰ্ট বা অন্য ঠাইত আছে সেই বিলাক কেচৰ ভাল বেয়াৰ কথা কবলৈ যোৱা নাই বা কোন ভাল বেয়া কৰাপচনত আছে নে নাই আলোচনা কৰিবলৈ যোৱা পদ্ধতি কৰিছে। সেই পদ্ধতিটো ভুল। মই পৰামৰ্শ আগবঢ়াইছো যদি পৰা হয় তেতিয়াহলে এই অফিচাৰ সকলৰ দিচমিচেল অৰ্ডাৰ উইড্ৰ কৰি তেওঁলোকক কাম দি চৰকাৰে লগে লগে তেওঁলোকৰ যি সকলৰ বিৰোদ্ধে কোনো দোষ আছে, চাৰ্জ আছে সেই বিলাক যাতে ষ্পেচিয়েল বিভাগত অনুসন্ধান হয়। সেইটো অনুসন্ধান কৰিব লাগে। কংগ্ৰেছ চৰকাৰে সেই বে-আইনী কাম কৰিছে। জনতা হিচাবে বাহিৰত থাকোতে পদ্ধতিটোৰ বিৰোধীতা কৰিছো। সেই বিৰোধীতা কৰা পদ্ধতিটো আমি ইমাৰজেন্সী ক্লজ বুলি ধৰি লৈ সেই খিনি কাম কৰাৰ সিদ্ধান্তত আহিব পৰা যায়নেকি তাৰ পৰামৰ্শ আগবঢ়াইছো। আমাৰ সকলোৰে মনত আছে চৰকাৰী চাকৰিয়াল দুনীতি পৰায়ণ হলে তেঁওক শাস্তি দিব লাগে। সেইটো আমি মানি লওঁ। কিন্তু বে-আইনী ভাবে কাকো শাস্তি দিয়াটো মানি নলওঁ। চৰকাৰী চাকৰিয়াল সকলৰ ক্ষেত্ৰত পানিচমেণ্ট আছে। চৰকাৰী চাকৰিয়ালৰ ক্ষেত্ৰত দিচমিচেল, পদচ্যুত, বা ৰিম'ভেল আদি শাস্তি আছে। কি কাৰণত দিচমিচেল কৰিছে, আইন মতে দিচমিচেল হৈছে নে নাই এই ক্ষেত্ৰত চিন্তা কৰি সোনকালে সিদ্ধান্ত লোৱা ভাল হব বুলি ভাবো। দিচমিচেল কৰাৰ পিচত উকীল হিচাবে কোটত দেখিছো-সৰহ সংখ্যক মানুহক আকৌ চাকৰি দিব লাগিব। এই মানুহ বিলাকক কাম নকৰাকৈ টকা দিব লাগিব। সোনকালে ইয়াৰ এটা ব্যৱস্থা লব বুলি বিশ্বাস ৰাখিছো। এইটো মানে নহয় যে চৰকাৰে যি ব্যৱস্থা ৰাজ্যপালৰ ভাষণত দিছে সি বেয়া। কিন্তু কথা হল আগৰ চৰকাৰৰ যি কাম হৈছিল আমাৰ চৰকাৰে সেইবোৰৰ বিবেচনা বেলেগে কৰি চাব বুলি বিশ্বাস হৈছে। এই বিষয়ত কেচত সোমাব লাগিব এই কথা সকলোৱে জানে। আন এটা বস্তু হল মুখ্যমন্ত্ৰীৰ ভিজিলেন্স চেল। এই ভিজিলেন্স চেলৰ কথা আমি জেলৰ ভিতৰত থাকোতে শুনিছিলো। ভিজিলেন্স চেলৰ অফিচাৰ জন তলত কাম কৰা মানুহ, তেওঁক এচ, পি কৰা হৈছে। আমি ৰেকৰ্ডৰ পৰা দেখিছো এই অফিচাৰ জনে ওপৰৰ অফিচাৰৰ ৰেকৰ্ড চাব পাৰে আৰু তেওঁৰ অৰ্ডাৰে ওপৰৰ অফিচাৰৰ চাকৰি খাব পাৰে। আকৌ শুনা গৈছিল তেওঁৰ অৰ্ডাৰ আগৰ মুখ্যমন্ত্ৰীয়ে সদায় মানি লয়। এনে ধৰণৰ পৰিস্থিতি যদি থাকে তেন্তে নিষ্ঠাৰে, সত সাহসেৰে কোনোৱে কাম কৰিব নোৱাৰিব। এই ভিজিলেন্স চেলৰ কোনো প্ৰয়োজন নাই। চৰকাৰৰ হাতত সংবিধানৰ প্ৰভিজন আছে, ক্ৰিমিনেল প্ৰভিজন আছে বেয়া কাম কৰা জনক শাস্তি বিহিব পাৰে। প্ৰশাসনীয় সংস্কাৰৰ প্ৰধান প্ৰথম কাম হল এই চেলটো নাইকিয়া কৰা।

এতেকে এনে এটা নাভূত-নাশুত বস্তু আমাৰ মাজত থাকিব নালাগে। জনতা চৰকাৰক মই অনুৰোধ কৰোঁ যাতে এই চেলটো নাইকিয়া কৰে। মোৰ দৃঢ় বিশ্বাস জৰুৰীকালীন সময়চোৱাত যিবোৰ অনিয়মানুবৰ্ত্তিতা হল আৰু তাৰ হুবহু ৰিপৰ্টবোৰ যদি আমাৰ সদনত দিয়ে তেন্তে কিমানদূৰ নীতি বিগৰ্হিত কাম হৈছিল তাক বিচাৰ কৰাৰ কাৰণে শ্বাহ কমিচনৰ দৰকাৰ নহব। অসম চৰকাৰে ২০ মাহেনো কেনেকৈ ৰাজ্যৰ অনুশাসন চলাইছিল, সেই শাসন চৰকাৰে চলাইছিল নে কোনো অফিচাৰে চলাইছিল? সেই কাল চোৱাৰ ভিতৰত যি সকল কৰ্মচাৰীক নিলম্বিত কৰা হৈছিল সেই সকলো বিলাক ৩১১ প্ৰভিজনত সন্দৰ্ভতেই কৰা হৈছিল। এই সকলো বিলাকি ৰিপৰ্ট যদি ৰাইজে অলপ ভু-পাই তেনেহলে ৰাইজৰ চকুত এই কথা স্পষ্ট হৈ উঠিব যে অসম চৰকাৰণো কোনে চলাইছিল, কেনে ধৰণেৰে চলাইছিল আৰু কিবা নিয়মানুবৰ্ত্তিতা আছে নে এই খিনিকে বিচাৰি উলিয়াবলৈ আমাৰ ইয়াত বেলেগে শ্বাহ কমিচনৰ দৰকাৰ নাই।

আৰু এটা কালি আমাৰ কৃষ্ণ বৰা ডাঙৰীয়াই কৈছে যে চৰকাৰিৰ পইচা কোনো ক্ষেত্ৰতে কোনো পাৰ্টিৰ কামত একেলগ হব নোৱাৰে। সেইটো এটা নীতিগত কথা। যোৱা কেইবছৰে কংগ্ৰেছ চৰকাৰে চাৰ্কাৰি টকা-পইচা কেনেকৈ পাৰ্টিৰ কামত খৰচ কৰিছিল তাৰ এটা জলন্ত প্ৰমাণ ১৯৭৬ চনত বহা এই, আই, চি, চি, মিটিঙত খৰচ কৰা টকাৰ পৰা ওলাই পৰিব। অৱশ্যে মই কওঁ যে এই বিষয়টোৰ এটা উপযুক্ত বিচাৰ হব লাগে। আমি কাৰো ওপৰত প্ৰতিহিংসা লবলৈ এই বিচাৰটোৰ আৱশ্যক বুলি কোৱা নাই। এনে এটা দৃষ্টান্ত আগত পৰি থাকিলে বৰ্ত্তমান আমাৰ জনতা চৰকাৰ নাইবা যিকোনো চৰকাৰে এনে ধৰণৰ চৰকাৰি টকা পাৰ্টিৰ কামত খৰচ কৰি দুৰ্নীতি। পৰায়ণ হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। গতিকে ইয়াৰ কাৰণে এটা বিশেষ তদন্ত কমিটি সোনকালে কৰিব লাগে। এইটো এটা মোৰ আৱশ্যকীয় পৰামৰ্শ।

ইয়াত মাত্ৰ এটা ৰেফাৰেন্সেই থাকিব। এই ৰেফাৰেন্সটোৰ মূলত অন্য একো কথা নাই। মোৰ কথাৰ মই পুণৰা বৃত্তি কৰিছো যে এই কমিটিটো গঠণ কৰিবলৈ কোৱাৰ উদ্দেশ্য কাৰো প্ৰতি প্ৰতিহিংসামূলক ব্যৱস্থা লোৱা নহয়। ইয়াৰ উদ্দেশ্য হল আমাৰ চৰকাৰে যাতে তেনে নীতি বিগৰ্হিত কথাৰ পৰা বিৰত থাকি যাতে ভালকৈ চলিব পাৰে। গতিকে এই তদন্ত কমিটিটো সোনকালে পাতিব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ—মহোদয়, তেখেতে এই সম্পৰ্কে এটা তদন্ত কমিটিৰ কথা কৈছে নে কমিশ্যনৰ কথা কৈছে?

Shri Kiron Chandra Bezbarua :—Yes, Hihg Power Enquiry Commission, so that confidence among the people can be retained. The officers wil have to appear before this Commission.

অসমত বিশেষকৈ এই দিশপুৰৰ ওচৰে পাজৰে এনেকুৱা বহুতো মাটি আছে যত আজি ২০ - ৩০ বছৰে মানুহে সেই মাটি দখল কৰি বসবাস কৰি আছে, আনকি বহুতে তৌজীবাহি খাজানাও দি আছে, কিন্তু আজিলৈকে সেই মাটিৰ কোনো বন্দৱস্ত হোৱা নাই। বৰ্ত্তমান এইটো আমাৰ নীতিগত কথা যে এই মানুহবোৰক সেই মাটিত বন্দৱস্তী দিব লাগে। গতিকে মই অনুৰোধ কৰোঁ যাতে চৰকাৰে এই লোক সকলৰ এটা সুব্যৱস্থা কৰে। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কথা কোৱা হৈছে। সেই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আমাৰ উন্নয়ণৰ কামত বিৰোধীতা কৰা প্ৰশ্ন বৰ্তমান নাই বুলিয়েই মোৰ দৃঢ় বিশ্বাস। বৰ্তমানে ব্ৰহ্মপুত্ৰ আৰু গঙ্গাক সংলগ্ন কৰি কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ আচনি এটা লোৱাৰ কথা উঠিছে। কিয়নো ব্ৰহ্মপুত্ৰ এখন ইন্টাৰ ষ্টেট নৈ সেই কাৰণে এটা নতুন কমিচন গঠণ কৰাৰ আচনিৰ বিষয়ে ইতিপূৰ্ব্বে কেন্দ্ৰীয় চৰকাৰে বাংলা দেশৰ লগত আলাপ আলোচনা কৰি আছে। এই খিনিতে মই এটা বৰ দৰকাৰী কথা উনিকিয়াওঁ। আমাৰ ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণৰ এটা বিভাগ আগতেই খোলা হৈছিল আৰু সেই বিভাগত আমাৰ বহুতো ইঞ্জিনিয়াৰকে প্ৰমুখ্য কৰি বহুতো লোক নিয়োগ কৰা হৈছে। যেতিয়া নতুন কমিচন হব তেতিয়া আমাৰ চৰকাৰে চাব লাগিব যাতে এই লোক সকলক নতুন কমিচনত এবজৰ্ব কৰিব পৰা হয়। সেইটো নহলে এই লোক সকলক নিয়োগ কৰাৰ ক্ষেত্ৰত এটা নতুন সমস্যাই দেখা দিব।

মোৰ বোধেৰে ইণ্ডাষ্ট্ৰি বিভাগটো ইণ্ডাষ্ট্ৰি বিভাগ বুলি অভিহিত নকৰি পাৰ্মিট বিভাগ বুলিহেনাম দিব লাগে। বৰ্তমান নামাকৰণ হিচাবে এই বিভাগৰ পৰা বিশেষ কোনো কামেই হোৱা নাই। বিগত চৰকাৰে অসমত যি বিলাক উদ্যোগ খুলিলে আজিলৈকে সেই সকলো বিলাক উদ্যোগৰ পৰা কেৱল লোকচানেই দেখুওৱা হৈছে। উদাহৰণত মই এচাচিয়েটেড ইণ্ডাষ্ট্ৰিৰ কথাকেই কৈছো। কিছু দিন আগতে এই উদ্যোগটো কেৱল কাগজে কলমে আছিল। এতিয়াও প্ৰতি বছৰে লোকচানেই দেখুৱাইছে। কংগ্ৰেছ চৰকাৰে

যি বিলাক ইণ্ডাষ্ট্রি আজিলৈকে চলাইছে সেই বিলাক কেৱল কাগজে কলমে আছে। ৰাজ্যত কোনে প্ৰকৃত কাম হোৱা নাই বুলিলে বঢ়াই কোৱা নহয়। মই এই বাইচাইকেল ফেক্টৰীৰ কথাকেই কৈছো। সেই ফেক্টৰীত কৰ্ম্মচাৰী সকলক চৰকাৰৰ পৰা কেৱল দৰ্ম্মহাই দি আছে। আজিলৈকে সেই ফেক্টৰীয়ে এখন বাইচাইকেলো উলিয়াব পৰা নাই। কোৱা হৈছে যে কেইটামান আহুকালৰ কাৰণে অসমত ইণ্ডাষ্ট্ৰি বিষয়ত কৃতকাৰ্য্য হব পৰা নাই। "Inspite of its varied natural endowments, Assam still continue to be industrially backward for a variety of reasons, the chief ones being its geographical isolation from the rest of the country, poor and undependable communications, lack of adequate infrastructure, lack of entrepreneurial, technical and managerial talentes, poor capital formation and poor purchasing power in the hands of the people. The State Government would take up with the Government of India the question of the need for adopting a special strategy for industrial development of the State. The Government of India would also be approached to intensify their capital investment in the State. The need for declaring the entire state as industrially backward as also for extending the Rural Industries Projects Scheme to the entire State will be emphasised."

মহোদয়, এই সকলো বিলাক কথা মিচা কথা। ইণ্ডাষ্ট্ৰিত এই এটা অবচট্ৰাকটিভ পলিচি হৈছে।

শ্ৰীগোলোক ৰাজবংশী: অধ্যক্ষ মহোদয়, মিছা শব্দটো অপ্ৰাসঙ্গিক — আনপাৰ্লিয়ামেণ্টৰী।

শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা: এই শব্দটো কিয় আনপাৰ্লিয়ামেণ্টৰী মই কব নোৱাৰো। তেতিয়াহলে সদনত কোৱা বহু কথাই আনপাৰ্লিয়ামেণ্টৰী হব। আমাৰ গাৱলীয়া ভাষাত মিছাটোক মিছা বুলিয়েই কয়।

মাননীয় অধ্যক্ষ: আপুনি অসত্য বুলি কব।

শ্ৰীকিৰণ চন্দ্ৰ বেজবৰুৱা:—এটা কোম্পানী যোৰহাটত ৰেজিষ্টাৰ কৰা হ'ল। তাত যিটো বস্তু উৎপাদন হব সেইটো পৃথিবীত নোলোৱা বস্তু। শিল্পটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা দিব। যেতিয়া কাকত-পত্ৰবোৰ ৰেভিনিউ বিভাগলৈ পঠোৱা হ'ল তেতিয়া ৰাজহ সচিব আৰু শিল্প সচিবে গোট খাই কলে যে তাত দুজন মানুহ জৰিত আছে আৰু সেই দুজন মানুহ থাকিলে চৰকাৰৰ ফালৰ পৰা কোনো সহায় কৰিব পৰা নহব। মুখ্যমন্ত্ৰী, মুখ্য সচিব আৰু সঞ্চালকে গোট খাই অনুমতি দিয়াৰ পিচতো এই দুজন মানুহ থকাৰ কাৰণে মাটি নিদিও বুলি কলে।

(ভইচেচ:—শিল্পটোনো কি আৰু মানুহ দুজনৰ নাম কি কৈ দিলে ভাল হয়।)

সেইটো আজিয়ে কব নোৱাৰি পিচত সকলোৱে জানিব। আন এটা কথা উদ্যোগৰ বিষয়ে কওঁ যে আমাৰ ইয়াত শিল্প গঢ়ি তোলাৰ কাৰণে পৰিবেশ আছে কিন্তু নাই অনুপ্ৰেৰণা। আমাৰ অসমত কি শিল্প গঢ়ি তুলিব পাৰি সেই বিষয়ে অসমীয়া লৰাক বুজাব লাগিব। এই প্ৰসঙ্গত এটা কথা উল্লেখ কৰো যে এন, ই, চি, য়ে উদ্যোগ বিষয়ে চিলংত বৈঠক পাতিছিল। তাত অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰীও উপস্থিত আছিল। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিয়ে আমাৰ মুখ্যমন্ত্ৰীক সুধিছিল অসমৰ কাৰণে কি কি শিল্প লাগে। তেতিয়া মুখ্যমন্ত্ৰীয়ে কৈছিল যে অসমত কয়লা,

পেট্ৰোল আৰু অন্যান্য খনিজ পদাৰ্থ আছে। তাৰ ভিত্তিত আমাক শিল্প লাগে। তেতিয়া তেওঁলোকে কলে সেইবিলাক কথা আমি জানো আৰু সেইটো আমি সোধাও নাই। আপুনি কওঁক ক, খ, গ, আদি কৰি একাদিক্ৰমে কি কি শিল্প লাগে। তাৰ উত্তৰত মুখ্যমন্ত্ৰী নিমাত। ইয়াৰ পৰাই বুজা গৈছে যে আমাৰ শিল্প বিভাগৰ কোনো আঁচনি নাই। এইটো এটা সদায় থকা বিভাগ চৰকাৰ সলনি হলে বিভাগটো ঠিকেই থাকে। গতিকে ইয়াৰ কিছুমান শিল্প আঁচনি সদায়েই থাকিব লাগে।

মই এ, আই, ডি, চি, ৰ যিকেইজন মেম্বাৰ তাৰ কেইজন মানক জানো। তেওঁলোকে কেৱল নিজৰ কামহে কৰিব জানে। অসমৰ শিল্পৰ বিষয়ে তেওঁলোকে কেতিয়াও চিন্তা কৰা নাই। মোৰ বিশ্বাস বৰ্তমান যিজন মন্ত্ৰী হৈছে তেখেতে এই বিষয়ে ভালকৈ পৰীক্ষা কৰিব চাব। চেণ্ট্ৰেল কো-অপাৰেটিভ বেংক আৰু এপেক্স বেংক দুটা চামিল কৰণ কৰাৰ কথাটোৰ মই বিৰোধীতা কৰো। এই চেণ্ট্ৰেল বেংকৰ যি কেইটা শাখা আছে তাৰ দুটা মানে ভাল কাম কৰিছে বাকী ৫ টা শাখায়ো ভাল কাম কৰিবলৈ সুবিধা আছে। ৬০০ কৰ্মচাৰী নিয়োগ হৈ আছে। এই দুইটা বেংকে চামিলকৰণ হলে সেই ৬০৩ মানুহৰ আটাইবিলাকক সামৰি লব নোৱাৰিবও পাৰে। সেইকাৰণে মই সমবায় মন্ত্ৰীক অনুৰোধ কৰো যাতে এই বেংক দুটা চামিলকৰণ নকৰে।

আমাৰ চৰকাৰে লোকেল একাউণ্টচ বিভাগটোক বৰ অৱহেলা কৰি আছে। এইটো এটা বৰ দৰকাৰী বিভাগ। সমবায়ৰ দৰে ইয়াৰো অডিট শাখা আছে। এই বিভাগটো স্বতন্ত্ৰ বিভাগ। এই বিভাগটোক ডাঙৰ আৰু শক্তিশালী কৰিব লাগে যাতে চৰকাৰী সকলো টকা-পইচাৰ হিচাব পৰীক্ষা কৰিব পাৰে। মৰাপাট কল আৰু চেনী কলৰ যি বেমেজালি ৰাইজৰ চকুত পৰিছে লোকেল একাউণ্টচ বিভাগে অডিট কৰাহেতেন এনেবোৰ খেলি মেলি হবলৈ নাপালেহেতেন। সেইকাৰণে এই লোকেল একাউণ্টচ বিভাগটো ভাল কৰিব লাগে যাতে চৰকাৰৰ সকলো বিভাগৰে হিচাব পৰীক্ষা কৰিব পাৰে।

স্বাস্থ্য বিভাগৰ বিষয়ে কবলৈ যাওঁতে কওঁ যে আজাৰাত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে আৰু তাত এগৰাকী নাৰ্চ আছে। তাৰ পৰা প্ৰায় ৩ মাইল দুৰৰ ধাৰাপুৰত আৰু এটা চেণ্টাৰ খুলিছে। আৰু এই নাৰ্চগৰাকীয়ে তালৈ অহা যোৱা কৰে। তাত কেৱল ঘৰটোহে আছে, ঔষধ পাতি একোৱে নাই। নাৰ্চ গৰাকী তালৈ গলে সকলোৰে ধেমালি কৰে। ঠাট্টা কৰে। এইটো আমাৰ পূৰ্বৰ চৰকাৰৰ দিনৰ কথা। (সময়ৰ সংকেত) আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে যে সকলো বিলাক আপিল ৰেভিনিউ বোৰ্ডক দিব। মই ভাবো চৰকাৰৰ এই নীতি ভাল হৈছে। আগৰ চৰকাৰে কি বিজুটি কৰিছিল সেইটো সকলোৱে জানে। এই বোৰ্ডখনত স্থায়ী সদস্য থাকিব লাগে আৰু তেওঁলোকক মাহিলী বেতন দিব লাগে। ইয়াত কিন্তু আই, এ, এচ, বিষয়াক স্থান দিব নালাগে। লগতে আপিল বিলাক যাতে ভালকৈ শুনানী হয় তাৰো ব্যৱস্থা কৰিব লাগে। আয়কৰ আপিল বোৰ্ডৰ মানুহৰ নিচিনা সুদক্ষ মানুহ ৰেভিনিউ বোৰ্ডতো ৰাখিব লাগে।

ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ ভিক্ষাৰ জোলোঙা লৈ যোৱাৰ নিয়ম একসময়ত আছিল যদিও এতিয়া নাই। অৱশ্যে প্ৰাশাসনীয় ক্ষেত্ৰত কেতিয়াবা যাবলগীয়াও হব পাৰে। আমাৰ প্ৰশাসনীয় ব্যৱস্থাটো ৰাজ্য চৰকাৰৰ পৰ্য্যায়ৰ পৰা জিলা পৰ্য্যায়লৈ আৰু জিলা পৰ্য্যায়ৰ পৰা গাওঁলৈ সম্প্ৰসাৰিত কৰাৰ ব্যৱস্থা কৰা হৈছে যদিও বিধান মণ্ডলৰ হাততেই সকলো ক্ষমতা আছে। গতিকে পঞ্চায়তৰ চাৰিখলীয়া ব্যৱস্থা কৰিলে মোৰ ব্যক্তিগত সমৰ্থন আছে। কিন্তু ৰাজ্য চৰকাৰে কেন্দ্ৰক খোজা কথাটোত মোৰ সমৰ্থন নাই।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ৰবা ডাঙৰীয়াই কালি কৈছিল যে মিনিষ্টাৰ সকলৰ অহা যোৱা চাল-চলনৰ এটা নিয়ম থকা দৰকাৰ। মই নিজে ভাবো যে আমাৰ এম-এল-এ সকলৰো চলা ফিৰাৰ কিছুমান ক'ড অব কনডাক্ট তৈয়াৰ কৰা হব লাগে। মই ভাবো আটাইকেইটা দলৰ নেতা সকলে লগ লাগি—এইটো কৰিব লাগে। মেম্বাৰ অব লেজিচলেটিভ এচেম্বলি হোৱাৰ পৰিবৰ্ত্তে মেম্বাৰ অব এডমিনিষ্ট্ৰেচন হোৱাতো নিশ্চয় লাজ লগা কথা। আচল উদ্দেশ্য বাদ দি অফিচে অফিচে অফিচাৰক দিগদাৰী দি দহ পোন্ধৰ দিন ধৰি লাগি থাকি কাম আদায় কৰাটো অসহ্যকৰ কথা। ইয়াৰ পিচলৈ মই এম-এল-এ থাকিবও পাৰো নাথাকিবও পাৰো; কিন্তু এম-এল-এ সকলৰ পিচলৈ এটা নিয়ম নীতি থাকিলে সেই সকলে অসুবিধাৰ পৰা হাত সাৰিব পাৰিব। এজন বন্ধুৱে নিজৰ সমষ্টিৰ কাৰণে অফিচে অফিচে ঘূৰি কাম কৰিব নোৱাৰে কাৰণেই হাৰি গ'ল। এই নিয়ম থাকিলে ঘূৰি ফুৰাৰ পৰা আঁতৰি থাকিব। এইটো কৰিব পাৰিলে মিনিষ্টাৰ সকলৰ ক'ড অব কনডাক্ট আপোনা আপুনিয়েই আহি পৰিব। এডমিনিষ্ট্ৰেচনো ভালকৈ চলিব। অফিচাৰ সকলেও অসুবিধা নাপায়। আমাৰ ইয়ালৈ অহাৰ উদ্দেশ্যও আমি ভালকৈ পালন কৰিব পাৰিম। অফিচত গৈ হাচিল কৰাৰ সলনি যদি আমি কি ঠাইত অসুবিধা হয় বা কোন অফিচত কাম নহয় সেই বিলাক কথা বিধান সভাত উত্থাপন কৰি আলোচনা কৰিবলৈ পাওঁ নিশ্চয় কাম হব আৰু আমাৰ উদ্দেশ্যৰ পৰাও আঁতৰি যোৱা নহব। তেতিয়াহলে মই ভাবো আমাৰ এম-এল-এ সকলেও পাঁচবছৰীয়া এই কাল ডোখৰ মান সন্মান বজাই ৰাখি কাৰ্য্যনিৰ্ব্বাহ কৰি যাব পাৰিব।

## MISCELLANEOUS

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি সদনক জনাব খুজিছো যে এভাৰেষ্ট চাইকেল কোম্পানীৰ কৰ্ম্মীসকলে আজি ধৰ্ণা দিছে। এই সংক্ৰান্তত আগতে শ্ৰীগৌৰী-শংকৰ ভট্টাচাৰ্য্য আৰু শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই সেই সকলৰ মন্ত্ৰী সভাৰ লগত আলো-চনাও কৰিছিল এই বিষয়টো কি হৈছে এই বিষয়ে উদ্যোগ মন্ত্ৰীৰ পৰা জানিব বিচা-ৰিছো।

Shri JAGANNATH SINHA (Minister) :—Mr. Speaker, sir, I hav got no information that "dhorna" is going on but this is a fact that for the last 2 years the workers are being paid without any work and not a single cycle has been produced as yet. Sir, this is very unproductive expenditure. However, sir, we are taking steps to see that this industry can be made viable so that it can function. So far as the payments to the workers are concerned, this matter is receiving our serious consideration.

## DEBATE ON THE GOVERNOR'S ADDRESS

শ্ৰীবিষ্ণুলাল উপাধ্যায় :—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰা হৈছে তাৰ ওপৰত আমাৰ দলৰ পক্ষৰ পৰা অনা সংশো-ধনী প্ৰস্তাবিত সমৰ্থন জনাই কেইষাৰি মান কথা কবলৈ মই থিয় হৈছো। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত বহু সমস্যাই উল্লেখ কৰিছে আৰু সেই সমস্যা সমূহৰ দূৰীকৰণৰ কাৰণে চৰকাৰে কি নীতি অৱলম্বন কৰিছে তাৰ কিছু ব্যাখ্যা দিছে। কিন্তু সৰ্ব্বসাধাৰণ ৰাইজৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত কেইটামান কথাৰ উল্লেখ দেখিবলৈ নাপাই আমি দুখ পাইছো। এই কথা বিলাক দূৰ কৰিবলৈ জনতা চৰকাৰে কি ভূমিকা লৈছে সেই কথা আমি জানিবলৈ পোৱা নাই। বিশেষকৈ ভূমিনীতি সম্পৰ্কত ভাষণত কোনো স্পষ্ট ইঙ্গিত পোৱা নাই। পূৰ্ব্বৰ কংগ্ৰেছ চৰকাৰে যোৱা একত্ৰিশ বছৰ ধৰি মাটিহীন কৃষকক সমস্যা সমাধানৰ কাৰণে জমিদাৰী প্ৰথা বিলোপ কৰিলে বহুত

গ্ৰেজিং পথাৰ খুলি দিছে, মঠ-মন্দিৰ দেৱালয়ৰ মাটি অধিগ্ৰহণ কৰিলে আৰু মাটিৰ সৰ্ব্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰি ভূমি সমস্যা সমাধানৰ কাৰণে যত্ন কৰিছিল। তথাপিতো এই সমস্যা সমাধান হোৱা নাই। প্ৰতি বছৰে বানপানী আৰু গড়াখহনীয়াই কৃষকৰ সমস্যা বঢ়াই তুলিছে। গতিকে এই চৰকাৰেনো কি উপায়েৰে এই জটিল সমস্যা সমাধান কৰিব খুজিছে আমি তাক জানিবলৈ আশা কৰিছো। বিশেষকৈ ভূমিহীন সকলক ভূমি দিবৰ কাৰণে ভূমিনীতিত সৰ্ব্বোচ্চ পৰিমাণ ধাৰ্য্য কৰি দি উদ্বৃত্ত মাটি মাটিহীন উপান্ত খেতিয়কক দিয়া হৈছিল। বহু ঠাইতে কেৱল চাৰ্টিফিকেটহে দিয়া হৈছিল। ভূমিহীনৰ নামত বণ্টন কৰিলেই মাটি নাপায়। এতিয়া মাটিৰ গৰাকীয়ে আকৌ সেই মাটি নিজৰ কৰি লোৱাৰ চেষ্টা কৰিবলৈ সুচল পাইছে। সেই কাৰণে বহুজন দ্বিতীয় বহুজন সুখায়ায় এই উদ্দেশ্যলৈ কাম কৰিবলৈ যাওঁতে দুই চাৰিজন লোকৰ অসুবিধা হোৱা কথা এৰি পেলাব লাগিব। তেওঁলোকৰ স্বাৰ্থ হানি হোৱাতো একো আচৰিত কথা নহয়। বৰ্ত্তমান চৰকাৰৰ দিনত উপান্ত খেতিয়ক সকলে মাটি পোৱাৰ আশা কৰিছে।

অধ্যক্ষ মহোদয়, আমাৰ দেশৰ অৰ্থনীতি ঘাইকৈ কৃষি ভিত্তিক অৰ্থনীতি। সেই কাৰণে কৃষিৰ উন্নতি কৰিবলৈ আগবাঢ়িব নোৱাৰিলে আমাৰ দেশৰ অৰ্থনীতিৰ সামগ্ৰিক উন্নতি আশা কৰিব নোৱাৰি। কৃষক সকলক আধুনিক পদ্ধতিৰে খেতি কৰিবলৈ প্ৰশিক্ষণ দি উন্নত বীজ বিতৰণৰ দ্বাৰা সাৰ বা কীটনাশক ঔষধ আদি প্ৰয়োগ কৰি থাকিব পাৰিলেই কৃষিত ঈপ্সিতফল আশা কৰিব নোৱাৰি। উপযুক্ত খেতিৰ কাৰণে সময় মতে পানী যোগান ধৰা নিতান্ত অপৰিহাৰ্য্য কথা। জলসিঞ্চন ব্যৱস্থা ঠিকমতে প্ৰয়োগ কৰিব পাৰিলে একে ডোখৰ মাটিতে ঈপ্সিত খেতি দুই তিনিটাকৈ কৰিব পাৰি। তাৰ কাৰণে বাৰিষা আৰু খৰালি দুয়ো কালতে পানী যোগান সুচল ব্যৱস্থা থাকিব লাগিব। পানী যোগানৰ সুচল থাকিলে ছয় বিঘা মাটিত তিনিবাৰ খেতি কৰিব পাৰিব আৰু তেতিয়া ওঠৰ বিঘাত খেতি কৰাৰ নিচিনা ফচল পাব পাৰিব। ইয়াৰ দ্বাৰা কৃষকৰ অৰ্থ-নৈতিক সমস্যা বহু পৰিমাণে সমাধান হব। জলসিঞ্চন ব্যৱস্থাত জোৰ দিব পাৰিলে খেতিয়কে নিজৰ থকা মাটিখিনিতে যথেষ্ট শস্য উৎপাদন কৰিব পাৰিব। ইয়াৰ দ্বাৰা মাটিৰ সমস্যাও কিছু পৰিমাণে সমাধান হব। সেই বাবে এই বিষয়ত অধিক মনোযোগ দিয়া উচিত হব। কিয়নো কৃষক সকলে আন্দোলন কৰিব নোৱাৰে যদিও মজদুৰ সকলে আন্দোলন কৰি বোনাচ বৃদ্ধি কৰাই লয় কৰ্মচাৰী সকলে আন্দোলন কৰি লাভবান হয়।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত সমবায় সম্পৰ্কত কোনো কথা উল্লেখ পোৱা নাই। মাত্ৰ দুটা লাইন সমবায় সম্পৰ্কত লিখিছে যে ৰাজ্যখনত সমবায় গাঠনি শক্তিশালী কৰি জনসাধাৰণৰ প্ৰয়োজনৰ প্ৰতি যাতে অধিক মনোযোগ দিব পৰা যায় তাৰ খৰতকীয়া ব্যৱস্থা কৰিব। এই সম্পৰ্কে সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা চৰকাৰৰ দিনত আমাৰ অসমত ৬৬৪ খন গাঁওপঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি স্থাপন কৰা হৈছিল আৰু সেইবোৰ যাতে কাৰ্য্যকৰী হয় তাৰ কাৰণে কিছু টকাও অনুদান দিয়া হৈছিল। কিছুমান ঋণ আৰু সাহায্যও দিয়া হৈছিল। সেই সমবায় সমিতি বিলাকৰ যোগেদি নিত্য প্ৰয়োজনীয় বস্তু আদি যোগান ধৰা হৈছিল আৰু ধান সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ কাম কৰিছিল। কিন্তু এতিয়া কেন্দ্ৰীয় চৰকাৰৰ ফ্ৰি ফুড গ্ৰেইন মোভমেণ্ট ব্যৱস্থা লোৱাৰ বাবে ধান চাউলৰ মুক্ত ব্যৱস্থা হোৱা কাৰণে সমবায় বিলাকে বিশেষ একো কাম কৰিব নোৱাৰা হৈছে। প্ৰতিখন গাঁওৰ প্ৰতিজন লোকেই সমবায়ৰ অংশ কিনাৰ কাৰণে এঘাৰ টকাকৈ জমা দি সমবায়ৰ গ্ৰাহক ভৰ্ত্তি হৈছিল যদিও তাৰ লগে লগে আশা কৰিছিল কম দামত বস্তু সহজতে পোৱাৰ কিন্তু এতিয়া সেই সমবায় বিলাকৰ অৱস্থা দুখ লগা হৈছে। উচিত মূল্যত বস্তু যোগান ধৰা সমবায়ৰ বাহিৰেও কিছুমান মাৰ্কেটিং চোচাইটিও আছে। সেই

বিলাকো ভালকৈ চলিব পৰা নাই। ধান চাউলৰ মজুত ব্যৱসায়ে ধনী বেপাৰী সকলক ধান আদি সংগ্ৰহ কৰাৰ কাৰণে সুবিধা কৰি দিয়াৰ লগতে সমবায় বিলাকক তিষ্ঠিব নোৱাৰা অৱস্থাত পেলাইছে। আশা কৰিছো নতুন চৰকাৰে এই বিলাক বিষয়লৈ জোৰ দৃষ্টি দিব। কংগ্ৰেছী চৰকাৰৰ দিনত প্ৰতিষ্ঠা কৰা সমবায় সমিতি হলেও জনতা চৰকাৰে ইয়াক সকলো সুবিধা দিয়া উচিত।

(At this stage Hon'ble Speaker vacates the Chair and Premadhar Bora Chairman occupies the Chair.

চেয়াৰম্যান মহোদয়, আপুনি জানে এই বছৰৰ আগ ভাগত আমাৰ অসমৰ পৰা বহু হাজাৰ কুইণ্টল ধান বাহিৰলৈ গুচি যায়, এতিয়াই ধানৰ ভাৱ প্ৰতি কুইণ্টলত ১০০ টকাৰ ওপৰ হৈছেগৈ আৰু আমাৰ শাওন মাহ আহিবলৈকে আছে তেতিয়া মানে কিমান দাম বাঢ়িব সেই বিষয়ে ভাবিলে ভয়েই লাগে। সেই সময় চোৱালৈ চৰকাৰে কেনেকৈ ৰাইজক ধান চাউল যোগান দিব সেইটোহে ডাঙৰ কথা। যোৱা বছৰ এই সময়ৰ ভিতৰত এপেক্স মাৰ্কেটিঙে ৩০ লাখ কুইণ্টতকৈয়ো অধিক ধান সংগ্ৰহ কৰিছিল আৰু মজুত কৰি ৰাখিছিল কিন্তু এতিয়া দেখা গৈছে আমাৰ সকলো গুদাম ইতিমধ্যে খালি পৰি আছে। গৃহস্থী এঘৰত গুদামত যদি ধান মজুত নাথাকে তেতিয়া কেনেদৰে চলিব? ঠিক সেইদৰে আমাৰ ইয়াতে ধান মজুত নকৰি দিল্লীলৈ গৈ চাউলৰ ফৰমাচ দি অসমৰ এই ডেৰকোটি মানুহক কেনেকৈ খুৱাব? গতিকে এই বিষয়টোলৈ বৰ্ত্তমান চৰকাৰে বিশেষ মনোযোগ দিয়াতো দৰকাৰ। এই ক্ষেত্ৰত ইয়াৰ আগৰ চৰকাৰ কংগ্ৰেছ চৰকাৰে এপেক্স মাৰ্কেটিং বা আন তেনে ধৰণৰ অনুস্থানৰ দ্বাৰা ধান সংগ্ৰহৰ ব্যৱস্থা কৰিছিল সেইটো ভাল হৈছিল, গতিকেই এই আঁচনিটো গ্ৰহণ যোগ্য বুলি লৈ জনতা চৰকাৰে স্বীকাৰ কৰি লৈ আগৰ ব্যৱস্থাকে বাহাল ৰাখি চোচাইটিৰ জৰীয়তে ধান সংগ্ৰহ কৰা আৰু বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ৰাজ্যপালৰ ভাষণত ২০ দফীয়া আঁচনিৰ প্ৰতি কেনেধৰণৰ প্ৰতিক্ৰিয়া এই চৰকাৰে দেখুৱাব খোজে মই জানিব বিচাৰিছো। কিন্তু তাৰ একো উল্লেখ নাই কিন্তু মই কব বিচাৰিছো ইয়াৰ কেইটামান দফা বাদ দি অন্ততঃ গ্ৰহণযোগ্য দফা কেইটা সমাজৰ আটাইকৈ অৱহেলিত আৰু দুৰ্ব্বল শ্ৰেণীৰ কল্যাণৰ কাৰণে প্ৰয়োগ কৰিলে দুখীয়া ৰাইজক সহায় কৰা হব। কংগ্ৰেছৰ দিনত লোৱা হৈছে বুলিয়েই এই আঁচনি নিন্দনীয় বৰ্জ্জনীয় হব নেলাগে। কেন্দ্ৰৰ এজন শীৰ্ষস্থানীয় নেতা আৰু বৰ্ত্তমান জনতা চৰকাৰৰ এজন মন্ত্ৰী শ্ৰীজগজীৱন ৰাম ডাঙৰীয়াই এটা সাক্ষাতকাৰ প্ৰসঙ্গত ১৮ মাৰ্চ্চৰ ব্লিট্‌জত ২০ দফীয়া আঁচনিৰ বিষয়ে কি ধৰণে মনোভাৱ প্ৰকাশ কৰিছিল তাৰে কেইটামান লাইন পঢ়ি দিব বিচাৰিছোঁ।

Shri Narendra Nath Dutta : The people of India have totally ignored the 20 and 25 points progrpmme. There should not be an discussion on these points.

Shri Bishnulal Upadhaya : This is the version of Shri Jagjiban Ram Union Minister. That is why, I am quoting from the Blitz newspaper of 18th March, 1978.

"I think the 20 Point Programme assured the rural poor that something was to be done for them. As a matter of fact it brought a ray of hope to the small farmer, the marginal farmer, the agricultural laboure and the indebted people. The moratorium on the realisation of the deb's in the rural areas itself was a great relief to the rural poor, because we completely forgot that talking about all these programmes in the manner we did led to the belief among the rura poor that the Janata Party does not want to do anything for the rural poor"

Shri Nurul Huda :— Has the Honble Member become an Astrologer ?

শ্ৰীমুকুট শৰ্ম্মা :—দক্ষিণৰ ফালে ২০ দফীয়া আঁচনি গ্ৰহণ কৰা হৈছে।

শ্ৰীবিষ্ণুলাল উপাধ্যায় :—গতিকেই কংগ্ৰেছৰ দিনত এই আঁচনি গ্ৰহণ কৰা হৈছে বুলিয়েই যে তাক একেবাৰে নুই কৰি পেলাব সেইটো নহয়। ইয়াৰ ভাল দফা কেইটা অন্ততঃ গ্ৰহণ কৰক যেনেকৈ হাঁহে পানী মিহলি গাখীৰৰ পৰা কেৱল গাখীৰ খিনিহে খায় ঠিক তেনেকৈ আপোনালোকে ২০ দফীয়া আঁচনিৰ সাৰ খিনি গ্ৰহণ কৰক। ইয়াৰ পৰা যদিও কংগ্ৰেছৰ বদনাম কিবা কাৰণত হ'ল কিন্তু আপোনালোকৰ তাৰ পৰা শোচ-নামহে হব। আকৌ কৰবাত শুনিছো জনতা চৰকাৰৰ ম্যাদ বোলে মাত্ৰ এক বছৰ, কিন্তু সেই কথাটো আমি বিশ্বাস নকৰো, আমি আশা কৰো এই চৰকাৰ ৫ বছৰ কাল থাকক।

হিন্দীত এটা কথা আছে— দিল্লীকা লাড্ডু জো খায়া বহ পছতায়া জো নোহী খায়া বহ ভী পছতায়া

জনতা চৰকাৰেও দিল্লীৰ লাড্ডু খাই সোৱাদ লওক।

সদনত বহুতে কৈছে কংগ্ৰেছ টুকুৰাটুকুৰ হল, কিছু দিনৰ পিচতেই নিশ্চিহ্ন হব। সভাপতি মহোদয়, কংগ্ৰেছ অনুস্থানটো এক বিৰাট অনুস্থান, ই এক মহা সমুদ্ৰৰ নিচিনা তাৰ পৰা মাত্ৰ ২।৪ কলহ পানী লৈ গলে একো ক্ষতি নহয়। যোৱা ১৯৬৯ চনলৈকে বৰ্ত্তমানৰ জনতা চৰকাৰৰ প্ৰধান মন্ত্ৰী কংগ্ৰেছ পাৰ্টিত আছিল আৰু মন্ত্ৰীয়ো আছিল, ভাৰতৰ উপ-প্ৰধান মন্ত্ৰী আছিল। তেতিয়াহলে যোৱা ৩০ বছৰে এখেতসকলেই কুশাসন কৰিলে নেকি? গতিকে কংগ্ৰেছ সমালোচক সকলে আগৰ চচমা বদলাবৰ হ'ল। আমাৰ যি খিনি বেয়া কাম সেই খিনি বাদ দিবলাগে অথাৎ জাবৰ খিনি গুচাই ভাল খিনি গ্ৰহণ কৰিব লাগে। ইয়াৰ দ্বাৰা জনতা চৰকাৰৰ সদনাম হব এই খিনিকে অনুৰোধ জনাই মই বহিলো।

শ্ৰীবীৰেন চৌধুৰী :—সভাপতি মহোদয়, ৰাজ্যপালৰ ভাষণ শুনিলো। আৰু নগেন শৰ্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই সম্পৰ্কত মই দুআষাৰ কবলৈ আগবাঢ়িছো। সভাপতি মহোদয়, আমি এই সদনলৈ আহিছো, বহু মানুহৰ বহু আশা আকাংক্ষা লৈ। বহু সুখ-দুখৰ বোজালৈ আমি ইয়ালৈ আহিছো। কিন্তু ৰাজ্যপালৰ ভাষণ শুনি আমি হতাসগ্ৰস্ত হৈছো। সভাপতি মহোদয়, আপুনি জানে ৰাজ্যপালৰ ভাষণত অন্ততঃ তিনিটা কথাৰ উল্লেখ থকাটো উচিত আছিল। আগৰ চৰকাৰৰ কৰ্ম কাণ্ডৰ স্পষ্ট ছবি ৰাজ্যপালৰ ভাষণত থকা উচিত আছিল। দ্বিতীয়তে বৰ্ত্তমান পৰি-স্হিতিৰ আভাষ আৰু তৃতিয়তে ভবিষ্যতে কি কাৰ্য্যনীতি গ্ৰহণ কৰিব তাৰ এটা স্পষ্ট ৰূপ দাঙি ধৰিব লাগিছিল। কিন্তু আজি সেই সকলো বিলাক অস্পষ্টভাবে ৰখা হল। ইয়াৰ কাৰণ কি ঠিক মই ধৰিব পৰা নাই। ৩০ বছৰৰ পিচত জনসাধাৰণে বহু আশা আকাংক্ষাৰ আগৰ চৰকাৰ উচ্ছেদ কৰি নতুন চৰকাৰ এখন প্ৰতিস্হা কৰিলে আগৰ মুখ্য-মন্ত্ৰী সিংহ ডাঙৰীয়াক হিটলাৰ নামে নামাকৰণ কৰা হৈছিল। শইকীয়া ডাঙৰীয়াৰ নাম শুনিলে সকলোৱে ভয় কৰিছিল। তেওঁক আইকমেন বুলিহে আখ্যা দিয়া হৈছিল। তেওঁলোকে অসমত কি অৱস্হাৰ সৃষ্টি কৰিছিল তাৰ এটা স্পষ্ট ছবি আমাৰ ৰাজ্যপালৰ ভাষণত থকা উচিত আছিল। সভাপতি মহোদয়, আপুনি জানে, জৰুৰীকালিন অৱস্হাৰ আগৰে পৰা শিক্ষা অনুস্হান বিলাকত কি ছাত্ৰ, কি শিক্ষক সকলোৰে ওপৰত অত্যাচাৰ চলিছিল। মহেশ মহন্ত নামৰ এজন ছাত্ৰক জেলৰ ভিতৰত কুবাই কুবাই চাল চিৰা চিৰি কৰি দিয়া হৈছে। এই দৰে ছাত্ৰ শিক্ষকৰ ওপৰত নিৰ্মম অত্যাচাৰ চলোৱা হৈছিল। পি, ইউ, পৰিক্ষাৰ সময়ত নকল কৰি পৰীক্ষা দিবলৈ পৰীক্ষাৰ্থীক আহবৰ্বান কৰা হৈছিল, ঠিক তেনেভাবে নৈতিকতাৰ শেষ পথ ছাত্ৰ-ছাত্ৰী

সকলক দেখুৱাই দিয়া হৈছিল। জৰুৰীকালিন অৱস্থাৰ সুযোগ সুবিধা লৈ আৰু ইন্দিৰা গান্ধীৰ আশীৰ্বাদ লৈ অসমৰ হিটলাৰ আৰু আইকমেনে এই দৰে বহু মানুহৰ ওপৰত দুৰাচাৰ চলাইছিল। শ্ৰমিকৰ ওপৰত অত্যাচাৰ কৰিছিল। উচ্ছেদৰ সময়ত হাতী লগাই কৃষকৰ ঘৰ ভাঙি দিয়া হৈছিল। কেতিয়াবা খাচমাটিৰ পৰা উচ্ছেদ কৰাৰ যুক্তি থাকিব পাৰে যদি তাতে জনসাধাৰণৰ কাৰণে কোনো ভাল কাম কৰা হয়। কিন্তু সেই বিলাক মাটি এনেয়ে পৰি আছে। সেই বিলাক মাটিত অথচ খেতিবাতি কৰা হৈছিল। কিন্তু কি কাৰণে উচ্ছেদ কৰিছিল ? মই ভাবো একমাত্ৰ ক্ষমতা প্ৰয়োগ কৰাৰ বাবে। গোৱালপাৰা জিলাৰ মৰনৈ নলদবা, মনাকচা নামৰ ঠাইত উচ্ছেদ কৰা হৈছিল। তাত তেওঁলোকে সৰিয়হ, ধান, মৰাপাত আদি খেতি কৰিছিল। তেওঁলোকে যেতিয়া কৈছিল যে উচ্ছেদ কৰা হৈছে তেতিয়া মই ভাবিছিলো তাত নিশ্চয় কিবা ভাল ডাঙৰ কাম কৰিব। কিন্তু গৈ দেখিলো হাবি হৈ মাটি খিনি এনেয়ে পৰি আছে। তাৰ মানে এই উচ্ছেদৰ উদ্দেশ্য হৈছে কৃষকক একমাত্ৰ অত্যাচাৰ কৰাটোহে। সভাপতি মহোদয়, মই নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। গোৱালপাৰাত এটা বিড়ি ফেক্টৰী আছে। সেই বিড়ি ফেক্টৰীৰ মালিকে জৰুৰী কালিন অৱস্থাত কিছুমান কৰ্মচাৰীক বৰ্খাস্ত কৰিছিল। তেঁওলোকক কম ৰেটত দৰ্মহা দিয়াৰ কাৰণে চেষ্টা কৰিছিল আৰু তাকে শ্ৰমিক বিলাকে প্ৰতিবাদ কৰাৰ কাৰণে সেই কৰ্মচাৰী বিলাকক মালিকে বৰখাস্ত কৰিছিল। এই সংক্ৰান্তত মালিক যাতে কোনো অসুবিধাত নপৰে তাৰ কাৰণে সেই সময়ৰ স্বেচ্ছাচাৰী চৰকাৰে ব্যৱস্থা লৈছিল।

ৰাজ্যক চৰকাৰৰ কৰ্মচাৰী সকল আৰু বিভিন্ন শ্ৰমিক সকলক জৰুৰীকালীন অৱস্থাত যি অত্যাচাৰ কৰা হৈছিল সেই সকলৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগিছিল। বহুতু কৰুণ কাহিনী আছে। ধুবুৰীৰ পি,উৰ ছাত্ৰ শ্ৰীদীনেশ ৰায় নামে এজন ছাত্ৰৰ দেউতাকে ৰোগৰ যন্ত্ৰণাতচতফতাই থাকি জেইলত সামোৱাই ৰখা তেখেতৰ পুতেক শ্ৰীৰায়ক চাবলৈ বিচাৰিছিল। সেই সময়ত অসমৰ আইকমেনলৈ বহুতো দৰখাস্ত আদি দি আবেদন কৰিলে। কিন্তু মৃত্যুৰ সময়তে বাপেকক চাবলৈ দিয়া নহল। মৃত্যুৰ সময়তো দীনেশ দীনেশ বুলি কৈয়েই বাপেক মৰি গল। মৃত্যুৰ খবৰ পাই লৰাজনে কান্দিবলৈ ধৰিলে। আমি গৈ চুপাৰক কলোগৈ যাতে মৃতকৰ শতকাৰৰ কাৰণে তেখেতক যেন এবাৰ যাবলৈ অনুমতি দিয়ে। অনুমতি দিয়া হল। কিন্তু হাতত হাতকৰোৱা লগাই যেতিয়া সেই লৰাজনক শ্মশানলৈ লৈ যোৱা হল তেতিয়া মাত্ৰ শ্মশানত ছাই আৰু ধোৱাহে আছিল। তাৰ আধাঘন্টা পিছতে আকৌ তেওঁক জেইলত সোমোৱাই থোৱা হল। আনকি বাপেকৰ শ্ৰাদ্ধৰ সময়ত উপস্থিত থাকিবৰ কাৰণেও তেওঁক অনুমতি দিয়া নহল। একমাইলৰ আতৰত যন্ত্ৰণাত চতফতাই থকা নৰেণ দত্তৰ মাকক চাবলৈ নিদিয়াৰ নিছিনা নিৰ্মম কথাবিলাক ৰাজ্যপালৰ ভাষণত উল্লেখ থকাৰ প্ৰয়োজন আছিল। কিমান যে মানুহক হত্যা কৰা হৈছিল তাৰ অন্ত নাইকীয়া। সেইকাৰণেই অধ্যক্ষ মহোদয়, আজি আমাৰ চিন্তাৰ বিষয় হৈ পৰিছে আৰু অনিচ্ছা স্বত্বেও মই আজি কবলৈ বাধ্য হৈ পৰিছো যে এই কাৰণে ৰাজ্যপালৰ ভাষণ অসম্পূৰ্ণ। ভাষণখন হৈছে এখন চৰকাৰৰ মন্ত্ৰী সভাৰেই বক্তব্য। আজি এই চৰকাৰে ৰাজ্যপালৰ ভাষণত এই কথাবিলাক উল্লেখ নকৰাৰ কাৰণে আমাৰ সন্দেহ হৈছে যে, আগৰ কংগ্ৰেছ চৰকাৰৰ নেতৃত্বৰ প্ৰতিয়েই এই সকলোৰো দুৰ্বলতা আছেনেকি ? এই ৰাজ্যপালৰ ভাষণখন ৰাইজেও গম পোৱাৰ পিছত অসন্তুষ্টি প্ৰকাশ কৰিব।

ৰাজ্যপালৰ ভাষণত আৰু এটা কথাৰ উল্লেখ থাকিব লাগিছিল সেইটো হৈছে যে, এই চৰকাৰে ভৱিষ্যতে কি কাৰ্য্যপন্থা গ্ৰহণ কৰিব সেইটোৰ উল্লেখ থাকিব লাগিছিল। বিশেষকৈ নতুন চৰকাৰে জনা উচিত আছিল যে, আমাৰ মানুহবিলাক মূল্য বৃদ্ধিৰ কাৰণে

বিক্ষুব্ধ হৈছে। সাধাৰণ মানুহ বিলাক আমাৰ খাতি খোৱা মানুহ। কংগ্ৰেছৰ কুশাসন শেষ কৰাৰ কাৰণে জনসাধাৰণে এই নতুন চৰকাৰ প্ৰতিষ্ঠা কৰিছে। এই মূল্য বৃদ্ধি ৰোধ কৰিবৰ কাৰণে বিজ্ঞান সম্মত কি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটোৰ কোনো উল্লেখেই ৰাজ্যপালৰ ভাষণত নাই।

তাৰ পিছত শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যিখিনি কৰিম বুলি ইতিমধ্যেই ঘোষণা দিছে সেই ক্ষেত্ৰত আমি অভিনন্দন জনাইছো। কিন্তু দশম মান শ্ৰেণীলৈকে মাচুল মাফ দিলেও, গাঁৱে গাঁৱে একোখনকৈ এল, পি স্কুল পাতিলেও শিক্ষাৰ যিটো মৌলিক সমস্যা সেইটো কেতিয়াও সমাধান হব নোৱাৰে। মাননীয় সভাপতি মহোদয়, আমাৰ ৰিস্কাৱলা, বিবি ফেক্টৰীৰ মজদুৰ দিন হাজিৰা কৰা মানুহবিলাকক ইমানদিনে অৰ্থাত ৩০।৩১ বছৰে মানুহৰ শাৰীত লোৱা নাছিল। ভোটৰ সময়তে সেইবিলাকক বিছাৰি যোৱা হয়। লৰা ছোৱালীৰ নেলাগে নিজেৰেই অন্ন বস্ত্ৰৰ সংস্থান কৰিব নোৱাৰা বাপেক মাক পদুলিতে স্কুল থাকিলেও পঢ়াব নোৱাৰে। ঘৰৰ সন্মুখত বিশ্ববিদ্যালয় থাকিলেও পঢ়াব নোৱাৰে। গতিকে শিক্ষাৰ ক্ষেত্ৰত বিজ্ঞান সম্মত ব্যৱস্থা লব নোৱাৰিলে কেতিয়াও নিৰক্ষৰতা দূৰীকৰণ নহয়। প্ৰত্যেক লৰা-ছোৱালীকে অন্নবস্ত্ৰৰ সংস্থান দিয়াৰ ওপৰিও কাগজ কিতাপ আদিৰ ব্যৱস্থা কৰি দিব লাগিব। কিন্তু সেইখিনিকে কৰিব নোৱাৰাৰ কাৰণে বাবুৰ ঘৰে ঘৰে আৰু চাহদোকানত ৰাখিবৰ কাৰণে লৰাছোৱালী বিলাকক লৈ ফুৰিব লগীয়া অৱস্থা হয়। তাৰোপৰি, আমাৰ যিবিলাক শিক্ষানুষ্ঠান আছে সেই বিলাকৰ কিছুমান গাহৰীৰ গৰালৰ দৰে অৱস্থা হৈ আছে। তাত শিশুৱে শিক্ষা জীৱনৰ প্ৰথম পুৱাতে শিক্ষালাভ কৰিবলৈ যাবলগীয়া হয়। সেইবিলাক শিক্ষানুষ্ঠান ডাঙৰ মানুহৰ গোহালিৰ ও উপযুক্ত নহয়। গোৱালপাৰা জিলাত এক বিৰাট অঞ্চল অধিগ্ৰহণ কৰি দুই আঢ়ৈ কোটি টকা খৰছ কৰি যিটো সৈনিক স্কুল পতা হৈছে তাত সাধাৰণ মানুহৰ লৰা-ছোৱালী পঢ়িবলৈ যোৱা দূৰৰ কথা তাৰ বিৰাট কম্পাউণ্ডৰ ওচৰত ভিক্ষা কৰিবলৈকো যাব নোৱাৰে। মই অনুবোধ কৰিছো যে, শিশুৰ প্ৰথম শিক্ষাৰ অনুষ্ঠান বিলাক শিক্ষা মন্দিৰৰ দৰে প্ৰতিষ্ঠা কৰিব লাগে। আমাৰ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে বেগুল কটন কলেজৰ এখন মিতিঙত কৈছিল যে, মই আগতে মোৰ পত্নী, আৰু ভগবানলৈ বৰ ভয় কৰিছিলো কিন্তু মন্ত্ৰী হোৱাৰ পিছত বিশেষকৈ শিক্ষা মন্ত্ৰী হৈ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ আৰু এটা বস্তুলৈ ভয় লগা হৈছে আৰু সেইটো হৈছে ডি,পি,আই। এতিয়া প্ৰশ্ন হৈছে এই ডি,পি, আইটোনো কি বস্তু সেইটো আমি সকলোৱে বহি আলোচনা কৰিব লগীয়া হৈছে।

চেয়াৰমেন মহোদয়, আমাৰ লৰা-ছোৱালীয়ে বাস্তবমুখী আৰু বিজ্ঞানসম্মত শিক্ষা যাতে পায় তাৰ বিশেষ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগে।

তাৰ পিচত মাটি সংক্ৰান্তত মই সাধাৰণ কথা কব বিছাৰিছো। আমাৰ মাননীয় কেবাজনো সদস্যই উল্লেখ কৰিছে যে চৰ অঞ্চলত ৩০-৪০ বছৰ ধৰি মানুহে মাটি দখল কৰি আছে কিন্তু তেওঁলোকে পট্টা পোৱা নাই। গতিকে তাৰ বিশেষ ব্যৱস্থা নতুন চৰকাৰে কৰিব বুলি আশা ৰাখিলো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিল্লীৰ পৰাই ঘোষণা কৰিছিল যে বন বিভাগৰ অতিৰিক্ত বাহিৰৰ মাটি আৰু চৰ অঞ্চলৰ মাটি পট্টনৰ ব্যৱস্থা কৰিব। মই ভাবো এই প্ৰতিশ্ৰুতি ৰাজ্যপালৰ ভাষণত উল্লেখ থকা উচিত আছিল। কিন্তু সেই প্ৰতিশ্ৰুতি উল্লেখ নকৰিলে। গতিকে মই আশা কৰিলো যাতে নতুন চৰকাৰে খাচ মাটি পট্টনৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰীহৰেন্দ্ৰ গোস্বামী** :—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বন্ধুবৰ শ্ৰীনগেন শৰ্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে সেইটো সমৰ্থন জনাইছো আৰু বিশ্বাস ৰাখিছো সদনৰ সকলো সদস্যই এই ধন্যবাদসূচক প্ৰস্তাৱটো গ্ৰহণ কৰিব। ৰাজ্যপালৰ ভাষণটো এটা সীমিত অৱস্থাৰ মাজেদি ৰখা হয় তাত এবছৰত চৰকাৰে যিখিনি কাম-কাজ কৰে তাৰ হিচাব দাঙি ধৰে আৰু সেই কাৰণে পৰা ৰাজ্যপালৰ ভাষণও গোটেইখিনি কথা থাকিব বুলি বিশ্বাস কৰিব নোৱাৰি। । জৰুৰীকালীন অৱস্থাৰ সেই কাৰণেই উল্লেখ নাই। জৰুৰী অৱস্থাৰ সময়ছোৱা ৰাজ্যপালৰ ভাষণত নপৰে। জৰুৰী অৱস্থাত যিখিনি অত্যাচাৰ চলিল সেইখিনি এতিয়াও আমাৰ চকুৰ পৰা আঁতৰি যোৱা নাই আৰু আশাকৰো সেই সম্পৰ্কে আমাৰ চৰকাৰে এটা শিকনি লব। কাহিলীপাৰাত K,G,B, পদৰ্শাতত তদন্তৰ বাবে যিটো পুলিচ অফিচ আছে এই বিষয়ে সংশোধনৰ বাবে নিশ্চয় নতুন চৰকাৰে চিন্তা চৰ্চা কৰিব।

শিক্ষা সম্পৰ্কে ইতিমধ্যে বহুত আলোচনা বিলোচনা হৈ গল। মই সেই বিষয়ে কিছু কব বিচাৰিছো। বৰ্ত্তমান বিশ্ববিদ্যালয় স্তৰত যি শিক্ষা আৰু প্ৰশাসনৰ ব্যৱস্থা আছে তাক গণতান্ত্ৰিক কৰিব পাৰিলে ভাল হয়। অসমৰ বিশ্ববিদ্যালয় তিনিটাত বৰ্ত্তমানে পদেন সদস্য সকলৰ দ্বাৰা coterie rule ৰ জৰিয়তে প্ৰশাসন চলি আছে। এই coterie rule আঁতৰাব পাৰিলে বিশ্ববিদ্যালয় প্ৰশাসনৰ বহুতো উন্নতি সাধন হব। বিশ্ব-বিদ্যালয়ৰ আইন সমূহ সংশোধন কৰি ছাত্ৰ সকল বিশ্ববিদ্যালয় কোৰ্টৰ সদস্য হৈ অংশ গ্ৰহণ কৰিবলৈ সুবিধা পাইছিল কিন্তু কৰ্মচাৰী সকলক তাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে জৰুৰী অৱস্থাত আইন সংশোধন কৰি। মই বিশ্বাস কৰিছো এই আইন পুনৰ সংশোধন কৰিব আৰু বিশ্ববিদ্যালয়ৰ প্ৰশাসনত কৰ্মচাৰীও যাতে কোৰ্টৰ সদস্য হব পাৰে তাৰ ব্যৱস্থা কৰিব আৰু অন্যান্য সংস্থা সমূহত ছাত্ৰ আৰু কৰ্মচাৰী সকলে অংশ গ্ৰহণ কৰিব পৰা ব্যৱস্থা কৰিব। ইঞ্জিনীয়াৰিং বা কৃষি বিশ্ববিদ্যালয়ে যি শিক্ষাৰ ব্যৱস্থা লৈছে সেই শিক্ষাৰ জৰিয়তে আমাৰ দেশৰ ইঞ্জিনীয়াৰ সকলে বা কৃষি স্নাতক সকলে মাত্ৰ টেবুলত বহি কাম কৰাহে ব্যৱস্থা হৈছে ফিল্ডত কাম চোৱা বা পৰিচালনাৰ কাৰণে হোৱা নাই। গতিকে এই শিক্ষা যাতে বাস্তৱমুখী শিক্ষা হয় তাৰ কাৰণে আমাৰ নতুন চৰকাৰে ব্যৱস্থা কৰিব। লেবৰেটৰীত শিক্ষা লাভ কৰিছে কিন্তু ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাৰ বাস্তৱ শিক্ষা তেওঁলোকে পোৱা নাই যেন লাগে। এই সম্পৰ্কে চিন্তা-চৰ্চা কৰিব বুলি আশা কৰিলো।

ভূমি সমস্যাৰ কথা উল্লেখ কৰা হৈছে। ভূমি সংস্কাৰৰ ক্ষেত্ৰত নতুন ব্যৱস্থা কৰিব লাগিব নহলে তাৰ সমাধান নহয়। মই ভাবো ভূমি জাতীয়কৰণ কৰিব লাগে আৰু জাতীয়কৰণ কৰাৰ পাছত যদি বিতৰণ কৰা হয় তেনেহলে ভূমি সমস্যা হয়তো কিছু পৰিমাণে সমাধান হব পাৰে। চিলিং আইনকে ধৰি বহুতো আইন ভূমিৰ ওপৰত কৰা হল। এই আইন সমূহৰ যোগেদি সমস্যা সমাধান নহৈ বহুত জটিলতাহে সৃষ্টি হল। কিন্তু আমাৰ নতুন চৰকাৰে এই ভূমিৰ ক্ষেত্ৰত এটা সুস্থিৰ নীতি লব বুলি আশা কৰিছো। সংবিধানত থকা সম্পত্তিৰ অধিকাৰ মৌলিক অধিকাৰৰ শিতানৰ পৰা উঠাই দি আইনৰ জৰিয়তে সম্পত্তিৰ অধিকাৰ দিয়াৰ ব্যৱস্থা কৰিছে বহুতো সমস্যা সমাধান কৰাত সহায় হব। তাৰ কাৰণে মই সদনক অনুৰোধ জনালো।

আজি অসমত কিছুমান সমস্যাই দেখা দিছে সেই সমস্যা দূৰ কৰিবলৈ হলে অসমত আৰু কিছুমান নতুন নতুন সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। সেই বিষয়ে আজি মই বিতং ভাবে আলোচনা কৰিব খোজা নাই। অসমত এনেকুৱা কিছুমান কোম্পানী আছে যাৰ হেড অফিচ অসমৰ বাহিৰত আছে। সেই অফিচ বিলাক যদি অসমৰ ভিতৰলৈ আনিব পৰা যায় তেতিয়াহলে আমাৰ নিবনুৱা সমস্যা কিছু পৰিমাণে লাঘব হব। আৰু অসমে

ৰাজহো কিছু পাব। এই ক্ষেত্ৰত আমাৰ নতুন চৰকাৰে নিশ্চয় এটা বাস্তৱ সিদ্ধান্ত গ্ৰহণ কৰিব। আজি আমাৰ দক্ষিণ কামৰূপৰ এটা সমস্যাৰ কথা উল্লেখ কৰিছো। বন বিভাগৰ তৰফৰ পৰা বগাইখাচ নামৰ এখন এগ্ৰিমেণ্ট আগৰ চৰকাৰে কৰিছিল। এই এগ্ৰিমেণ্টখন ৰিভিউ কৰাৰ প্ৰয়োজন হৈছে। ইয়াৰ দ্বাৰা গোটেই দক্ষিন কামৰূপৰ বনাঞ্চল ধ্বংস কৰিবলৈ লোৱা আৰু ৰাজহৰ ফালৰ পৰা ৰাজ্যিক চৰকাৰে বহু লাখ ধন হেৰুৱাইছে। অশোক পেপাৰ মিলৰ লগত কৰা চুক্তিখনেও ৩৫ বছৰৰ বাবে বাহ যোগান ধৰা হব কিন্তু এইটো হ'লে বনাঞ্চলত বাঁহ নাইকিয়া হব। গতিকে এই এগ্ৰিমেণ্ট সম্পৰ্কেও ৰিভিউ কৰিব লাগে।

(সময়ৰ সংকেট)

চেয়াৰমেন মহোদয়, দক্ষিণ কামৰূপত খৰী এটা ডাঙৰ সমস্যা হৈ পৰিছো। আমি জানো সেই বনাঞ্চল বিলাকৰ পৰা আগতে পাৰ্মিট প্ৰথাৰ জৰিয়তে গাঁৱৰ দুখীয়া মানুহে খৰি পোৱাৰ ব্যৱস্থা আছিল কিন্তু এই ব্যৱস্থা বন্ধ কৰাৰ ফলত গাঁৱৰ দুখীয়া ৰাইজে খৰিৰ হাহাঁকাৰত ভুগিব লাগিছে। দক্ষিন কামৰূপৰ গাঁৱৰ ৰাইজে যাতে খৰি পাব পাৰে তাৰ বাবে গুৱাহাটীৰ D.F.O. ডাঙৰীয়াৰ পৰিবৰ্ত্তে স্থানীয় বন বিষয়া সকলৰ জৰিয়তে পাৰ্মিট প্ৰথাৰ জৰিয়তে খৰি পোৱাৰ ব্যৱস্থা কৰিব লাগে।

মই এটা কথা কব বিছাৰিছো, আমাৰ গৃহমন্ত্ৰীয়ে লোকসভাত ঘোষণা কৰিছে যে মিছা আইন বাতিল কৰা হৈছে। তাক আমি আদৰণি জনাইছো আমি বিশ্বাস কৰিছো এই আইন উঠাই দিয়াৰ পাচত ভৱিষ্যতে শ্ৰমিক কৰ্মচাৰী সকলে গণতান্ত্ৰিক অধিকাৰ পাব। ভাৰতৰ ৰাইজে মুক্তভাৱে বিচৰণ কৰিব পাৰিব। পৃথিৱীত এনে কোনো দেশ নাই যাতে আটক আইন নাই। ভাৰতৰ বাবে ই এটা ঐতিহাসিক দৃষ্টান্ত। সেয়েহে ভাৰতৰ ৰাইজৰ দায়িত্বত বাঢ়িল। অহিংস পন্থাৰে সমস্যা সমাধান কৰিবলৈ মই এই সদনৰ জৰিয়তে দেশৰ ৰাইজলৈ শ্ৰমিক কৃষক ছাত্ৰ সমাজলৈ আহবান জনাও। এই মিছা আইন বাতিল কৰাৰ পাছত আমাৰ দেশত যাতে কোনো হিংসাত্মক বিপ্লৱৰ সৃষ্টি নহয় তাৰ কাৰণে বিশেষ ভাবে চকু দিবলৈ সকলোলৈকে অনুৰোধ কৰিলো।

(সময়ৰ সংকেট)

মাননীয় চেয়াৰমেন ঃ—সদন ২.৩০ মিনিটলৈ স্থগিত থাকিল।

(After Lunch)

* শ্ৰীবাৰেলং টেৰাং ঃ—মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত মাননীয় ৰাজ্যপালৰ ভাষণৰ প্ৰসঙ্গত মোৰ দুখৰ কথা কোৱাৰ সুবিধা দিয়া কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মোৰ বন্ধু নগেন শৰ্ম্মা ডাঙৰীয়াই মাননীয় ৰাজ্যপাল ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰিছো। মই লগতে দুখৰ সুখ-দুখৰ কথা এই সদনত কবলৈ বিচাৰিছো।

আমাৰ কাৰ্বি আংলংজিলা খন অসমৰ ভিতৰত আটাইতকৈ পিচপৰা বুলি আমি পদে পদে উপলব্ধি কৰিছো আৰু যোৱা কংগ্ৰেছ শাসন ত্ৰিশ বছৰ চলাৰ পিচতো আমাৰ এই জিলাখন অৱহেলিত হৈ আছে। এনেকৈ আমাৰ নানা ধৰণৰ সমস্যাৰ উদ্ভৱ হৈছে। এই জিলাৰ আয়তন হিচাবে ১০৩২৪ বৰ্গ কিলোমিটাৰ আছে আৰু ইয়াৰ লোকসংখ্যা ১৯৬১ চনৰ চেন্সাচ মতে তিনি লাখ আছিল আৰু ১৯৭১ চনত চাৰে চাৰি লাখলৈ বাঢ়িল অৰ্থাৎ দহ বছৰৰ ভিতৰত লোকসংখ্যা দেড় লাখলৈ বৃদ্ধি পালে।

কিন্তু এই বৰ্দ্ধিত লোকসকল সেই জিলাৰ অধিবাসী বুলি কব নোৱাৰি। সেইবিলাক বাহিৰৰ পৰা যোৱা মানুহ। কিন্তু ভাৰতীয় সংবিধান মতে আমাৰ জিলাখন অটোনোমাচ জিলা আৰু আচুতীয়া শাসন পদ্ধতিৰ গুঢ় কথা হল তাৰ অধিবাসী ইগুনৰেণ্ট কাৰ্বি লোক সকলৰ ৰক্ষণা-বেক্ষণৰ যথাযথ ব্যৱস্থা কৰা। কিন্তু দেখা যায় যি পদ্ধতিৰে যোৱা ত্ৰিশ বছৰে কংগ্ৰেছে সেই জিলাৰ অনুশাসন চলালে তাৰ দ্বাৰা বাহিৰৰ পৰা মানুহ সমূহৰাই স্থানীয় মানুহক মাটিৰ পৰা উচ্ছেদ কৰি হাহাকাৰ কৰিছে। অৱশ্যে ইয়াত কিবা ৰাজনৈতিক উদ্দেশ্য নিহিত থাকিব পাৰে। সেই কাৰণেই বেছিভাগ বাহিৰা মানুহক মাটি পট্টন দি বাহিৰা মানুহৰ সংখ্যা বৃদ্ধি কৰিছে। ফলত সেই জিলাৰ লোকসংখ্যা বাঢ়িছে। হয়তো সময়ত তাৰ ডিষ্ট্ৰিক্ট কাউঞ্চিল উঠাই দিবলৈকো বাহিৰা মানুহৰ সংখ্যা বৃদ্ধি কৰিছিল। ফলস্বৰূপে পাৰ্লিয়ামেণ্ট তাৰ অটোনোমাচ জিলা উঠাই পেলাব। আগতে জিলাখনত অটোনোমাচৰ সুবিধা দিছিল দহ বছৰৰ কাৰণে এতিয়া বিশ বছৰৰ কাৰণে কৰা হৈছে। তাৰ পিচত কি হব কোৱা টান।

আমাৰ যি চাৰি লাখ লোক আছে তাৰ প্ৰায়বোৰেই নহলেও শতকৰা ৯৯ জনেই খেতিয়ক। মাটিৰ আয়টন অনুপাতে লোকসংখ্যা বেছি হব লাগে যদিও জিলাখন ওখ অনুৰ্বৰ পাহাৰেৰে ভৰা। সেই অঞ্চলত এতিয়াও খেতিৰ ব্যৱস্থা হোৱা নাই কিন্তু সেই অঞ্চলতে চাৰি লাখ মানুহে খাই বৈ থাকিব লাগে।

বৰ্ত্তমানে তাৰ বাহিৰাগত বেদখলকাৰী সকলক উচ্ছেদ কৰি যি মাটি বণ্টন কৰাৰ ব্যৱস্থা ডিষ্ট্ৰিক্ট কাউঞ্চিলে কৰিলে, সেই পদ্ধতিত মাটিহীন খেতিয়কে মাটি পোৱাৰ সুবিধা হোৱা নাই। দেখা গৈছে সেইবিলাক মাটি ডিষ্ট্ৰিক্ট কাউঞ্চিলৰ সবেৰ্বসৰ্বা আৰু এম-এল-এ আৰু তেওঁলোকৰ বংশপৰিয়ালৰ মাজতে ভাগ বতোৱা কৰি ললে। মাটিহীন খেতিয়কে এবিঘা মাটিও নাপালে। ফলত জিলাত যদিও উদ্বৃত্ত শস্য হৈছে তথাপি সেই শস্য কাৰ্বি মানুহৰ উৎপাদন নহয় বাহিৰৰ মানুহেহে উৎপাদন কৰিছে। গতিকে মাটিহীন মানুহৰ মাটিৰ ব্যৱস্থা, যিটো যোৱা ত্ৰিশ বছৰে নকৰিলে এতিয়া সেই ব্যৱস্থাকেনেকৈ কৰা হব সেইটো চাব লাগিব। বৰ্ত্তমান আমাৰ জনতা চৰকাৰে সেই কথা বিবেচনা কৰিব লাগিব। এতিয়া সমস্যা হল মাটিৰ পৰিমাণ বৃদ্ধি কৰিব নোৱাৰি। কিন্তু কৃষিৰ পৰিধি বৃদ্ধি কৰি লোৱাৰ উপায় আছে। সেইটো হল টেৰেচ কাল্টিভেচন পদ্ধতি যদি পাহাৰৰ ওপৰলৈ সম্প্ৰসাৰণ কৰে তেতিয়া হব পাৰে। ইয়াৰ উপৰিও ৰবাৰ প্লেণ্টেচন আৰু কফি প্লেণ্টেচনৰ ব্যৱস্থা কৰিলেও, বহুতো নিবনুৱা খেতিয়কৰ সংস্থান হব পাৰে। জনতা চৰকাৰে এই ব্যৱস্থা দৃঢ় ভাবে লব লাগিব।

মই আশাকৰো বৰ্ত্তমান জনতা চৰকাৰে এইটো খৰব দৃঢ় ভাবে হাতত লব। তাৰোপৰি আমি আশা কৰিছিলো যে উত্তৰ কাছাৰ জিলা আৰু মিকিৰ পাহাৰ জিলা দুখনত ৰবাৰ আৰু কফি প্লেনচেনৰ কাৰণে যিটো ইন্সটিটিউটৰ অনুমতি দিছিল তাত আমাৰ মাটিহীন জনসাধাৰণৰে কৰ্ম্মসংস্থানৰ কিছু সুবিধা পাব। কিন্তু তাত দেখা গল যে যোৱা বছৰ যিখিনি টকা খৰচ কৰিব লাগিছিল সেইখিনিটো নকৰিলেই প্ৰায় ১০ লাখ টকাৰ হিচাবেই দিব নোৱাৰিলে। যিখিনি টকা চৰকাৰৰ পৰা দিয়া হৈছে তাৰ শতকৰা ৫০ ভাগ টকাও খৰচ কৰা নাই। গতিকে তদন্ত কৰিলেই দেখা যাব যে টকা খৰচ কৰা অনুপাতে কিমান প্লেনটেচন হৈছে বা কিমান উৎপাদন হৈ আছে সেইটো দেখা যাব। আৰু সেয়ে জনতা চৰকাৰে এই বিষয়ে তদন্ত কৰি ভৱিষত বাইজৰ সংস্থাপনৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

আন্তঃৰাজ্য সীমা সম্পৰ্কে মই কওঁ যে যোৱা ৩০ বছৰ ধৰি আগৰ চৰকাৰে মেঘালয় আৰু নগালেণ্ডৰ লগত অসমৰ সীমালৈ থকা সমস্যাৰ কোনো মীমাংসা কৰিব নোৱাৰিলে। লগতে দখলা পথাৰৰ পৰা ৰামচালি আৰু বোকাখাটৰ ওচৰত চিলিমদৱা, কুঠৰি আদিত নগাঁও জিলাৰ লগত থকা আন্তঃজিলা সীমা বিবাদ বহুদিনৰে পৰা চলাই আছে যদিও এতিয়ালৈকে কোনো মীমাংসা কৰিব পৰা নাই। এইটো বিশেষকৈ বনজ সম্পদ, ৰাজহ আদিৰ ক্ষেত্ৰত বিশেষ অসুবিধা হয়। বৰ্ত্তমান চৰকাৰক এই বিষয়ে এটা ভাল মীমাংসা কৰিবলৈ অনুৰোধ কৰিলো।

এতিয়া বন বিভাগৰ বিষয়ে মই কওঁ যে কাৰ্বি আংলং জিলা পৰিষদে বন বিভাগটোক প্ৰথমে আন লাচ ফৰেষ্ট হিচাপে ৰাখি দিছিল। কিন্তু ষ্টেট ফৰেষ্ট কৰি জিলা পৰিষদৰ লগত জাপি দিয়াত জিলা পৰিষদে বিৰলা কোম্পানীক লিজ দিয়াৰ ফলত বনজ সম্পদ ধ্বংশ কৰি পেলালে। তেওঁলোকে গোটেই পাহাৰটোকে টকলা কৰি পেলালে। গতিকে চৰকাৰে আইন কৰি যাতে এই বনজ সম্পদ বোৰ কাটিব নোৱাৰা কৰে তাৰ কাৰণে অনুৰোধ কৰিলো।

আমাৰ কাৰ্বি আংলং জিলাৰ ৪ লাখ জনসংখ্যাৰ কাৰণে মাত্ৰ ৭০ খন চিট থকা এখন হস্পিতেল ডিফুত আছে। কেতিয়াবা কেতিয়াবা এনেকুৱা হয় যে বেমাৰী ৰাখিবলৈ থাই নাইকীয়া হৈ যায় আৰু তেওঁলোকক পিৰালি, বাৰান্দা আদিতে ৰাখিব লগীয়া হয়। গতিকে এই হস্পিতেল খনক ১০০ চিট কৰি দিব লাগে নাইবা আন এখন হস্পিতেল কৰি দুখীয়া জনসাধাৰণৰ মঙ্গল সাধিব লাগে। শিক্ষা সম্পৰ্কে এটা কথা আছে যে ডিফু কলেজ খন স্থাপন কৰা আজি বহুত দিন হল কিন্তু কলেজ খনৰ বিল্ডিং এতিয়াও হোৱা নাই। তাঁত কেৱল কলা শাখাটোহে আছে। তাত বিজ্ঞান আৰু বাণিজ্য বিষয় নথকাৰ ফলত লৰা ছোৱালী বিলাক চিলং বা গুৱাহাটীলৈ আহিব লগাত পৰিছে। ফলত দুখীয়া লৰা-ছোৱালী বিলাকে নানা অসুবিধা ভোগ কৰি আছে। গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰে যোৱা ৩০ বছৰে নেচনেল হাইৱেৰ বাহিৰে মাত্ৰ ৩০০ কিঃমিঃ ৰাস্তাহে কৰিছে। গতিকে এই ৩০ বছৰৰ ভিতৰত গড়ে মাত্ৰ বছৰি ১০ মাইলহে ৰাস্তা কৰা হৈছে। তাৰোপৰি যিখিনি ৰাস্তা কৰা হৈছে সিয়ো খুব ভালদৰে কৰা হোৱা নাই। কৰবাত কৰবাত এতিয়াও শিল-গুটিয়ে দিয়া নাই (সময়ৰ সংকেত) গতিকে এই খিনি কৈয়ে মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীদানেশ আলী আহমেদ ঃ—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যিটো ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি আমাৰ দলপতিয়ে যিটো সংশোধণী আনিছে সেইটো সমৰ্থন কৰি মই দুই এটা কথা কবলৈ বিচাৰিছো। আমাৰ দেশখন কৃষি প্ৰধান দেশ আৰু এই দেশৰ শতকৰা ৮০ জন মানুহেই গাঁওত বসে কৰে। গতিকে এই শতকৰা ৮০ জন মানুহৰ উন্নতিয়েই দেশৰ উন্নতি বুলি কব পাৰি। গতিকে আমাৰ সৰ্বপ্ৰধান লক্ষ্য হব লাগিব কৃষক আৰু কৃষিৰ উন্নয়নৰ কাৰণে। অৱশ্যে আমাৰ ৰাজ্যপালৰ ভাষণত কৃষিৰ বিষয়ে উল্লেখ কৰিছে। কিন্তু এই কৃষক আৰু কৃষিৰ উন্নয়নৰ কাৰণে যিঁবলাক আনুসঙ্গিক বিষয় আছে, সেই আনুসঙ্গিক বিষয়ে ৰাজ্যপালৰ ভাষণত বিশেষ ভাৱে উল্লেখ নাই।

কৃষকৰ উন্নতি কৰিবলৈ হলে আমাৰ কৃষক সকলৰ মাটিৰ ব্যৱস্থা কৰিব লাগিব। ৰাজ্যপালৰ ভাষণত ১০ বিঘালৈকে মাটি থকা কৃষকে খাজনা দিব নলগা কথাটো উল্লেখ কৰা হৈছে, সেইটো ভাল হৈছে। কিন্তু কথাহল এই ১০ বিঘা মাটি থকা খেতিয়ক সকলে কি আধুনিক ধৰণেৰে খেতি কৰি দেশখনক উন্নত কৰিব পাৰি সেই কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। সেই কথাটো থকাহলে ভাল আছিল। আধুনিক কাম কৰিবলৈ আমাৰ কৃষক সকল পাৰদৰ্শী হোৱা নাই। আগতে যি ধৰণেৰে গৰু আৰু নাঙলেৰে খেতি কৰিছিল এতিয়াও সেই ধৰণেৰে বা তাৰ আনুসঙ্গিক উপায়েৰেই খেতি কৰি আছে। তেওঁলোকে টেক্টৰ, পাৱাৰ টিলাৰ আদি আধুনিক সজুলিবোৰ ব্যৱহাৰ কৰিবলৈ শিকা নাই তেওঁলোকৰ আৰ্থিক দুৰৱস্থাৰ কাৰণে। গতিকে আমাৰ খেতিয়ক সকলে কেনে ধৰণেৰে গৰু ৰাখিব পাৰে তাৰ যোগেদি কেনেকৈ উন্নত ধৰণেৰে খেতি কৰিব এটা ইঙ্গিত ৰাজ্যপালৰ ভাষণত থকা উচিত আছিল। গৰু হয়তো বহুতবে আছে, কিন্তু পশু চিকিৎসা আৰু পশু পালনৰ ব্যৱস্থা নাই।

অধ্যক্ষ মহোদয়, আপুনি জানে যে যোৱা কিছু বছৰ আগৰ পৰা গৰু চিকিৎসাৰ ব্যৱস্থা আমাৰ দেশত হোৱা নাই। যোৱা কেইবা বছৰৰ বান পানীৰ ফলত মহামাৰীহৈ গৰু মৰি নোহোৱা নিচিনা হৈছে। গতিকে পশু পালন আৰু পশু চিকিৎসা এই বিভাগ টোৰ প্ৰতি চৰকাৰে চকু দিব লাগে। বছৰি বছৰি হোৱা বান পানীৰ ফলত আমাৰ কৃষক সকলৰ আৰ্থিক দুৰৱস্থা হৈছে যাৰ বাবে তেওঁলোকে সময় মতে শস্য, সাৰ আদি কিনিব নোৱাৰে। খেতিয়ক সকলে যাতেসময় মতে খেতি সজুলি সাৰ, শস্য, পানী আদি পায় তাৰ ব্যৱস্থা কৰা দৰকাৰ আৰুতেনে কৰিলেহে আমাৰ খেতিয়কৰ অৱস্থা ভাল হব। মোৰ সমষ্টি চেঙা অঞ্চলটোৰ অধিক ভাগ জাগাই চৰ অঞ্চল আৰু তাত অনেক বিল আছে। কিন্তু এই বিলাকতমঠাউৰী নাই যাৰ কাৰণে খেতি সেই অঞ্চলত মুঠতে নহয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—যোৱা ৩০ বছৰ চেঙাৰ পৰাই কংগ্ৰেছেই আহি আছে, একো কৰিব নোৱাৰিলেনে কি ?

শ্ৰীদানেশ আলি আহমেদ ঃ—হয়। কংগ্ৰেছে যিটো ভুল কৰিলে সেইও যাতে নকৰে তাৰ বাবে কৈছো।

এইবিলাকত মঠাউৰীৰ ব্যৱস্থা কৰি দিব লাগে। যাতে আগৰ দৰে শস্য নষ্ট নহয়। বাৰিষাৰ কথা বাদ দিলেও খৰালি কালৰ যি ফচল তাকো তাৰ কৃষকে কৰিব নোৱাৰে পানীৰ অভাবত। তাত চেলু ফিলটাৰ বা দীপ টিউব ওৱেল আদিৰ ব্যৱস্থা নাই। পাৱাৰ পাম্পৰ যোগেদি নদীৰ পৰা পানীতুলি ৰবি শস্য কৰিবলৈও তেওঁলোকৰ উপায় নাই। গতিকে কৃষিৰ উন্নতি কৰিবলৈ হলে এই বিলাক ব্যৱস্থা সোনকালে কৰিব লাগে। ইয়াৰোপৰি আন এটা বাৰিষা আৰু খৰালি কৰা খেতিৰ বাহিৰেও আন এটা খেতি আছে—সেইটোহৈছে হৰ্টিকালচাৰ। আগৰ চৰকাৰে এই বিষয়টোৰ ওপৰত্ব জোৰদিছিল, কিন্তু কামএকো নহল। ৰাজ্যপালৰ ভাষণত এই বিষয়ত কোনো ৰকমৰ উন্নয়ন আঁচনিৰ উল্লেখ নাই। এই বিষয়ৰ প্ৰতি চকু দিবলৈ অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো !

ইয়াৰোপৰি আমাৰ গাওঁ বিলাকত পঞ্চায়ত গঠন কৰা হৈছিল। ১৯৭৪ চনত যি পঞ্চায়ত গঠন কৰা হল অহা এপ্ৰিল আৰু মে মাহত তাৰ ম্যাদ উকলিবৰ হৈছে, আইন মতে আকো নিৰ্বাচন হব লাগে। কিন্তু আমি বুজিব পৰা নাই আগৰ পঞ্চায়ত ব্যৱস্থাই থাকিবনে নতুন ব্যৱস্থা কৰা হব। আগৰ যি পঞ্চায়ত আছিল সেই পঞ্চায়তে ঠিকমতে কাম কৰিব পৰা নাই। ১৯৭৪ চনত যি পঞ্চায়ত গঠন কৰা হৈছিল সেই পঞ্চায়তে গাঁও অঞ্চলৰ উন্নতি কৰিব পৰাকৈ ৬টা বিভাগ দিয়া হৈছিল। কিন্তু দুখৰ বিষয় সেইবিলাক কাগজে—কলমেহে থাকিল। বৰপেটাত যি মহকুমা পৰিষদ আছে তাৰ ব্লক জিপ বিলাক অচল অৱস্থাতে আছে। বি, ডি, আৰ হাতত ফাইনেঁচিয়েল পাৱাৰ নথকাৰ হেতু সেই জীপ গাড়ী তেওঁলোকে ব্যৱহাৰ কৰিব নোৱাৰাৰ হেতু মহকুমা পৰিষদক দি দিয়া হল। কিন্তু অধ্যক্ষ মহোদয়, আপুনি জানে যে মহকুমা পৰিষদবোৰক যি টকা দিয়া হয় সেই টকাৰে এই গাড়ীবিলাক চলোৱাটো সম্ভৱ নহয়। মেচিনৰ কথা চলালেই ভাল হৈ থাকে অৰু নচলালেই সেইবোৰ মামৰে ধৰে। চৰকাৰলৈ এই বিষয়ে লিখা লিখি কৰিও কোনো সুফল পোৱা নাই। তাৰোপৰি যিহেতু ব্লকৰ বি, ডি, অ'ৰ বিত্তীয় ক্ষমতা নাথাকে সেই কাৰণে তেওঁলোকে গাড়ী নাপায় বা ব্যৱহাৰ কৰিব নোৱাৰে, কিন্তু তেওঁলোকৰ অনেক কাম থাকে আৰু মহকুমা পৰিষদৰ কামবিলাক তদাৰক কৰিব লাগে।

মিঃ স্পীকাৰ :— মাননীয় সদস্যই আৰু কিমান সময় লব ?

শ্ৰীদানেশ আলি আহমেদ :—মই পাঁচ মিনিটৰ ভিতৰতে শেষ কৰিম।

মুঠৰ ওপৰত যিটো ব্যৱস্থা হৈছে সেই ব্যৱস্থাত পঞ্চায়ত আৰু ব্লক বিলাকে কোনো কাম কৰিব পৰা নাই। তাৰোপৰি ব্লক বিলাকত যি বিলাক ঘৰ দুৱাৰ আছে সেই বিলাকৰ কোনো ৰকমৰ মেৰামতি হোৱা নাই। গাঁও পঞ্চায়ত সমূহক ১৯৭৩ চনৰে পৰাই বৰ্দ্ধিত দৰ্মহা দিয়া হোৱা নাই। শেষত তেওঁলোকে উপায় নাপাই ধৰ্মঘট কৰিব লগীয়া হল। আৰু ধৰ্মঘট কৰাৰ কাৰণে বাধ্য হৈ মহকুমা পৰিষদে পে এৰিয়াৰ দিবলগীয়া হল। কিন্তু যিমান খিনি টকা কৰ্মচাৰী সকলক দিবলগীয়া হল সিমান খিনি পইচা মহকুমা পৰিষদৰ নাছিল। আজি গাওঁ পঞ্চায়তবো তেনেকুৱা অৱস্থাই হৈছে। তেওঁলোকবো দৰ্মহা দিবলৈ পইচা নাই। এতিয়া যিটো অৱস্থাত পঞ্চায়ত সমূহ চলি আছে এই অৱস্থাত পঞ্চায়ত সমূহ চলিব নোৱাৰে। ইয়াৰ এটা বিকল্প ব্যৱস্থা কৰিব লাগিব। এটা প্ৰভিজন কৰি বেলেগ হেডৰ পৰা পইচা দি হলেও পঞ্চায়ত বিলাকৰ অৱস্থাৰ উন্নতি কৰিব লাগিব। এই সম্পৰ্কত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে তেখেতে এই বিষয়ত ভাল দৰে চোৱা চিতা কৰি পঞ্চায়ত বিলাক ভালদৰে যাতে গঠন কৰা হয় তাৰ বিহিত ব্যৱস্থা কৰিব।

আৰু এটা জৰুৰী বিষয় আছে সেইটোও ৰাজ্যপালৰ ভাষণত নাই। অৱশ্যে কৰ্ত্তণ প্ৰস্তাৱৰ সন্দৰ্ভত এই বিষয়ে আলোচনা হৈছে। এইটো হৈছে ন্যায় পালিকাৰ বিষয়। এই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। আমাৰ যি বিলাক মেজিচট্ৰেট আছে সেই সকলক থাকিবলৈ কুৱাটাৰ দিয়া হোৱা নাই। আজি দিনে দিনে ঘৰ পাবলৈ নোহোৱা হৈ গৈছে আৰু তাৰ কাৰণেই ঘৰৰ ভাৰাও বৃদ্ধি পাই গৈছে। যেতিয়া এজন মেজিচট্ৰেট বদলি হবলগীয়া হয় তেতিয়া তেখেত সকলে প্ৰথমতে ভাৰা ঘৰৰ কথা চিন্তা কৰিবলগীয়া হয়। যি ঠাইলৈ বদলি হয় সেই ঠাইত আগতে গৈ ঘৰ ভাৰা কৰিহে পিচত যাব পাৰে। আৰু ভাৰা ঘৰত থাকিলে কেচ ডিচপজেল কৰাৰ সময়ত কিবা ইনফেলায়েঞ্চত পৰে বদলি আগতেই উল্লেখ কৰি গৈছে গতিকে এই সকলৰ কাৰণে কুৱাটাৰৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই শেষ কৰিলো।

শ্ৰীশেখ ছান মহমদ ঃ—মিঃ স্পীকাৰ চাৰ জয় জয়তে মই ৰাজ্য পালৰ ভাষণৰ কাৰণে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু এই সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াৰ প্ৰস্তাবটো আন্তৰিকতাৰে সমৰ্থন কৰিছো। এই ৰাজ্যপালৰ ভাষণত কংগ্ৰেছৰ কু শাসনৰ বিষয়ে বিশেষ একো উল্লেখ হোৱা নাই। তথাপি বৰ্ত্তমান জনতা চৰকাৰৰ কৰ্ম পন্থাৰ বিষয়ে সংক্ষেপে আলোচনা কৰিছে। যদিও বা আমাৰ এই সদনত কংগ্ৰেছী দলৰ কিছুমান অবান্তৰ কথা কৈছে আৰু এই দলৰ দলপতি জনেও অবান্তৰ কথা কৈছে। ৩০ বছৰীয়া শাসনৰ ফলত দেশত এটা বাতাবৰণৰ সৃষ্টি হল।

শ্ৰীগোলোক ৰাজবংশী ঃ—অবান্তৰ শব্দটো আনপাৰ্লিয়ামেন্টৰী।

শ্ৰীবানেশ্বৰ শইকীয়া ঃ—অবান্ত শব্দৰ অৰ্থ কি ?

শ্ৰীগোলোক কাকতি ঃ—পুৰণা সদস্য সকলে কেনে বিলাক শব্দ পাৰ্লিয়ামেন্টৰী আৰু কোনো বিলাক শব্দ আনপাৰ্লিয়ামেন্টৰী তাৰ এখন তালিকা দিলে ভাল হব।

শ্ৰীশেখ ছান মহম্মদ ঃ—যি আলোচনা কৰিছে, কংগ্ৰেছ দলৰ দলপতিয়ে এই কথা কোৱা অতি স্বাভাৱিক। যেতিয়া সদনৰ সদস্যৰ সংখ্যা ১১৪ জন আছিল তেতিয়া তেখেত ৯৫ জনৰ দলপতি আছিল। এতিয়া সদনৰ সদস্য সংখ্যা ১২৬ জন হৈছে। তেখেতে ২৪ জন সদস্যৰ দলপতি হওতে এনেকুৱা কথা কোৱা অতি স্বাভাৱিক। আৰু এটা বিষয়ত মই কব বিচাৰিছো যে মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈয়ে এটা কথা কৈছিল যে জনতা চৰকাৰ যদিও গঠন কৰিছে তেওঁলোকৰ সংখ্যা শতকৰা ২১ ভাগ আৰু ভোট পাইছিল শতকৰা ২৭ ভাগ। তেখেতে এইটো আশা কৰিছে যে জনতা চৰকাৰৰ কৰ্ম পন্থা ভৱিষ্যতে ভোটাৰৰ সমৰ্থনত বঢ়াব তাক মই ভোটাৰৰ সংখ্যা ২৭ ৰ পৰিবৰ্ত্তে ৭২ হব বুলি আশা ৰাখিছো। মিঃ স্পীকাৰ চাৰ, যেতিয়া আমি এখন দেশক স্বাধীন বুলি বোজো তেতিয়া সেই দেশৰ মানুহে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক স্বাধীনতা পালে সেই খন দেশে আচল স্বাধীনতা বুলি কব পাৰি। কিন্তু এই ৩০ বছৰীয়া শাসনৰ ফলত ভাৰতবৰ্ষৰ ৰাজনৈ স্বাধীনতা, অৰ্থনৈতিক স্বাধীনতা আৰু সামাজিক স্বাধীনতা কি গতিত কোন ফালে গল সেই কথা সকলোৰে পৰিলক্ষিত হৈছে। যোৱা ১৯৭৭ চনৰ লোক সভাৰ নিৰ্বাচনৰ সময়ত জনতা দলে ৰাইজৰ ওচৰত প্ৰতিশ্ৰুতি দিলে যে আমি ৰাইজৰ মাজত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৰ উন্নতি সাধন কৰিম। মিঃ স্পীকাৰ চাৰ, আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে ৰাজনৈতিক স্বাধীনতা মোটামুটি ভাবে কিছু সাধন হল যদিও অৰ্থনৈতিক স্বাধীনতা একে দিনৰ ভিতৰতে বদলাব পৰা বস্তু নহয়। আমি অৰ্থনৈতিক স্বাধীনতা বুলিলে অন্ততঃ এইটো বুজিব লাগিব মানুহে দুবেলা দুমুঠি আহাৰ খাব পায়। কিন্তু ভাৰতবৰ্ষই ১৯৪৭ চনত স্বাধীনতা লাভ কৰাৰ সময়ত শতকৰা ৪০ জনে দুবেলা দুমুঠি খাবলৈ নাপাইছিল। আৰু যোৱা ৩০ বছৰে আমাৰ কংগ্ৰেছী শাসনত আমাৰ ৰাইজৰ ইমান উন্নতি হল যে ৩০ বছৰত ৩০ বাঢ়ি শতকৰা ৭০ জন দৰিদ্ৰতাৰ সন্মুখীন হল। ৰাইজে ভাবিলে যে প্ৰতি বছৰে যদি এই দৰে এট এটাকৈ বাঢ়ি যায় তেনেহলে আৰু ৩০ বছৰ যদি চলাব লগীয়া হয় তেনেহলে কি পৰিমান হব সেইটো উপলব্ধি কৰিয়েই আগৰ চৰকাৰ বদলাই পেলালে। কিন্তু এইটো থিক যে জনতা চৰকাৰে যদি এই বিলাকৰ সালসলনি কৰিব নোৱাৰে এই চৰকাৰৰো একে পৰিনতিয়েই হব। গতিকে জনতা চৰকাৰে এইটো থিক কৰিছে যে অহা ১২ বছৰৰ ভিতৰত মানুহে দুবেলা দুমুঠি খোৱাৰ সুবিধা কৰিব্দিম।

তেখেতে দহ বছৰত কৈছে, দহ বছৰত হলে আৰু ভাল হয়। আমাৰ ভাৰতবৰ্ষত দুটা শ্ৰেণীৰ মানুহ আছে এটা হৈছে ধনী আৰু আনটো হৈছে গৰীব। ধনী বিলাক দিনক দিনে ধনী হৈ গৈছে আৰু গৰীব সকলৰ দিনক দিনে অৱস্থা বেয়া হৈ আৰু গৰীব হৈছে। আমাৰ জনতা চৰকাৰে প্ৰতিশ্ৰুতি দিছে এই দুটা শ্ৰেণীৰ ভেদাভেদ অৱস্থাৰ পৰিবৰ্তন কৰি অন্তত দুবেলা দুমুঠি খাবলৈ সুবিধা দিব। এই উদ্দেশ্যে কংগ্ৰেছৰ শাসনত কেইবাটাও পৰিকল্পনা লৈছিল আৰু সেই পৰিকল্পনাবোৰৰ পৰা কোনো লাভ নহল। গতিকে জনতা চৰকাৰে এতিয়া মোটামুটি ভাবে অন্নবস্ত্ৰৰ, থকা ঘৰ আদিৰ চিকিতসাৰ সুবিধা কৰি দিব। এই উদ্দেশ্যে জনতা চৰকাৰে কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। কিয়নো ভাৰতৰ শতকৰা আশী ভাগ মানুহ গাৱত বাস কৰে আৰু শতকৰা ৭৫ জন লোক কৃষিৰ ওপৰত জীৱন যাপন কৰে। গতিকে সচাঁকৈ যদি ভাৰতৰ মানুহৰ উন্নতি কৰিব লগা হয় তেতিয়াহলে কৃষিৰ উন্নতি কৰিব লাগিব। সেই কাৰণে কৃষকৰ যি অসুবিধা আছে সেইটো দূৰ কৰিবৰ কাৰণে জনতা চৰকাৰে চেষ্টা কৰিছে। সেই উদ্দেশ্যে প্ৰথম খেপত প্ৰতি খেতিয়কক, গৰীব লোকক ১০ বিঘালৈ মাটিৰ খাজনা ৰেহাই দি কৃষকক অলপ উতসাহ দিয়াৰ ব্যৱস্থা কৰিছে। লগতে ১০ বিঘা মাটিলৈ খাজনা মাফ দিয়াৰ যি নীতি কৰিছে সেইটোত চৰকাৰে লক্ষ্য ৰাখিব লাগিব যাতে ধনী মানুহে বেনামী ট্ৰেনজেকচনৰ নামত সুবিধা লব নোৱাৰে। এই সাৱধানতা অবলম্বন কৰিলে ভবিষ্যতে কামত আহিব বুলি আশা ৰাখিছো। জনতা চৰকাৰ এই বিষয়ত ততপৰ হব। তাৰ পিচত জনতা চৰকাৰে কৈছে যে সমাজৰ যি ভেদাভেদ, তাৰতম্য, উচ্চনীচ ব্যৱস্থা আছে তাক যদি আতৰ কৰিব পৰা নাযায় তেন্তে দেশৰ কোনো প্ৰকাৰৰ শান্তি হব নোৱাৰিব। এই উদ্দেশ্যে সমাজৰ মাজত থকা অস্পশ্যতাক দণ্ডনীয় বুলি ঘোষণা কৰিছে। অস্পৃশ্যতাৰ নাম যদি কাৰোবাক অৱহেলা কৰে তেন্তে দণ্ডনীয় হব আৰু এইটো আতৰ কৰিবৰ কাৰণে চেষ্টা কৰিছে। এই আটাইবোৰৰ গুৰীত আমি এটা বস্তৰলৈ লক্ষ্য ৰাখিব লাগিব সেইটো হৈছে শিক্ষা। যদি মানুহ বিলাক শিক্ষিত নহয় তেনেহলে ভুল সমাজত ৰৈ যাব। এই উদ্দেশ্যে জনতা চৰকাৰে শিক্ষাৰ এটা আলোম পৰিবৰ্ত্তন আনি দিব বুলি আশা কৰিছো। সেই উদ্দেশ্যে জনতা চৰকাৰে প্ৰতিশ্ৰুতি দিছে যে আমি ১২ বছৰৰ ভিতৰত অন্তত বাকী মানুহক মাধ্যমিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিম। আমাৰ অসমত প্ৰায় ২৬ হাজাৰ গাঁও আছে আৰু ২০ হাজাৰতকৈ অলপ বেচি প্ৰাইমাৰী স্কুল আছে। স্বাধীনতা পোৱা ৩১ বছৰলৈকে অসমত প্ৰতি খন গাঁৱত প্ৰাইমাৰী স্কুল হোৱা নাই। জনতা চৰকাৰে মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰি দিম বুলি কৈছে। যদি এইটো কৰি দিব লগা হয় তেন্তে জনতা চৰকাৰৰ কৰ্ত্তব্য আছে। আজি প্ৰাইমাৰী স্কুল বিলাকৰ অবস্থা কি? এই স্কুল বিলাকৰ বেৰ নাই, চাল নাই। কন কন লৰা ছোৱালীয়ে শিক্ষা আহৰণ কৰিবলৈ যাঁওতে বৰষুণ হলে স্কুলত থাকিব নোৱাৰে। জনতা চৰকাৰে এই বিলাক ক্ষেত্ৰত মনোনিবেশ দিব। প্ৰাইমাৰী স্কুল ভাল হলে লৰা ছোৱালী ওলাব আৰু এম, ই, হাইস্কুললৈ আহিব। আজি দেখিছো মাধ্যমিক শিক্ষাৰ উন্নতি হোৱা নাই। জনতা চৰকাৰে যদি এই নীতি সালসলনি নকৰে তেন্তে চৰকাৰে শিক্ষাৰ উন্নতি কৰিব নোৱাৰিব। মই আশা ৰাখিছো জনতা চৰকাৰে মাধ্যমিক শিক্ষাক উন্নত ধৰণৰ কৰিবৰ কাৰণে আঁচনি লব।

তাৰ পিচত মই হাই স্কুলৰ শিক্ষক সকলক বি, টি ট্ৰেইনিং দিয়া সম্পৰ্কত কব বিচাৰিছো। বি, টি প্ৰশিক্ষণ লবলৈ যোৱা শিক্ষক সকলক দেখিছো ফেইল কৰে। যদি শিক্ষক সকলেই ফেইল কৰে তেন্তে ছাত্ৰ সকলক কেনেকৈ পঢ়াব। শিক্ষক সকলে বিটিত কিয় ফেইল কৰে? ইয়াৰ কেৰোণ কত? এই কেৰোণ আতৰ নকৰিলে আমি বি, টি ট্ৰেইনিং দিও শিক্ষা দিব নোৱাৰিম। লগে লগে মাধ্যমিক স্কুলত শিক্ষা প্ৰদান কৰিব নোৱাৰিব। আমি জানো অসমত সাত খন ট্ৰেইনিং কলেজ আছে। পোষ্ট গ্ৰেজুৱেট

ট্ৰেইনিং কলেজ, যোৰহাট, গোৱালপাৰা গৰ্ভনমেণ্ট বি, টি কলেজ, ডিব্ৰুগড় ইউনিভাৰ-চিটি বি, টি ক্লাচেচ, এই তিনি খন হল চৰকাৰী। বাণীকান্ত বি, টি কলেজ, চিলচৰ বি', টি কলেজ, নগাঁও বি,টি কলেজ, কোকৰাঝাৰ বি, টি কলেজ এই কেইখন হল প্ৰাইভেট কলেজ । এই প্ৰাইভেট কলেজ বিলাকত শিক্ষক সকলে ভাল শিক্ষা নাপায়। তাত পঢ়িবলৈ যোৱা শিক্ষক সকলে কেৱা বাৰো ফেইল কৰে। সেই শিক্ষক সকলে স্কুলত পঢ়োৱাৰ ফলত ফেইলৰ সংখ্যা বাঢ়িছে। বছৰি এই শিতানত ১৫-১৬ লাখ টকা খৰচ হৈ আছে। প্ৰশিক্ষণৰ কাৰণে এই টকা কোনো কামত অহা নাই। আমি দেখিছো গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি', টিৰ পাচকৰা হাৰ শতকৰা ৩৫ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাচ কৰা হাৰ শতকৰা ২০। বি, টি কলেজত পঢ়িবলৈ অহা এই শিক্ষক সকলৰ পাচ কৰে শতকৰা ২৭ জনে। এই সকলৰ পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ কাৰণ দূৰ যদি নকৰে যি চৰকাৰেই নাহক কেতিয়াও দেশত ঠিক ধৰণৰ শিক্ষা দিব' নোৱাৰিব । প্ৰাইভেট কলেজ কেইখনক ৰেকাৰিং মেইনটেনেন্স গ্ৰাণ্ট ১৫ হাজাৰ টকা দিয়া হয়। এই ১৫ হাজাৰ টকা সেই স্কুলৰ প্ৰিন্সিপালৰ এবছৰত হয়। বাকী শিক্ষকৰ বাবে টকা নাই। গতিকে যেনেকৈ শিক্ষকে প্ৰশিক্ষণ পাব লাগে নাপায় ।

ফলস্বৰূপে একো শিক্ষা নহয় । যিবোৰ কলেজত প্ৰশিক্ষণৰ ক্ষেত্ৰত ভাল শিক্ষা দিব' নোৱাৰে তেওঁলোকে যদি তেনে কলেজতে ডিগ্ৰী লয় তেতিয়াহলে তাৰ পৰা গৈ তেওঁলোকে কি শিক্ষা দিব সেইটো সহজে অনুমেয় । উদাহৰণ স্বৰূপে এটা কথা কব খুজিছো যে আমাৰ ইয়াত বাণীকান্ত বি-টি কলেজ আছে । ১৯৬৮ চনত এই কলেজ স্থাপন হয় । আগৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বি-টি চেকচন উঠাই দিয়া হল আৰু বাণীকান্ত কলেজতে বি-টিৰ প্ৰশিক্ষণ দিয়াৰব্যৱস্থা কৰা হল । এতিয়া প্ৰায়ভাগ শিক্ষকেই বাণীকান্ত কলেজত শিক্ষা লাভ কৰে । কিন্তু শিক্ষক সকলৰ থকা-মেলাৰ কোনো সুবিধা নাই । গুৱাহাটী মহানগৰীতঘৰ-দুৱাৰ বিচাৰি কটাব লাগে নহয় কোনো হোটেলতে থাকিবলগীয়া হয় তুবা কোনো মানুহৰ ঘৰত থাকিবলগীয়া হয় । তাৰ ফলত পঢ়াশুনা ঠিকমতে কৰিব নোৱাৰে । বিশ্ববিদ্যালয়ৰ বি-টি কলেজ থকা সময়ত যিহেতু বিশ্ব-বিদ্যালয়তে বিজ্ঞানাগাৰ আছে তাত বিজ্ঞানৰ শিক্ষা লব পাৰিছিল । কিন্তু বিশ্ববিদ্যালয়ৰ পৰা বি-টি ক্লাচ ড্ৰপ হোৱাৰ ফলত যি বিলাক শিক্ষকে বি-এচচি পাচ কৰিছে সেই সকল শিক্ষকে বি-টি কলেজত বিজ্ঞানৰ পৰিবৰ্ত্তে আন বিষয় লবলগীয়া হয় । এইটো কেনে আচৰিত কথা । পঢ়ি আহিছে বি-এচচি, পাচ কৰিছে বিজ্ঞান শাখাত অথচ প্ৰশিক্ষণ লবলৈ আহিছে আন এটা বিষয়ত । এই ক্ষেত্ৰত ফেল নকৰাটোহে অস্বাভাৱিক কথা । সেই কাৰণে ঘূৰি গৈ হাইস্কুলত ভাল ধৰণে শিক্ষা দিব নোৱাৰে । সেই কাৰণে এই বিলাক কথা চালিজাৰি চাই দৰকাৰ মতে অদল বদল কৰিব লাগে । আগতে ট্ৰেইনিং কলেজৰ লগতে ডেমোনষ্ট্ৰেচন চেকচনৰ বাবে স্কুল থকাৰ দিহা কৰিব লাগে । কিয়নো হস্পিটাল নোহোৱাকৈ মেডিকেল কলেজ যেনেকৈ মূল্যহীন তেনেকৈ ডেমোনাষ্ট্ৰেচনৰ বাবে স্কুল নোহোৱাকৈ ট্ৰেইনিং কলেজ থকাও মূল্যহীন কথা ভাৰতবৰ্ষৰ আন আন ৰাজ্যত বি-টি কলেজৰ লগতে ডেমোনষ্ট্ৰেচন স্কুল আছে । সেই স্কুল বিলাকৰ পৰা ঠিক ধৰণে শিক্ষা লব' পাৰে আৰু ঘূৰি গৈ স্কুলত ভাল ধৰণে শিক্ষা দিবও পাৰে, ফলত প্ৰশিক্ষণ দিয়াৰ ফল পোৱা যায় । কিন্তু আমাৰ ইয়াত এই অসুবিধা এতিয়াও আছে ।

(সময়ৰ সংকেত)

মাননীয় অধ্যক্ষ মহোদয়, আৰু অকণমান কথা এই বিষয়ে কবলগীয়া আছে । গতিকে ৰাজ্যখনত যদি সচাঁকৈয়ে মাধ্যমিক শিক্ষা উন্নত কৰিব খোজা যায় তেতিয়াহলে অনতিপলমে প্ৰশিক্ষণ ব্যৱস্থাৰ উন্নতি সাধন কৰিব লাগিব । তাকে নকৰি দৰকাৰী বস্তুৰ

যোগান নৰ্ধাৰ কেৱল বি-টি প্ৰশিক্ষণৰ নামত বছৰি ষোল্ল সোতৰ লাখ টকা খৰচ কৰি থাকিলেই প্ৰশিক্ষণ ব্যৱস্হা উন্নত হব নোৱাৰে আৰু শিক্ষাদান ব্যৱস্হাৰো কোনো উন্নতি পৰিলক্ষিত হব নোৱাৰে। গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো যাতে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এই বিষয়ত উন্নতি সাধন কৰে।

অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মোৰ সমষ্টিৰ দুই এটা কথা কব' বিচাৰিছো। মোৰ বৰক্ষেত্ৰী সমষ্টিটো এটা সমস্যাবহুল সমষ্টি। দুটা ভাগৰ এভাগত বৰভাগ আৰু আন ভাগ বৰক্ষেত্ৰী। বৰভাগত উপৰবৰভাগ মৌজা আৰু বৰক্ষেত্ৰীৰ চাৰিটা মৌজা। বহুবিলাক সমস্যাৰ ভিতৰত সমষ্টিটোৰ মাত্ৰ দুটা অতি জৰুৰী সমস্যাৰ কথা সদনৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। আটাইতকৈ ডাঙৰকথা হৈছে বৰভাগ মৌজাটো বছৰেকত ছমাহেই পানীৰ তলত পৰি থাকে আৰু বাৰিষাৰ দিনত ক্ষেত্ৰী মৌজাৰ চাৰিওটা অংশ ব্ৰহ্মপুত্ৰৰ কৰাল গ্ৰাসত দিনক দিনে বিলীন হৈ যাব ধৰিছে। মধ্যম বৰক্ষেত্ৰী আৰু পূব বৰক্ষেত্ৰী ইতিমধ্যে আধা আধাকৈ ব্ৰহ্মপুত্ৰৰ তলত। এতিয়া কথা হল বৰভাগ মৌজাৰ মানুহখিনি বচাবলৈ হলে পানীৰ পৰা ত্ৰাণ পোৱাৰ দিহা কৰিব লাগিব আৰু বৰক্ষেত্ৰীৰ মানুহক বচাবলৈ হলে তাত প্ৰটেকচনৰ ব্যৱস্হা কৰিব লাগিব। আজি ইমান দিনে আমি এই দুটা কথাকে কৈ আহিছো কিন্তু আজিলৈকে ইয়াৰ একো নহল। আমি আশা কৰিছো নতুন জনতা চৰকাৰে ইয়াৰ সুব্যৱস্হা গ্ৰহণ কৰি আজি কুৰি বছৰ ধৰি জুৰুলা হোৱা মানুহখিনিক উদ্ধাৰ কৰাৰ ব্যৱস্হা কৰিব। অধ্যক্ষ মহোদয়, ইয়াতকৈও জৰুৰী কথা আন এটা হ'ল বৰক্ষেত্ৰী অঞ্চলৰ চৰ অঞ্চলত বাস কৰা লোকসকলৰ কথা। তেওঁলোক আজি বিশ পচিশ বছৰ ধৰি বাস কৰি আছে। গড়াখহনীয়া পীড়িত কাৰণে তেওঁলোকক মাটিৰ পট্টন দিয়া হৈছিল। কিন্তু দেখা যায় যদিও একে গড়াখহনীয়া দ্বাৰা সকলোখিনি লোক আক্ৰান্ত হৈছে তথাপি কিছুমানক ন বিঘা, কিছুমানক পাচ বিঘা, কাৰোবাক আকৌ আঢ়ৈ বিঘা বা ডেৰ বিঘাকৈ পট্টন দিয়াৰ উদাহৰণ আছে। এতিয়া কথা হল যদি পট্টা দিয়া হয় সমানে দিব লাগে কিয়নো সমানে গড়াখহনীয়া দ্বাৰা ক্ষতিগ্ৰস্ত হৈছে গতিকে সমান অংশৰ মাটিৰ পট্টন পাব লাগে। একেই পানীৰ প্ৰকোপত একেই ভাবে ডুব যায় গতিকে এইটো সমান ব্যৱস্হা লব লাগে। গতিকে মই এই কথা অধ্যক্ষ মহোদয়ৰ জৰিয়তে নতুন জনতা চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো আৰু অনতিবিলম্বে এই মানুহখিনিৰ কাৰণে যথোপযুক্ত ব্যৱস্হা লবলৈ নতুন চৰকাৰক অনুৰোধ জনালো। এই ক্ষেত্ৰত এটা খৰতকীয়া তদন্ত কৰি সকলোকে সমান প্ৰাপ্য দিয়াৰ ব্যৱস্হা কৰিব বুলি আশা কৰিলো। অৱশেষত মই ৰাজ্যপালৰ ভাষণক পুনৰবাৰ সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**শ্ৰীনেপাল চন্দ্ৰ দাস**:— মাননীয় অধ্যক্ষ মহোদয়, রাজ্য পালের ভাষনের উপর আমার কিছু বক্তব্য রাখার আগে আমি আমাদের নবগঠিত জনতা সরকারকে অভিনন্দন জানাচ্ছি। আমার পূর্বে জনতা দলের মাননীয় সদস্য বলেছেন যে বারো বৎসর সময়ের মধ্যে তাঁরা জনসাধারনের যে সামান্যতম প্রাপ্য— ভাত এবং কাপড়ের যোগার, তা তাঁরা করে দিতে পারবেন। কিন্তু আমি তাদের কথায় কোন ভরসা পাচ্ছি না। কারন, আসামের জনতা সরকার যে মাটির উপর দাঁড়িয়ে রয়েছে সে মাটি খুবই নরম।

অধ্যক্ষ মহোদয়, জনতাদলের মাননীয় সদস্যগণ বলেছেন যে বিগত ৩১ বছরে, কংগ্রেসী শাসনকালে কংগ্রেসী সরকার জনগণের জন্য কিছুই করেন নি। একথা বলা হয়তো ঠিক হবে না। কারণ বিগত ৩১ বছরে কংগ্রেসী সরকার অনেক কিছু করেছে আবার অনেক কিছু করতেও পারেনি। তাই আমি বলছি, —যেগুলি কাজ আমাদের সরকার এতদিন করতে পারেনি সেগুলি যেন নবগঠিত জনতা সরকার অতি শীঘ্র করার চেষ্টা করেন। আমি তাদেরকে এই আহবান জানাচ্ছি। আমি আশা করি কংগ্রেস আমলে যেগুলি কলুষিত এবং অরাজকতায় পূর্ণ ছিল সেগুলি জনতা সরকার আশা করি দূর করবেন।

অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষনে নবগঠিত জনতা সরকারের যে কার্যসূচী রচিত হয়েছে তা দেখে আমার মনে হয় আসামবাসী দরিদ্র জনসাধারণ গণ নিরাশ হয়েছেন। সেই কথা বলতে গিয়ে আমি বলবো যে গরীব লোকদের সাহায্য করাব নামে যতটুকু কাজের কথা রাজ্যপালের ভাষনে বলা হয়েছে তাতে শুধু গরীবরাই উপকৃত হবে না, ধনীরাও সমানভাবে উপকৃত হবে। এখানে প্রায় প্রত্যেক মাননীয় সদস্য ১০ বিঘা মাটীর খাজনা রেহাই সম্পর্কে বলেছেন। কিন্তু প্রত্যেক মাননীয় সদস্যগণ জানেন যে এতে গরীব লোকেরা উপকৃত হবে না। ধনীরাই কেবল উপকৃত হবে। কারণ যাদের ৫০।৬০ বিঘা জমি আছে তারা আত্মীয় স্বজনদের মধ্যে জমি ভাগ করে দেবে এবং ফলে তাদের আর খাজনা দেওয়ার প্রয়োজন হবে না।

মহোদয়, আর একটা কথা—,ল্যাণ্ড রিফর্ম সম্পর্কে রাজ্যপালের ভাষণে কোন উল্লেখ নাই। যদিও জনতা সরকার বারবার বলছেন যে ভূমিহীনদের মধ্যে জমি বিতরণ করা হবে। কিন্ত আমি আশা করবো যে পুরাতন কংগ্রেস সরকাবের কাজকর্মে যেসব গলদ ছিল তা নবগঠিত জনতা সরকার ঠিক করবেন।

অধ্যক্ষ মহোদয়, বন্যার ব্যাপারে বলা হয়েছে যে ১৯৭৭ ইংরাজীর জুন মাসে যে বন্যা হয়েছিল তাতে কেবল ডিব্রুগড়, বরপেটা মহকুমা, মজুলি, ধেমাজি মহকুমা ডিব্রুগড় শহর, যোরহাট শহর ক্ষিতিগ্রস্ত হয়েছে। এতে কাছাড়ের কথার উল্লেখ না থাকায় আমি দুঃখিত। সে বন্যায় কাছাড়ের লক্ষ লক্ষ মণ আর্লি আহু ধান, বরোধান নষ্ট হয়েছে।

মাননীয় অধ্যক্ষ ঃ—মাননীয় সদস্যকে আমি ৬ মিঃ এর জায়গায় ৭ মিঃ সময় দিয়েছি। সময় দিয়েছি।

**শ্রীনেপাল চন্দ্র দাস ঃ—** মহোদয়, আমি আর একটা কথা বলতে চাই যে রাজ্যপালের ভাষনে বরাক ড্যামের কথার উল্লেখ নাই। যে প্রকল্পর প্রস্তাব তৎকালিন সেন্ট্রেল ওয়াটার এণ্ড পাওয়ার কমিশনের চেয়ারম্যান শ্রীকে, এল, রাও ৪র্থ পরিকল্পনার সময় দিয়েছিলেন, আজ ৬ষ্ট পরিকল্পনায়ও তা হবে বলে আমি আশা করতে পারছিনা। আগে এ বিষয়ে মনিপুরের সঙ্গে মতানৈক্য ছিল, কিন্ত এখন তো আমরা মনিপুরের সঙ্গে এ ব্যাপারে একটা মতৈক্যে পৌঁছুতে পেরেছি। আজ তো কোন অসুবিধা নেই। এই বরাক ড্যাম প্রকল্প বাস্তবায়িত হলে জলসিঞ্চনের সমস্যা দূর হবে, অন্ততঃ ৮০ মেঃ ওয়াট বিদ্যুৎ পাওয়া যাবে এবং বেকার সমস্যার অনেক সমাধান হবে।

মহোদয়, রাজ্যপালের ভাষণে গরীব কৃষকদেরে ব্যাংকের মাধ্যমে কৃষি ঋণ দেওয়ার কোন উল্লেখ নাই বলে আমি দুঃখিত। আশা করি জনতা সরকার ব্যাংকের মাধ্যমে গরীব কৃষকদের ঋণ দিয়ে কৃষি করতে সাহায্য করবেন।

মহোদয়, আমি সমবায় সম্পর্কে একটি কথা বলতে চাই। মাননীয় সদস্য আলতাফ হোসেন মজুমদার মহাশয় তাঁর বক্তৃতায় বলেছেন যে সমবায়ের ফলে অনেক আর্থিক ক্ষতি হয়েছে। কিন্তু আমি জানি সমবায়ে কোন আর্থিক ক্ষতি হয়নি উপরোন্ত ১৯৭৬ ইংরাজীতে প্রবল বন্যার সময় ক্ষতিগ্রস্ত জনসাধারনকে এই সমবায়গুলি যথেষ্ট সাহায্য করেছে। আমি আশাকরি নবগঠিত জনতা সরকার এই সমবায় সমিতিগুলির উন্নতি সাধন করবেন।

এবার আমি যোগাযোগ ব্যৱস্হা সম্পর্কে বলব। আমার সমষ্টি ২টা মহকুমার অংশ নিয়ে গঠিত। সেখানে শ্রীকোনা হতে আলগাপুর ভায়া কুয়ারপার মোহনপুর যে রাস্তা আছে তা বিগত ৩০ বছর আগে যেমন ছিল তেমনি আছে। বৃষ্টি পড়লে আসা-যাওয়ার বিশেষ করে মোটর গাড়ী চলাচলের প্রচণ্ড অসুবিধা হয় এবং সেখানে কোন হাসপাতালের ব্যবস্হা নাই। সেখানে রাস্তায় পিচ হলে জনসাধারনের অনেক সুবিধা হবে। তাছাড়া সেখানে দুইটা হাসপাতাল স্হাপন করার জন্য নবগঠিত জনতা সরকারকে আমি অনুরোধ করছি।

(ভয়েস ঃ কংগ্রেসকে একটু গালাগালি দিন)

--সকলেরই দোষত্রুটি আছে। একথা বলতে গেলে ১৯৬৭ ইং 'তে যেতে হয়।

মহোদয়, চা বাগানের ছাটাই শ্রমিকদের সুবিধা দেওয়ার কোন কথার উল্লেখ রাজ্যপালের ভাষণে নাই। আমি অনুরোধ করি জনতা সরকার যেন এইসব ছাটাই চা শ্রমিকদেরে পুনর্বহাল করার ব্যবস্হা করেন।

( সময় সংকেত )

মহোদয়, আমি আর একটা কথা বলতে চাই।

( হাসি )

আচ্ছা, তাহলে আমি আমার বক্তব্য শেষ করলাম।

ডঃ তাৰিণি চৰণ দাস ঃ—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত সমৰ্থন জনাই মই দুআষাৰ কব বিছাৰিছো। আমাৰ অসমত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে জন স্বাস্হ্যৰ সম্পৰ্কে যি ব্যৱস্হা কৰি থৈ গৈছে, সি অতি দুখ লগা বিষয়। মই আশা কৰিছো যে নতুন চৰকাৰে আগৰ চৰকাৰৰ পুনৰ আবৃতি নকৰি জনস্বাস্হ্য বিষয়টোত উন্নত কৰাৰ কাৰণে যত্ন লব। আগৰ চৰকাৰে জনস্বাস্হ্যৰ বিষয়টোত কোটি কোটি টকা খৰছ কৰিছিল, কিন্তু ৰাইজে তাৰ পৰা কোনো সুবিধা পোৱা নাই। গুৱাটী মেডিকেল কলেজলৈ যিবিলাক মানুহ আহে, তেওঁলোকে ৫-৭ দিনলৈ ৰাস্তাত বাগৰি থাকে। আৰু কোনোবাই হয়তো অসহ্য যন্ত্ৰনা ভূগি মৃত্যু মুখত পৰে। মানুহ বিলাকে যদি ডাক্তৰৰ ঘৰলৈ গৈ প্ৰাই-ভেটলি টকা ভৰি নেদেখুৱাই তেনেহলে তেওঁলোকে হস্পিটালত চিট নাপায়। চিট পাইও ভাল ব্যৱস্হা পোৱা কথাটো আজি ৩০ বছৰেও কব নোৱাৰিলো। তাত ভাল মানুহ থকা দূৰৰ কথা বেমাৰী এজন চিকিৎসাৰ কাৰণে গলে বেমাৰ ভাল হব চাৰি বেমাৰ বেচিহে হয়। গতিকে মই ভাবো আমাৰ জন প্ৰিয় জনতা চৰকাৰে স্বাস্হ্য বিষয়ত যথেষ্ট মনোযোগ দিব আৰু ভাল ব্যৱস্হা কৰিব। আমাৰ গাঁওত যিবিলাক মানুহ আছে চিকিৎসাৰ অভাবত তেওঁলোকে ভূগি আছে। গতিকে মই ভাবো গাঁও বিলাকত পঞ্চায়ত লেবেলত চৰকাৰী

পৰ্য্যায়ৰ ডাক্তৰখানা কৰি দিয়া উচিত আৰু তাৰ বাবে অনুৰোধ জনালো। আমাৰ বৰপেটা চাৰ্বডিভিজনত ওডালগুৰি লেপ্ৰোচি কোলনিত ১৯৭৬ চনত খগেন দাস নামৰ এজনক খাদ্য যোগানৰ ঠিকা দিয়া হৈছিল। কিন্তু কোনো অনুমোদন নোপোৱাকৈয়েই জিলা স্বাস্থ্য বিভাগে ঠিকা দিছিল। কিন্তু খাদ্য বস্তু মাহৰ ভিতৰত ৭।৮ দিনহে দিছিল। এই বিষয়ে জিলা স্বাস্থ্য বিভাগৰ ওচৰত বহুতো আবেদন নিবেদন কৰিও একো নহল। বেমাৰী বিলাকে নিজেগৈও একো কৰিব নোৱাৰিলে, মই তেতিয়া তাতেই আছিলো। মই যেতিয়া গৈছিলো মোক নানা গালি শপনি পাৰি পঠিয়াই দিছিল। এই বিলাক কথা যদি জনতা চৰকাৰে তদন্ত কৰে তেনেহলে মই নিজেই লুগুত গৈ সকলো প্ৰমাণ পত্ৰ দিব পাৰিম। জনতা চৰকাৰে এই বিলাক তদন্ত কৰা উচিত।আমাৰ এই গাঁও-লীয়া মানুহৰ চিকিৎসাৰ বিষয়টো উচিত যত্নৰে উচিত ব্যৱস্থা কৰিব লাগে। মই আমাৰ জনতা চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো। বৰপেটা চাৰ্বডিভিজনৰ দুৰ্ভাগ্য বুলি কব পাৰি যে তাত বেকী নৈয়ে ডাঙৰ বেমেজালিৰ সৃষ্টি কৰিছে। মহকুমাৰ দক্ষিণ আৰু উত্তৰ অঞ্চল বান পিৰিত হৈ থকা বাবে যোৱা বছৰ খেতি কৰিবলৈ নাপায় মানুহ বিলাকৰ খাবলৈ নোপোৱা অৱস্থা হৈছে। গতিকে অতি সোনকালে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে। মানাস আৰু কালাপানী নামৰ যি দুটা জান আছে সেই জান দুটা বেকী নৈত পেলাই দিব লাগে। বিভাগীয় কৰ্তৃপক্ষৰ পৰা যাতে এইটো কৰা হয় তাৰ বাবে অনুৰোধ জনালো। অধ্যক্ষ মহোদয়, বৰপেটা চাৰ্বডিভিজনত টে কলাৰ জান বুলি যিটো জান আছে তাত ১৯৭১ চনত আমাৰ কংগ্ৰেছ চৰকাৰে ২ লাখ টকা খৰছ কৰি চুইচগেট দিয়াৰ বাবে জানুৱাৰী মাহৰ ২৮ তাৰিখে আৰম্ভ কৰিলে। কিন্তু সম্পূৰ্ণ নহল। ২ লাখ টকাৰ বিলো আনিলে কিন্তু জানটোৰ অৱস্থা তেনেকৈয়ে পৰি থাকিল। গতিকে জনপ্ৰিয় জনতা চৰকাৰৰ ওচৰত এটা অনুৰোধ জনালো যাতে এই জানটোৰ শ্লুইচ গেটৰ কাম অনতি পলমে কাৰ্য্যকাৰী কৰি খেতিয়ক ৰাইজৰ উপকাৰ সাধন কৰে যেন। এইখিনিকৈ মই মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীবিপিন হাজৰীকা:—অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ যি ধন্যবাদ সূচক প্ৰস্তাৱ নগেন শৰ্ম্মা ডাঙৰীয়াই ডাঙি ধৰিছে তাৰ বিৰোধিতা কৰি মই আমাৰ দলপতি শ্ৰীহেমেন দাসৰ প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য আৰম্ভ কৰিছোঁ। অধ্যক্ষ মহোদয়, যোৱা ৩০ বছৰৰ ইতিহাসত কংগ্ৰেছী শাসনে কি কৰিলে আৰু বিশেষকৈ জৰুৰীকালিন অৱস্থাৰ ভিতৰত যি অত্যাচাৰ কৰিছিল তাৰ এটা ইতিবৃত্তি আমাৰ অসমৰ ৰাইজে বিচাৰিছিল, আৰু নতুন চৰকাৰৰ স্পষ্ট দৃষ্টি ভংগীয়ো জানিব বিচাৰিছিল। কিন্তু ৰাজ্যপালৰ ভাষণত আমি সেইটো নাপাই নিশ্চয় হতাশ হৈছোঁ। তাত এটা কথা হবপাৰে এই ৰাজ্যপালৰ ভাষণত হয়তো যোৱা কংগ্ৰেছ চৰকাৰৰ যিবিলাক বেয়া কাম সেইবিলাক ধাকি ৰখাৰ এটা ক্ষীণ প্ৰয়াস মাত্ৰ। আমি দেখিবলৈ পাইছোঁ। অধ্যক্ষ মহোদয়, যোৱা জৰুৰীকালিন অৱ-স্থাৰ ভিতৰত আৰু তাৰ আগতেও নানান ৰাজনৈতিক ঘটনা ঘটিছিল। পুলিশৰ যি অত্যাচাৰ সেই অত্যাচাৰ বিলাকত যে ৰাজনৈতিক হাত আছিল তাৰ এটা নিদৰ্শন ইয়াত থাকিব লাগিছিল।

গেপ্তাৰ, সাময়িক ভাবে বৰখাস্ত এই সকলো বিলাক কৰা হৈছিল ৰাজনৈতিক স্বাৰ্থৰ খাতিৰত। কলেজ শিক্ষক সকলৰ আন্দোলন আৰম্ভ হয় ১০ জুনৰ পৰা আৰু ১০ তাৰিখে মোক গ্ৰেপ্তাৰ কৰা হয়। তাৰ দুই তিনিদিনৰ পিছত জামিনত গলোঁ। তাৰ পিছত মিছাত লৈ আহিছে। অভিযোগ আছিল, ১১ জুন তাৰিখে কলেজ প্ৰিন্সিপাল আৰু প্ৰফেচাৰৰ আগত গুণ্ডামি কৰাৰ কাৰণেই পৰীক্ষা লোৱা সম্ভৱ নহৈছিল। সেইদিনাখনেই চৰকাৰে দেখিবলৈ পাইছিল যে, ডুমডুমাৰ খেলপথাৰত এক উত্তেজিত ভাষণক চৰকাৰ ওফ-ৰাই পেলাবৰ কাৰণে দিয়া হৈছিল। কিন্তু মই সেইদিনা জেলত আছিলো। এনেবিলাক

কামৰ ওপৰত নতুন দৃষ্টিভঙ্গীৰ কথা ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ থাকিব লাগিছিল। এই সন্দৰ্ভতে মই এটা কথা শাসনত অধিষ্ঠিত চৰকাৰক সকিয়াই দিব খুজিছোঁ যে, পুলিচ দলৰ কাৰ্য্যকলাপ আৰু দৃষ্টিভঙ্গী যদি জনতা চৰকাৰে পৰিবৰ্ত্তন নকৰে তেতিয়াহলে, যি ৰাইজে এই জনতা চৰকাৰক শাসনৰ গাদীত উঠাইছে সেই ৰাইজেই এই চৰকাৰৰ বিৰোধে বিক্ষোভ প্ৰদৰ্শন কৰিব। এই খিনিতে মই এটা ঘটনাৰ কথা উল্লেখ কৰিব খুজিছোঁ। যোৱা ২৫।৩।৭৮ তাৰিখে বাদাম ভজালৈ হোৱা এটা সামান্য কথাতে কাজিয়া লগাৰ ফলত ফাকু খেলাৰ দিনা মৰিয়নীত কিছুমান হৰিজনৰ ওপৰত পুলিছে মাৰ ধৰ আৰম্ভ কৰে। তাৰ পিছত খবৰ দি একগাড়ী পুলিচ আহি মতা-মাইকী কোনো বাচ বিছাৰ নকৰাকৈ মাৰধৰ আৰম্ভ কৰে। আগৰ চৰকাৰৰ আমোলত যথেমথে মোৰ পিত কৰাৰ অভ্যাস পৰিবৰ্ত্তন হোৱা নাই কাৰণেই এই ঘটনা সংঘটিত হবলৈ পালে । জনতা চৰকাৰৰ দিনত যাতে এইটো হব নোৱাৰে তাৰ কাৰণে সম্ভৱপৰ সকলো ব্যৱস্থা হাতত লব লাগে। কংগ্ৰেছ চৰকাৰৰ দিনত একোজন পুলিচ অফিচাৰে এনে কিছুমান কাম কৰিছিল যিবিলাক কোনো প্ৰকাৰেই এজন দায়িত্বশীল পুলিচ অফিচাৰৰ উচিত নাছিল। আনহাতে কিছুমান চৰকাৰৰ গৰুৰকত থকা পুলিচ বিষয়া আছে এই সকল গুৱাহাটীতে বহুত-দিন বদলি নোহোৱাকৈ আছে। উচ্চ পদস্থসকলে সাধাৰণ কনিষ্টবল সকলক ঘৰৰ কাম-কাজত ব্যৱহাৰ কৰে। গুৱাহাটীত এই ব্যৱস্থা এতিয়াও চলি আছে। জনতা চৰকাৰে ইয়াৰ প্ৰতিবিধান নকৰিলে ৰাইজ বিক্ষুব্ধ হব।

মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীগোপাল ভাণ্ডাৰ বুলি এখন কুখ্যাত ফাৰ্ম্ম গুৱাহাটীত আছে। যিখনৰ লগত কিছুমান সৰ্ব্বভাৰতীয় প্ৰতিপত্তি থকা কংগ্ৰেছী নেতাৰ নাম ইয়াৰ দুই নম্বৰৰ খাতাত পোৱা যায় । এই বিলাক গোপন কুচক্ৰ চৰকাৰে উদঙাই নিদিলে ৰাইজে বিদ্ৰোহ কৰি উঠিব। ডিটেক্সনত জড়িত থকা পুলিশ বিষয়া কিছুমানৰ কথা যেতিয়া শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই উল্লেখ কৰিছিল তেতিয়া সেই সকলক লগে লগে বদলি কৰা হৈছিল। কি কাৰণে এইটো কৰিবলগীয়া হৈছিল সেইটো চাব লাগে । কংগ্ৰেছ মহাসভাৰ সময়ত পুলিচ বিভাগে টাৰ্পলিনকিনাৰ নামত ২২ লাখ টকা ঘৰ সজাত খৰছ কৰা হৈছিল। কাহিলী পাৰাত এটা প্ৰিণ্টিংপ্ৰেছ কিনা হৈছিল সেইটো এতিয়াও তাতে অচলহৈ পৰি আছে। এজন অফিচাৰে এক্সাইড্ বেটেৰী কিনাৰনামত একলাখ টকা খৰছ কৰিছিল। এই বিষয়ে এটা তদন্ত হবলাগে। তাৰোপৰি ছয় জন পুলিচ কনিষ্ট বলৰ থকা ঘৰৰ কথাকৈ পুলিচ হাউচিং আঁচনিৰ টকা আনি উলুবাৰীৰ ৱায়াৰ-লেছ অফিচৰ ওচৰত এটা ক্লাবঘৰ বনোৱা হয়।

ইয়াতো দুইলাখ টকা খৰছ পৰে। এই বিলাক অনুসন্ধান কৰিব লাগে। ডিব্ৰুগড়ৰ এজন এছ, পিএ অ, চি-ক আদেশকৰিছিল যে, দুৰ্গাপূজাৰ কাৰণে 'কোটা' দিবলাগিব। অসমত নিবনুৱা যথেষ্ট আছে। কিন্তু দশম আৰক্ষী পুলিচ বাহিনীত কাক আৰু কেনেকৈ নিয়োগ কৰা হৈছিল এইটো অনুসন্ধান কৰিলে বহুত ৰহষ্য ওলাব। মঠৰ ওপৰত যিমান বিলাক কুকীৰ্ত্তি সংঘটিত হৈছিল সেই বিলাক লিখিলে এখন মহাভাৰতেই হব ।

তাৰ পিছত জৰুৰীকালীন অৱস্থাত হোৱা নাচবন্দীৰ ক্ষেত্ৰত মই অলপ কব খুজিছোঁ। লুংচাং আৰু অন্যান্য কিছুমান ঠাইত ফৰেষ্টৰিজাৰ্ভৰ পৰা উচ্ছেদ কৰা হৈছিল। অস্থায়ী ভাৱে সেই লোকসকলক থকিবৰ কাৰণে কেম্প কৰি দিছিল। তাত থকাৰ সময়তে সেই মানুহ বিলাকক জোৰজবৰদস্তি 'ভেচেক্‌টমি' কৰিলে। বনৰ গাঁও কেম্পত নাশবন্দি কৰিছিল ৯ জনক। তাৰ ভিতৰত মৰিল ২ জন আৰু তেওঁলোকৰ

নাম হৈছে, — — — যতীন বসুমতাৰী আৰু ভুমেশ্বৰ নাৰ্জাৰী। বালাগাঁও টিলাপাৰা কেম্পত তিনিজনক নাশবন্দী কৰা হৈছিল। তাৰ ভিতৰত হৰ্ষ বাহাদুৰ ছেত্ৰী বোলা এজনৰ মৃত্যু হয়। খাবলৈ নেপাই মৰিছে তিনিজন আৰু তেওঁলোক হৈছে— ৰামবাহাদুৰ প্ৰধান, বীৰ বাহাদুৰ প্ৰধান আৰু ৰণ বাহাদুৰ মগৰ। নাশবন্দিৰ বলি হোৱা লোকৰ সংখ্যা আৰু বহুত আছিল কিন্তু সময়ৰ অভাৱত সেইবিলাকৰ নাম মই উল্লেখ কৰিব নোৱাৰিলো যদিও এইটোকে কওঁ যে, নাশবন্দিৰ ক্ষেত্ৰত বলি হোৱা লোকসকলক নানা ধৰণৰ ক্ষতিপূৰণ আদি দিয়াৰ প্ৰতিশ্ৰুতি বৰ্ত্তমানৰ কেন্দ্ৰীয় চৰকাৰে দিছিল। গতিকে এতিয়া সেই সকল লোকক দিবলগীয়া ক্ষতি পূৰণ দিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিছোঁ ।

অধ্যক্ষ মহোদয়, তাৰ পাচত আৰু এটা কথা সেইটো হ'ল ৰাজ্যপালৰ ভাষণত দ্ৰব্যমূল্যৰ বৃদ্ধিৰ কথা এৰাই যোৱা হৈছে। এতিয়া মুক্ত বজাৰৰ কথা কোৱা হৈছে। এই মুক্ত বজাৰ এটা বিপদ, আপোনালোকে জানে। মুক্ত বজাৰৰ ফলত আমাৰ ভাৰতবৰ্ষৰ যিসকল অসাধু ব্যৱসায়ী তেওঁলোকক আৰ্নকি পণ্ডিত জৱহাৰলাল নেহৰুৱেও লেম্পপোষ্টত ফাঁচী দিয়া হব বুলি কৈছিল কিন্তু তেওঁলোকক লেম্পপোষ্টত আজি পৰ্য্যন্ত ফাঁচী দিয়া নহল। ইয়াৰ বিপৰীতে আমি দেখিবলৈ পাইছো এই অসাধু বেপাৰীসকলে মুক্ত বজাৰৰ নামত কৃষক সকলৰ বিক্ৰীযোগ্য সামগ্ৰী তেওঁলোকৰ হাতত যদি তুলি দিয়ে বা সংগ্ৰহ কৰি পেলায় আৰু তেওঁলোকে তেওঁলোকৰ গুদামত মজুত কৰিব পাৰে তেনেহলে তাৰ পৰবৰ্ত্তী ব্যৱস্থা কি হব সেইটো আপোনাসবৰ অনুমেয়। কাৰণ তেওঁলোকেই হ'ল পইচাৰো মালিক অৰ্থাৎ বজাৰৰো মালিক। এই স্বাৰ্থান্বেষী একচেতীয়া ব্যৱসায়ীসকলে যদি বজাৰৰ সামগ্ৰীৰ মালিক হয়, আমাৰ চৰকাৰৰ নিজাকৈ কিবা কৰিবপৰা ব্যৱস্হা আছে বুলি মই নাভাবো। দ্ৰব্যমূল্য বৃদ্ধিৰ ক্ষেত্ৰত এতিয়াই তীব্ৰ অৱস্হা হোৱা নাই যদিও ই যে নহব সেইটো কোনেও নুই কৰিব নোৱাৰে। যি সম্ভাৱনা দেখিছো যোৱা ত্ৰিশ বছৰে চলোৱা দেউলীয়া অৰ্থনীতিত যি সংকট সৃষ্টি হৈছিল সেই সংকটৰ কাৰণে এতিয়াই যদি ব্যৱস্হা লোৱা নহয় তেনেহলে মূল্যবৃদ্ধিৰ সমস্যাসমাধান নহব। সেই কাৰণে মই চৰকাৰক আহবান জনাব বিচাৰিছো যে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী যি দহ বিধৰ কথা আমি আমাৰ সংশোধনী প্ৰস্তাৱত কৈছো সেইদৰেই সংগ্ৰহ আৰু বিতৰণ ব্যৱস্হা চৰকাৰে গ্ৰহণ কৰিব লাগে।

(সময়ৰ সংকেত)

নিবনুৱা সমস্যাৰ বিষয়ে অলপ কওঁ। জনতা কংগ্ৰেছৰ ত্ৰিশ বছৰীয়া শাসন কালত আজিলৈকে এক লাখ বাগানৰ মজদুৰ চাটাই হ'ল আৰু বহুত এতিয়াও চিজনেল ওৱাৰ্কাৰ বা ফাল্টু হৈ আছে। বছৰৰ সৰহ সময় তেওঁলোকৰ কাম কৰিবলৈ নাথাকে। গতিকে বাগান বিলাকে প্লেণ্টেচন লেবাৰ এক্ট মতে নিৰ্দ্দিষ্ট পৰিমাণৰ মানুহ নিয়োগ কৰে সেই বিষয়ে চৰকাৰে ব্যৱস্হা লবলাগে। আনহাতে যি সকল আচল বেকাৰ তেওঁ-লোকক বেকাৰ ভাত্তা দিয়াৰ ব্যৱস্হা কৰিব লাগে। কংগ্ৰেছ চৰকাৰে চৌত্ৰিশটা উদ্যোগ হাতত লৈছিল । এই চৌত্ৰিশটা উদ্যোগত নৰৈ পইন্ট তিনি তিনি কোটি টকা নিয়োগ কৰি মাত্ৰ পচানবৈব লাখ লাভ কৰিছে। কিছুমান উদ্যোগত কেৱল মাটি পৰিয়েই আছে। এই খিনিতে আৰু এটা কথা কব লাগিব যে আমাৰ যিটো ৰাজ্যিক বিদ্যুত বোৰ্ড আছে সেই বিদ্যুত বোৰ্ডক ৰাজ্যিক পুঁজিৰ পৰা বিনা সুদত ঋণ দিয়া হৈছে, পাচ হাজাৰ দুশ পচাশ্ন লাখ টকা। ইয়াৰ ওপৰত ইন্ট,ৰেষ্ট শতকৰা পাচ ভাগ হলেও দুশ বাসষ্টি লাখ টকা আমাৰ ৰাজহলৈ আহিলহেতেন। অধ্যক্ষ মহোদয়, আসাম ফাইনেন্স টেক্সৰ বেলিকা আৰু কিছুমান কাঠ উদ্যোগ আৰু ফৰেণ্ট টি,পিৰ গোলঘোগৰ ফলত একোটা বিৰাট

লোকচান হৈ আছে । এই বিলাকৰ মাজত থকা ফাক অৰ্থাত ফৰেষ্ট আৰু উদ্যোগ আৰু টেক্স বিভাগৰ মাজত কোনো সমন্বয় নাই। এই বিলাকৰ মাজত সমন্বয় ৰক্ষা কৰিব পাৰিলে অসমৰ ৰাজহৰ ক্ষেত্ৰত লাভ হব। অসমত চৌত্ৰিশটা এন্টাৰপ্ৰাইজ হৈছে কিন্তু সৰহ ভাগতে লোকচান হৈছে। বিশেষকৈ টি-কৰপোৰেচনৰ কথাকে কওঁ। যত দুই পইন্ট তিনি দুই টকা চৰকাৰে বিনিয়োগ কৰি মাত্ৰ পচপন্ন হাজাৰ টকা লাভ কৰিছে যদিও যোৱা ৩ বছৰত চাহ খেতি খুউব ভাল হৈছিল। গতিকে এই বিলাকত কি কেৰোণ আছে চাব লাগে। তাৰ তুলনাত প্ৰাইভেট কোম্পানী বিলাকে বহুত টকা লাভ কৰিছে। উদ্যোগ নীতিৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত অন্ততঃ কিছু উল্লেখ থকা উচিত আছিল। কিন্তু নাই।

চৌত্ৰিশটা উদ্যোগত বোৰ্ড অব ডাইৰেক্টৰচ্ আছে তিনিশ ছবিবশজন অফিচিয়েল এশ একানবৈ আৰু নন্ অফিচিয়েল এশ পয়ত্ৰিশ জন। এই অফিচিয়েল বা নন্ অফিচিয়েল লোকসকলে কি ধৰণে কাম সম্পাদান কৰিছে, কমাৰ্চিয়েল উদ্যোগত যোগ্য ব্যক্তি আছে নে ৰাজনৈতিক স্বাৰ্থত কাৰোবাৰ অঙ্গহী ৰঙ্গহীয়ে উচ্চ আসন পাই আছেনে সেই বিষয়ে পুংখানুপুংং ভাবে চিন্তা কৰা উচিত। প্ৰাইভেট ইণ্ডাষ্টিৰ ক্ষেত্ৰত আমাৰ যিবিলাক টি-ইণ্ডাষ্ট্ৰি আছে তাত বহুত টকা লাভ কৰিছে। ডুমডুমাৰ টি-কোম্পানীত অসমৰ বাহিৰৰ সাধাৰণ গ্ৰেজুৱেট মানুহ আনি একজিকিউটিভ পদত নিযুক্তি দিছে। অৰ্থাত থলুৱাই সুবিধা নাপায়। এই কেইদিনমানতে তিনিজনক খুব ভাল দৰমহাত নিয়োগ কৰিছে এই সম্পৰ্কে এটা আপত্তি দৰ্শাইছো । নিশ্চয় উদ্যোগ মন্ত্ৰীয়ে তদন্ত কৰি চাব । ডুমডুমা টি কোম্পানী আৰু ইউনিয়নে দুয়োটা মিল হৈ চৰকাৰক আবেদন জনাইছিল যে তেওঁলোকক আগৰ ধৰণে বোনাচ দিব লাগে। কাৰণ তেনেকৈ দিলে বেছিকৈ পায়। যোৱা আগষ্ট মাহতে চৰকাৰৰ ঘৰত দাখিল কৰা হল কিন্তু আজিলৈকে একটিভ কন্চিডাৰেচনতে থাকিল। তেওঁলোক বোনাচৰ পৰা বঞ্চিত হল । যাৰ কাৰণে তেওঁলোকে দুমাহ ষ্ট্ৰাইক কৰিবলগিয়া। হল । অথচ এই কোম্পানীৰে বৰ কৰ্তা সকলে আৰ্নাক ওৱাইফ এলাউন্স পাচশৰ পৰা এহাজাৰ টকা পৰ্য্যন্ত পায়। কিন্তু শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা নহয়। শ্ৰমিক আৰু আমোলাৰ মাজত এই যে এটা বিৰাট গেপ সেই সম্পৰ্কে আমাৰ নতুন জনতা চৰকাৰে নিশ্চয় সুচিন্তা কৰিব। এইখিনি কৈ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীউমেশ দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২১ মাৰ্চ তাৰিখে অসমৰ ৰাজ্যপালে অসম বিধান সভাত দাঙিধৰা ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাইছো। অসমৰ জনসাধৰণে বেছি সন্তোষিত হ'লহেতেন বা সন্তোষ প্ৰকাশ কৰিলেহেতেন যদি ৰাজ্যপালৰ ভাষণত ৩০ বছৰ ধৰি চলি থকা কংগ্ৰেছৰ দুৰ্নীতিৰ কথা কিছুপৰিমাণে উল্লেখ থাকিল হেতেন। বিশেষকৈ জৰুৰীকালীন অৱস্থাতৰ ভিতৰত কংগ্ৰেছ চৰকাৰে অসমৰ জনসাধাৰণৰ মাজত যি সন্ত্ৰাসৰ সৃষ্টি কৰিছিল আৰু যিবোৰ কলংকীত ঘটনাৰ সৃষ্টি কৰিছিলি সেইবিলাকৰ অনুসন্ধানৰ বিষয় যদি উল্লেখ থাকিলহেতেন তেতিয়াহলে আৰু বেছি ভাল হ'লহেতেন।

ৰাজ্যপালৰ ভাষণত জনতা চৰকাৰে ১০ বিঘা মাটিলৈ খাজনা ৰেহাই দিয়া কথাটো উল্লেখ কৰিছে সেইটো সকলোৱে সমৰ্থনযোগ্য আৰু তাৰ কাৰণে আমি নতুন চৰকাৰৰ শলাগ লৈছো । মই বিভাগীয় মন্ত্ৰী মহোদয়ক এটা কথা বিশেষভাৱে অনুৰোধ কৰিব খুজিছো। খাজনা ৰেহাই দি দুখীয়া খেতিয়ক সকলক যেনেকৈ উপকাৰ কৰিব বিছাৰিছে ঠিক তেনেকৈ কিছুমান ঠাইত কিছুমান সমস্যাৰ সৃষ্টি হৈছে। বিশেষকৈ যিবিলাক ৰিজাৰ্ভ অঞ্চল সেই ৰিজাৰ্ভ বিলাকত কংগ্ৰেছ চৰকাৰে নিবৰ্বাচনৰ সময়ত

ভোট আদায়ৰ কাৰণে কিছুমান মানুহক বহুৰাই দিয়ে সেইবিলাকক কিছুমানক তৌজি পট্টা দিয়া হৈছে আৰু কিছুমানক দিয়া হোৱা নাই। এইধৰণে বহুত মানুহক থাকিবলৈ দিয়া হৈছে। নিৰ্বাচনৰ আগতে ভোটৰ কাৰণে এইবিলাক কাম কংগ্ৰেছে কৰিছিল আৰু তাৰ কাৰণে ভীতি প্ৰদৰ্শন কৰি ভোট আদায় কৰা হৈছিল।

যিকি নহওক সেই মানুহ খিনিৰ কোনো ব্যৱস্থা কৰা নাই। আনহাতে ৰিজাৰ্ভ-বিলাকত যে সেই মানুহ বিলাক থাকিবলৈ দিলে তাৰ বাবে চৰণীয়া পথাৰ বিলাকত থকা মানুহ খিনিৰ গৰু মহৰ কাৰণে ডাঙৰসমস্যা হৈছে। তাৰ ওপৰিও এই ৰিজাৰ্ভ-বিলাকত যি বিলাক মানুহে বসবাস কৰি আছে এচাম মানুহে ভাবে তেওঁলোকক উচ্ছেদ কৰিব লাগে, কিন্তু আন এচামে ভাবে ২৫-৩০ বছৰ ধৰি যিবিলাকে বসবাস কৰি আছে তেওঁলোকক তাতে পট্টা দিব লাগে। এইদৰে তাত এটা বিভেদৰ সৃষ্টি হৈছে। বকো সমষ্টিৰ লটবীয়া, মন্দিৰা, মাৰ্কোলি, তামুলদি ৰিজাৰ্ভৰ নাম উল্লেখযোগ্য। বিভাগীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাওঁ কেনেকৈ এইবিলাক সমাধান হয় তাৰ চেষ্টা চলাব লাগে।

মই মোৰ সমষ্টিৰ কথা কবলৈ যাওতে বকো সমষ্টিৰ এটা কথা বিশেষকৈ কব বিচাৰিছো বকো আৰু ছয়গাঁও সমষ্টিৰ ভিতৰত ছয়গাঁওত এটা মাত্ৰ চাৰ্কোল অফিচ আছে। নগৰবেৰা আদি অঞ্চলৰ প্ৰায় ৫০-৫৫ মাইল দূৰৈৰ পৰা মাটিৰ দলিল পত্ৰ আদি কৰিবলৈ মানুহ বোৰ ইয়ালৈ আহিব লগীয়া হয়। আনহাতে এই পিছপৰা অঞ্চলত ৰাষ্টা -ঘাটৰ সুবিধা নায়। গতিকে বহু মানুহে অনেক অসুবিধাৰ মাজেদি ছয়গাঁওলৈ আহিব লগীয়া হয় আৰু এৰেদিনাই ঘূৰি যাব নোৱাৰি বহু টকা পইচাৰ খৰচকৰিও নিশা থাকিযাব লগীয়া হয়। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব খোজো যে ছয়গাঁও চাৰ্কোল অফিচটোৰ ওপৰিও নগৰবেৰা আৰু বকোত দুটা চাৰ্কোল অফিচ অনতি পলমে স্থাপন কৰিব লাগে।

বিশেষকৈ ছমৰীয়াৰ পৰা টুপামাৰিলৈ এই ২০ কিঃ মিঃ বাটৰ অৱস্থা অতি শোচনীয়। অথচ এই অঞ্চলটোৰ জনসংখ্যা ১ লাখৰ ওপৰ হব। টুপামাৰীৰ পৰা চমৰীয়ালৈ মাত্ৰ ১টা মথাউৰি আছে। কিন্তু ৰাস্তা নাই আগৰ কংগ্ৰেছী চৰকাৰৰ আমোলত এই অঞ্চলটোৰ ৰাস্তাৰ বাবে বাৰে বাৰে কোৱাত তেখেতসকলে কৈছিল যে চৰ অঞ্চল বেছিকৈ বানপানী হয় গতিকে তাত ৰাষ্টা বন্ধাৰ কোনো নিয়ম নাই। এইটো কিমান দূৰ সত্য আমি নাজানো। এতিয়া আমি আশা ৰাখিছো আমাৰ জনতা চৰকাৰে এই অঞ্চলটোত ৰাস্তা-ঘাট কৰাৰ ব্যৱস্হা লব। অৱশ্যে যোৱা নিৰ্বাচনৰ আগে আগে ছমৰীয়াৰ পৰা সোনতলিলৈ ৭ কিলো মিটাৰ বাট আগৰ পৰিবহন মন্ত্ৰীয়ে পি, ডব্লিও, ডি'ৰ অধীনত আনি কিছু কাম কৰিলে। জানিব পৰা মতে মঙ্গলদৈ গ্ৰাণ্ট এটা কাটি আনি হেনো এই কাম কৰা হৈছে। নিৰ্বাচনৰ আগে আগে প্ৰাক্তন পৰিবহন মন্ত্ৰীয়ে বকো সমষ্টিৰ প্ৰতি দেখুউৱা এইখিনি মৰমৰ বাবে তেখেতলৈ ধন্যবাদ যাচিছো।

যিয়েই নহওক সোনতলি, ৰত্নবৰী, ডেকাচাং আদি চৰ অঞ্চলবোৰত ৰাস্তা-ঘাট নিৰ্মাণ কৰাৰ ব্যৱস্হা কৰিবলৈ মই পুনৰ চৰকাৰক অনুৰোধ জনাইছো। গাঁৱলীয়া উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভষণত উল্লেখ থকাটো সন্তোষৰ কথা। এই গাঁৱলীয়া অঞ্চলবোৰ বিশেষকৈ বকো সমষ্টিত যোৱা ৩০ বছৰ ধৰি কোনো ৰাস্তা-ঘাটৰ উন্নতি আমাৰ পৰিলক্ষিত নহল। মাত্ৰ নিৰ্বাচনৰ আগে আগে ৪-৫ কিলো মিটাৰ ৰাস্তাৰ চেংচন দিয়া হয় কিন্তু তাৰ কাম সম্পূৰ্ণ কৰা নহয়। অনেক সময়ত ৰাইজৰ অনুনয় বিনয়ৰ অন্তত এৰেকাটা ৰাস্তাৰ কাম হাতত লৈ ১ কিলো মিটাৰ মান কৰাৰ পিছতে আধাৰুৰা কৰি এৰে। সেইকাৰণে মই জনতা চৰকাৰক এই খেলিমেলিবোৰ দূৰ কৰি

ৰাস্তা-ঘাটৰ কাম সম্পূৰ্ণ কৰি ৰাইজৰ আস্থাভাজন হবলৈ অনুৰোধ কৰিছো। এই ক্ষেত্ৰত বিশেষকৈ বকো পয়ৰঙ্গা ৰাস্তা, নগৰবেৰা টিপলাই ৰাস্তাৰ কথা উল্লেখ কৰিব পাৰি।

আন এটা উল্লেখ যোগ্য কথাএই যে, কামৰূপ জিলাৰ সীমামূৰীয়া ঠাই নগৰ-বেৰাৰে কামৰূপ জিলাৰ মাজেৰে যোৱা একমাত্ৰ পথ শিংৰা-নগৰবেৰা পথ। এই পথটো হেকৰা, যোগীপাৰা ডেকাপাৰা, মন্দিৰা অঞ্চলৰ ৰাইজে "শিবিৰ পাতি" নিৰ্মাণ কৰিছিল। কিন্তু ৰাইজৰ আবেদন নিবেদনৰ মূৰত সেই ৰাষ্টাটো অসম চৰকাৰৰ P.W.D. বিভাগে লয়। কিন্তু অতি দুখৰ বিষয় এই যে, ৰাষ্টাটো P.W.D. বিভাগে কোনো Sarvey নকৰাকৈয়ে ৰাইজে বন্ধা ৰাষ্টাৰ ওপৰত কেইটামান শিলগুটি চতিয়াই দি P. W. D. ৰ অধিনলৈ আনে। ফলত খৰালি ৪।৫ মাহমান সেই ৰাষ্টাটো যাতায়তৰ উপযোগী হৈ থাকে আৰু বাৰিষা হলে পানীৰ তল যায়। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক জনাব খোজো যাতে অনতি পলমে সেই ৰাষ্টাটো বহল আৰু ওখ কৰি সেই অঞ্চলৰ ৰাইজৰ দুখ দুৰ্গতিৰ লাঘব কৰে।

ৰাজ্যপালৰ ভাষণত ৰেল আৰু পথ পৰিবহনৰ উন্নয়নৰ প্ৰচেষ্টাৰ কথা কোৱা আছে। এই ক্ষেত্ৰত কব খুজিছো যে ৰাজ্যপালৰ ভাষণত ব্ৰহ্মপুত্ৰৰ ওপৰত বিশেষকৈ যোগীঘোপা, শিলঘাট আৰু ডিব্ৰুগড়ত দলং নিৰ্ম্মাণ কৰাৰ কথা আছে। তিনচুকীয়ালৈ ব্ৰডগজ ৰেল লাইন প্ৰসাৰণ কৰাৰ কথা আছে। কিন্তু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে গোৱাহাটীৰ পৰা যোগীঘোপালৈ ৰেল লাইনৰ কথা উল্লেখ থকা হলে ভাল আছিল কিয়নো এই অঞ্চলটো গুৱাহাটীৰ পৰা গোৱালপাৰা জিলালৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে কোনো ৰেল লাইনৰ যোগাযোগৰ ব্যৱস্থা নায়। গতিকে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিব লাগে। চমৰীয়া, সোনৰ্তালি, টুপামাৰি আদিলৈ মটৰ গাড়ী চলাচলৰ ব্যৱস্থা নাই। সেই অন্তৰায় দূৰ কৰিবলৈ চমৰীয়া আৰু জলজলী নদীৰ ওপৰত দুখন দলং নিৰ্ম্মাণ কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাওঁ। আগৰ চৰকাৰৰ দুখন হাতৰ ইখনৰ লগত সিখনৰ মিল নোহোৱাৰ কথা এটা মই কব খুজিছো। সেই হাত দুখন হল পি, ডাব্লিউ, ডি আৰু ই, এণ্ড, ডি। শোৱালকুচি এখন ঔদ্যোগিক গাঁও। এই গাঁও খনৰ পৰা গুৱাহাটীলৈ যোগাযোগ কৰিবৰ বাবে ৰাস্তা নাই। শোৱালকুচিৰ পৰা শিঙিমাৰিলৈকে যিটো মথাউৰী আছে তাত গাড়ী চলাবলৈ অনুমতি দিবলৈ ৰাইজে অনুৰোধ কৰাত অনুমতি দিয়া হল। ই, এণ্ড, ডি বিভাগৰ এই ৰাস্তাসে পি, ডব্লিউ, ডিয়ে নোলোৱাৰ বাবে ৰাইজৰ অনেক অসুবিধা হৈছে। ৰোগী এজন চিকিৎসাৰ কাৰণে আনিবৰ হলে বাটতে মৃত্যুৰ মুখত পৰে। আনকি গৰ্ভৱতী তিৰোতাই বাটতেপ্ৰসৱ কৰিব লগা হয়। এই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে সেই অঞ্চলৰ ৰাস্তা নিৰ্ম্মাণৰ কাম চৰকাৰে সোনকালে হাতত লোৱাৰ ব্যৱস্থা কৰে। বিশেষকৈ এই ক্ষেত্ৰত মই উল্লেখ কৰিব খোজো যে, অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন অহাবছৰ শুৱালকুছিত বহিব। গতিকে অতি সোনকালে সেই ৰাষ্টাটো পি, ডাব্লিউ, ডি ৰ অধিনলৈ আনি বহল কৰি পিচ্ দি এই অঞ্চলৰ ৰাইজৰ দুখ-দুৰ্গতি মোচন কৰিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনালো।

মোৰ আৰু বহুটো কব লগীয়া আছিল। কিন্তু চেয়াৰমেন মহোদয়ে বাৰে বাৰে ৱাৰ্নিং দিয়াৰ কাৰণে সামৰণি মাৰি ৰাজ্যপালৰ ভাষণৰ ওপৰত দিয়া ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাইছো।

শ্ৰীআলাউদ্দিন চৰকাৰ ঃ—মাননীয় চেয়াৰম্যান মহোদয়, সময়ৰ ক্ষেত্ৰত এটা সমস্যাই দেখা দিছে। আমাৰ দলৰ বাবে যিখিনি সময় দিছিলে সেইখিনি ইতিমধ্যে অতিবাহিত হৈ গৈছে। সেইকাৰণে আমাৰ আৰু কবলৈ সময় নাই। গতিকে মই চেয়াৰম্যানমহোদয়ক অনুৰোধ কৰিব বিচাৰিছো আমি যিসকল সদস্য নতুনকৈ এই বিধান সভালৈ আহিছো সেইসকলক ৰাজ্যপালৰ ভাষণৰ ওপৰত চলা বিতৰ্কত অংশগ্ৰহণ কৰিবলৈ গলে ট্ৰেজাৰী বেঞ্চৰ পৰা সময় কাটি আনি আমাক কবলৈ সুবিধা দিব।

শ্ৰীপ্ৰসাদ দলৈ ঃ— মাননীয় চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত্ত বিৰোধী পক্ষৰ শ্ৰীসিংহ ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰি এই পবিত্ৰ সদনত মই দুষাৰ মান কথা কব' বিচাৰিছো।

ভাৰতবৰ্ষৰ সংবিধান আছে আৰু এই সংবিধানক সম্মান কৰিম বুলি আৰু এই সংবিধানৰ মৰ্জদা ৰক্ষা কৰিম বুলি ভগবানৰ ওচৰত শপত খাই গত ২১ তাৰিখে এই সদনত প্ৰতিজ্ঞা কৰিছো। চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণত এটা বৰ ভাল পেৰে-গ্ৰাফ আছে ৯ পৃষ্ঠাত, শেষৰ দুই লাইনৰ ওপৰত

"The State Government is determined to give a fair deal to minorities and Tribal and Backward sections of the society. They will have all protection and safeguards enjoined in the Constitution."

আজি ভাৰতবৰ্ষ তথা অসমত এই চৰকাৰৰ তৰফৰ পৰা প্ৰথম চৰকাৰ আৰু বৰ্ত্তমান চৰকাৰে এই অনুসূচীত সম্প্ৰদায়, জনজাতীয় সম্প্ৰদায়, মাইনৰতি আৰু পিচপৰা সম্প্ৰদায় সম্পৰ্কে কি নীতি অবলম্বন কৰিছে সংবিধানৰ পৰিপ্ৰেক্ষিতত, ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। এই সংক্ৰান্তত তাহানিৰ কাকা কালেলকাৰ কমিচন গঠন হল, তেওঁলোকে ৰিপৰ্ট দিলে কিন্তু সেই ৰিপৰ্টৰ বৰ্ক্তখিনি কাৰ্যকৰী নহল। ইয়াৰ পিচত পেৰুওমল কমিটি আৰু বসুমতাৰী কমিটিৰ ৰিপৰ্ট হল, তাৰ পিচত নিহাৰ ৰঞ্জন লস্কৰ কমিটি হল এই সকলেও ৰিপৰ্ট দিলে আৰু জনতা চৰকাৰেও এটা পাৰ্লিয়ামেণ্টৰী কমিটি অসমলৈ পঠালে তাৰ ওপৰতো ৰিপৰ্ট হব তাত কোনো সন্দেহ নাই। এই কমিটি বিলাকে জনজাতীয় লোকৰ চাকৰিৰ কাৰণে শতকৰা ১০ ভাগ দিছে আৰু অনু-সূচীত সম্প্ৰদায়ৰ কাৰণে শতকৰা চাৰে ৭ ভাগ ৰিজাৰভেচন দিছে। আৰু জনসংখ্যাৰ ভিত্তিত জনজাতীয় ১০।১২ লাখৰ ভিতৰত শতকৰা ১০ ভাগ দিব লাগে বুলি উল্লেখ কৰা হৈছে। কিন্তু বসুমতাৰী কমিটিত দেখা গল অনুসূচীত সম্প্ৰদায়ৰ শতকৰা চাৰে ৭ ভাগৰ মাত্ৰ চাৰে ৪ ভাগহে নিয়োগৰ ব্যৱস্হা হৈছে। ইয়াৰ কাৰণে দায়ী কোন? কিন্তু চৰকাৰৰ ৰিপৰ্টত দেখা গৈছে শতকৰা চাৰে ৭ ভাগৰে নিয়োগ হৈছে। আনহে নালাগে গুৱাহাটী মেডিকেল কলেজতে আগতে ৫ জনে অনুসূচীত সম্প্ৰদায়ৰ ছাত্ৰ হৈ এডমিচন লোৱাৰ প্ৰমাণ ওলাল। এনেকুৱা প্ৰমাণ বহুত আছে অনুসূচীত সম্প্ৰদায়ৰ নামত চাকৰি বাকৰি আদি লোৱাৰ ক্ষেত্ৰত। সেই কাৰণেই মই জনতা চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো অন্যায় যাতে নহয় অনুসূচীত সম্প্ৰদায়ৰ কাৰণে, জনজাতীয় সম্প্ৰদায়ৰ কাৰণে, পিচপৰা সম্প্ৰদায়ৰ কাৰণে, তেওঁলোকক যি সুবিধা দিয়া হৈছে তাৰ কাৰণে যাতে চোকা নজৰ দিয়ে। আজি কবলৈ দুখ লাগে এই জনতা চৰকাৰৰ শাসন কালত বিহাৰত দেখ দেখকৈ জীয়া মানুহ পুৰি মাৰিছে। সেইটোৰেই নহয় লোক-নায়ক শ্ৰীজয়প্ৰকাশ নাৰায়ণ, যাক আমি দ্বিতীয় গান্ধী বুলি মানো আজি শতকৰা ২৬ ভাগ চাকৰি বিহাৰ চৰকাৰত চাকৰি বাকৰি লোৱাৰ কাৰণে এই লোকনায়ক জনে দুলি ফৰ্মতি খাবলগীয়া হৈছে। গতিকে সংবিধানৰ ব্যৱস্হাৰ ফালৰ পৰা যি বিলাক ব্যৱস্হা ৰক্ষা কৰিব লাগে সেই বিলাক ব্যৱস্হা ৰক্ষা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

শুনিব পাৰিছো মাটি বিতৰণৰ সংক্ৰান্তত আগতে ৰাজ্যপালৰ ভাষণত প্ৰায় ১২ হাজাৰ অনুসূচীত সম্প্ৰদায়ৰ মানুহক মাটি আবু ঘৰ দিয়া হৈ গল বুলি কোৱা হৈছিল। আনকি গুৱাহাটীতে ২০০ টা পৰিয়ালক মাটি দিয়াৰ কথা আছিল। কিন্তু এঘৰেও মাটি নাপালে। সেই কাৰণে মই জনতা চৰকাৰক সতৰ্ক কৰি দিব বিচাৰিছো যে যদি জনসাধাৰণক প্ৰকৃততে মুক্ত কৰিব বিচাৰিছে, প্ৰকৃততে সমাজবাদ প্ৰতিস্থা কৰিব বিচাৰিছে, তেতিয়াহলে অন্যায় যি বিলাক হৈ আছে চৰকাৰৰ তৰফৰ পৰা, কৰ্মচাৰীৰ তৰফৰ পৰা বা আমাৰ ফালৰ পৰা সেই বিলাকৰ ভাল ব্যৱস্হা কৰিব লাগিব। আমি বাতৰি কাকতত পঢ়িবলৈ পাইছো, ৰেডিয়ত শুনিবলৈ পাইছো আমাৰ মুখ্য মন্ত্ৰী শ্ৰীবৰবৰাক অনুৰোধ কৰিব বিচাৰিছো তেখেতে এইটো কথা কিয় অনুভৱ কৰিব নোৱাৰিলে কব নোৱাৰো চাৰ চাদুলাৰ দিনটো অনুসূচীত সম্প্ৰদায়ৰ পৰা পূৰ্ণ পৰ্যায়ৰ মন্ত্ৰী লোৱা হৈছিল। তেখেতে কিয় ১০ লাখ অনুসূচী সম্প্ৰদায়ৰ মানুহৰ চেন্টিমেন্টৰ কথা অনুভৱ কৰা নাই আমি বুজি নাপালো। সেই কাৰণে মই ৰবৰৱা ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো তেখেতে যেন ১০ লাখ মানুহৰ কথা অনুভৱ কৰি অসম মন্ত্ৰী সভাত অনুসূচীত সম্প্ৰদায়ৰ পৰা এজন পূৰ্ণ পৰ্য্যায়ৰ মন্ত্ৰী অসম মন্ত্ৰী সভাত লয়।

মই এতিয়া শিক্ষাৰ সম্পৰ্কত কব বিচাৰিছো। মই নিজেই ২২ বছৰ ধৰি চেকেন্ডাৰীত শিক্ষকতা কৰিছিলো। আৰু অলপতে ৰিজাইন দি কংগ্ৰেছৰ টিকট পাই জনতা পাৰ্টিৰ শক্তিশালী প্ৰাৰ্থী জনক বহুভোটত পৰাস্ত কৰি এই সদনলৈ নিৰ্বাচিত হৈ আহিছো।

অধ্যক্ষ মহোদয়, শিক্ষা সংক্ৰান্তত এটা বলিষ্ঠ পদক্ষেপ লৈছে ভাল পাইছো। দশম মান শ্ৰেণীলৈকে মাচুল মাফ কৰি দিয়াত ভাল পাইছো। আজি শিক্ষা সম্পৰ্ক ৫ম মান শ্ৰেণীৰ পৰা দশম মান শ্ৰেণীলৈকে মাধ্যমিক পৰ্য্যায়ত কি ঘটিছে সেই বোৰ তজবীৰ কৰাৰ সময় হৈছে। আজি অসম মুলুকত ২২ হাজাৰ গাওঁ আছে। কংগ্ৰেছৰ শাসনত স্কুল প্ৰতিষ্ঠা কৰিছিল। ২,৩০০ খন অসমৰ গাৱত স্কুল নাই। গত বছৰ শিক্ষা সংক্ৰান্তত অপায় অমঙ্গল ঘটিছিল ৫ম মান শ্ৰেণীত নাম ভৰ্ত্তি কৰা সম্পৰ্কত। ২য় অৰু ৩য় দুয়োটা শ্ৰেণী প্ৰমোচন পোৱাৰ পিচত ৫ম মান শ্ৰেণীত গাৱতেই হওক বা চহৰতেই হওক এডমিচন দিবলৈ ঠাই নোহোৱা হল। এম, ই স্কুলতো ঠাই নাই, হাইস্কুলত ঠাই নাই। এই পৰিপ্ৰেক্ষিতত শিক্ষা বিভাগে পোন প্ৰথমে বিশেষ ভাৱে মনোযোগ দিব লাগিছিল। কিন্তু দিয়া নহল। সদায় এই কথা দেখি আহিছো যে আগে পাৰ্মিচন আহে আৰু পাচত চেংচন আহে। প্ৰকৃততে পাৰ্মিচনৰ লগে লগে চেংচন এপইন্টমেন্ট অব টিচাৰ গোটেই খিনি আহিব লাগে। কিন্তু ইয়াত যথেষ্ট আসোৱাহ দেখা গৈছে। জনতা চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ চন্দই মন্ত্ৰীত্বত অধিষ্ঠিত হৈ শিক্ষা সংক্ৰান্তত এটা ভাল কথা কৈছিল। নতুন শিক্ষা সংস্কাৰ কৰিবলৈ গৈ যি বিলাক কিতাপৰ বোজা লৰা ছোৱালীৰ ওপৰত দাঙি ধৰিলে সেই কিতাপ বিলাক মিনিমাইজ কৰিব লাগিব। পাঠ্যক্ৰম কমাই দিব লাগে বুলি ডাঃ চন্দই কৈছিল। যি সকল শিক্ষক বন্ধু এম, এল, এ হৈ আহিছে তেখেত সকলক সুধিব খুজিছো অষ্টম মান শ্ৰেণীৰ পৰা যি খন সমাজ অধ্যয়ন কিতাপ দিছে মাৰাত্মক নহয়নে, ভূ-দৰ্শন ছয়-সাতশ পৃষ্ঠাৰ কিতাপ। মিনিমাইজ কৰিব লাগে। এই ক্ষেত্ৰত কিয় ব্যৱস্হা লোৱা নাই। দ্বিতীয় কথা হৈছে চাইন্স গ্ৰান্ট— আজি চাইন্স গ্ৰান্ট দিয়া হৈছে। ৫ম মান শ্ৰেণীত পঢ়ালৰা ছোৱালীৰ কাৰণে যি খন শিশু বিজ্ঞান দিয়া হৈছে তাত বয়স অনুসৰি ইমান অধ্যায় সোমাৰ নালাগিছিল। তাত নাইট্ৰোজেন, হাইড্ৰোজেন, অক্সিজেনৰ কথা কোৱা হৈছে। পিন হল কেমেৰাৰ কথা কোৱা হৈছে। চৌদা পানী কেনেকৈ প্ৰস্তুত কৰিব লাগে তাৰ কথা কোৱা হৈছে। এই কিতাপ বোৰত বিদ্যালয়ত প্ৰশ্নবোৰ পৰীক্ষা কৰিবৰ কাৰণেও কোৱা হৈছে। ঘৰত লৰা ছোৱালীক পৰীক্ষা কৰি চাবৰ কাৰণে কোৱা হৈছে।

ঘৰত নালাগে স্কুলত পৰীক্ষা কৰি চাবৰ কাৰণে কেইজন চাইন্স গ্ৰেজুৱেট দিছে, কেইটা এপাৰ্টেচ দিছে, এই বিলাক অনুসন্ধান কৰি ব্যৱস্থা লব লাগে। তাৰ পিচত অক্টোবৰ মাহত শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰাৰ লগে লগে অপায় অমঙ্গলে দেখা দিলে। তেতিয়াই ভাবিলো স্কুলত চাকৰি কৰাটো ঠিক নহব, পিচত বিজাইন দিলো। স্কুল বিলাক বেচৰকাৰী হৈ থাকোতে শিক্ষক সকলৰ প্ৰভিডেন্ট ফাণ্ড আছিল। আধা খিনি টকা চৰকাৰী ফাণ্ডলৈ যাব। বুলি শুনিছো প্ৰভিডেন্ট ফাণ্ডৰ টকা আধা খিনি চৰকাৰে নিয়াৰ কিয় প্ৰয়োজন বুলি ভাবিছে? যদি জনতা চৰকাৰ জনপ্ৰিয় চৰকাৰ হবলৈ বিছাৰিছে শিক্ষক সকলৰ প্ৰভিডেন্ট ফাণ্ডৰ কথাটো চাব।

শ্ৰীপূৰ্ণ বৰা :—সদস্য গৰাকীয়ে কংগ্ৰেছ চৰকাৰক কনডেম কৰিছেনেকি?

শ্ৰীপ্ৰসাদ চন্দ্ৰ দলৈ :—মাননীয় সদস্য কেবাগৰাকীয়ে এটা ভাল কথা কৈছে সেইটো মই অন্তৰেৰে সমৰ্থন কৰিছো। সেইটো হল এগ্ৰিকালচাৰ, ইৰিগেচন আৰু ইলেক্ট্ৰিফিকেচন এই তিনিটা বস্তুৰ সমন্বয় নোহোৱাৰ ফলত কৃষিৰ উন্নতিৰ ক্ষেত্ৰত আগবঢ়াৰ যিটো কথা কৈছে তাত বাধাপ্ৰাপ্ত হৈছে। উদাহৰণ স্বৰূপে কপিলিৰ দক্ষিণ পাৰে চাপৰ মুখৰ পৰা এটা মঠাউৰীৰ ১৫ মাইল মান হল। কিন্তু চাৰি মাইল মান মঠাউৰী নোহোৱাৰ কাৰণে গুৱাহাটীৰ পৰা ধৰমতুল নেলি হৈ যোৰহাটলৈ যাওতে ৰাষ্ট্ৰীয় পথত ৪-৫ ফুট পানী হোৱাৰ ফলত ৭-৮ দিন বাট বন্ধ হয়। গতিকে মঠাউৰী সংক্ৰান্তত নিৰ্দ্দিষ্ট নীতি আৰু সিদ্ধান্ত লব লাগে। যদি মথাউৰী বন্ধা নহয় তেন্তে বান্ধিবই নালাগে। মথাউৰী আধাকৈ বন্ধাৰ ফলত নেলি দক্ষিণ ধৰমতুল আদি অঞ্চলত বান পানীয়ে বিভ্ৰাটৰ সৃষ্টি কৰিছে। ৰাষ্ট্ৰীয় পথত পানী হৈছে।

ৰাজহমন্ত্ৰী কামপুৰৰ তেখেত নাই। তেখেতক কেইটামান কথা কব বিচাৰিছো। হাৰিয়া নিশাৰী নদীয়ে কামপুৰ অঞ্চলৰ বগলাজান, গুৰিমাৰি ঠাইত বিভ্ৰাটৰ সৃষ্টি কৰিছে। শ্ৰীঅতুল গোস্বামী আৰু শ্ৰীচামচুল হুদা নাই। তেখেত সকলৰ সমষ্টিৰ মাজেদি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে শিলঘাটৰ পৰা বিৰাট মথাউৰী বন্ধা হল। ১৪-১৫ মাইল বান্ধটো হল। শ্ৰীগোস্বামীৰ সমষ্টি শেষ কৰি ৰাস্তাটোৱে লাহৰিঘাট চুলে। টিং শেষ হৈ আহিল জাগীৰোড সমষ্টি আৰু বুৰুকনি পোৱাত বন্ধ হৈ গল। এই মথাউৰীটো নিদিয়াৰ কাৰণে মায়ং পকৰীয়া, ঘগুৱা, মনহা মৌজা আদি অঞ্চলত বাওধান কাটিব পৰা নাই। কপিলিৰ পানী তুলি ৰবি শস্য কৰিবৰ বাবে কাৰেন্টৰ সুবিধা নাই। ধান খুন্দা গোবৰ্দ্ধন, পকৰিয়া আদি অঞ্চলৰ মানুহৰ এমুঠি ভাতৰ কাৰণে গোটেই অঞ্চলটোত বিভ্ৰাটৰ সৃষ্টি কৰিছে। এই কথাটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। ষ্টেট ডিচপেন্সৰী নাই। সেই কাৰণে মই গড়কাপ্তানি মন্ত্ৰী, ই এণ্ড ডি মন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু মেডিকেল মন্ত্ৰীক অনুৰোধ কৰিছো ইয়াৰ ব্যৱস্থা কৰিব লাগে। বাৰিষাৰ সময়ত ৰিলিফৰ টোপোলা বান্ধিব লাগিব। ৰাস্তাঘাট আদিৰ ভাল ব্যৱস্থা নকৰিলে যি চৰকাৰেই নহওক ৰাইজৰ অৱস্থা ভাল কৰিব নোৱাৰে।

কিন্তু এইটো কথা ঠিক যে মানৱতাৰ দৃষ্টিকোণৰ পৰা মানুহৰ অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা সমাজবাদৰ দৃষ্টিকোণৰ পৰা যি ঠাইতেই নহওক কিয় যদি কাম হোৱা নাই তাত কাম কৰিবলৈ আৰু বিশেষ ভাৱে নজৰ দিবলৈ চৰকাৰ আগবাঢ়ি আহিব লাগিব।

(সময়ৰ সংকেত)

মোৰ সময় নাই কিন্তু এটা কথা সদৌ শেষত কব খুজিছো যে আমাৰ মৰিগাঁও মহকুমা ১৯৭২ চনতে গঠিত হৈছিল যদিও দুখৰ বিষয় যে আজিলৈকে মহকুমাটোত এখনো ভাল ডাক্তৰখানা তৈয়াৰ হৈ নুঠিল। মৰিগাঁওৰ পৰা জাগীৰোডলৈ বাঁচ চলাচল কৰাৰ কাৰণে ৰাস্তাডোখৰ উপযুক্ত হৈ নুঠিল। অতি সোনকালে এই ৰাস্তা ডোখৰৰ সুবন্দবস্ত কৰিব লাগে। গড়কাপ্তানী বিভাগে এই সম্পৰ্কত চোকা নজৰ দিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীআব্দুল লতিফ :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত শ্ৰীযুত নগেন শৰ্মা ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰি আপোনাৰ জৰিয়তে দুই এটা কথাৰে সদনৰ দৃষ্টি গোচৰ কৰাৰ কাৰণে আগবাঢ়িছো। আমাৰ জনতা চৰকাৰ হোৱাৰ বেছি দিন হোৱা নাই। কিন্তু এইটো কথা ঠিক নহয় যে বিৰোধী দল কেৱল বিৰোধীতা কৰাৰ কাৰণেই আছে। বিৰোধী দলৰ পৰা ন্যায়সঙ্গত আৰু যুক্তি-সঙ্গত পৰামৰ্শ আদি দাঙি ধৰিলে সেইবোৰ বিবেচনা কৰি চোৱা উচিত হব। তেতিয়াহলে নতুন চৰকাৰ বাইজৰ সমালোচনাৰ বলি হব নালাগিব'। যিয়েই নহওহ ৰাজ্যপালৰ ভাষণত বানপানীৰ সম্পৰ্কত কিছু হলেও উল্লেখ কৰিছে। বৰপেটা ধুবুৰী অঞ্চলৰ বাহিৰেও নগাঁও, ধেমাজী, মাজুলী অঞ্চলত সাহায্যমূলক কাম হাতত লোৱা হৈছে বুলি উল্লেখ কৰিছে। কিন্তু কি ধৰণৰ সাহায্যৰ ব্যৱস্থা কৰা হৈছে তাৰ স্পষ্ট আভাস দিয়া হোৱা নাই। কালদিয়া পানী নদীৰ বান্ধ ভাঙি আমাৰ বৰপেটা মহকুমাৰ বৰপেটা সমষ্টি আৰু জনিয়া, বাগবৰ সমষ্টিৰ উপৰিও চেঙা সমষ্টিকো প্লাৱিত কৰিছে। ইয়াৰ দ্বাৰা কৃষক-সকলৰ অসুবিধা হৈছে। তাৰ ফলত যোৱা কেইবাবছৰো ধৰি এই অঞ্চলৰ খেতিয়কসকলে নানান আলৈ আহুকালৰ মাজত খেতি কৰিবলগীয়া হৈছে। যাৰ অলপ অচৰপ মাটি আছিল সেইখিনিও বিক্ৰি কৰি এতিয়া সম্পূৰ্ণ মাটিহীন হৈ আছে। কিছুমান আকো মহাজনৰ অতিমাত্ৰা সুদৰ কোবত গৈ মঠাউৰি বা ৰেল লাইনত আশ্ৰয় লৈছে। গতিকে মই এই বিৰাট অঞ্চলৰ কাৰণে বিশেষ ব্যৱস্থা লৈ কৃষিৰ উন্নতি কৰাৰ যোগেদি কৃষক সকলৰ অৱস্থাৰ উন্নতি কৰি তেওঁলোকৰ অৰ্থনৈতিক দিশটো উন্নত কৰিবলৈ জোৰ দিব লাগে। কিয়নো খেতিয়কৰ উন্নতিৰ ওপৰতেই দেশৰ আন আন দিশৰো অৰ্থনৈতিক উন্নতি ঘাইকৈ নিৰ্ভৰ কৰিছে। বৰপেটা মহকুমাৰ কালপানী বান্ধ অতি সোনকালে বন্ধাই দিব' লাগে তেতিয়া হলে ঘিলাজৰী মৌজা আৰু বৰপেটা মৌজাৰ পূব অঞ্চল অৰ্থাৎ দ অঞ্চলটো কিছু পৰিমাণে হলেও বানপানীৰ পৰা ৰক্ষা পাব। পল্লা আৰু চাউলখোৱা নদীৰ পাৰে পাৰে মঠাউৰীৰ ব্যৱস্থা কৰিব লাগে। মন্দিয়া পালহাজী মাঠাউৰীৰ ওপৰত এটা শ্লুইচ গেটৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও কৃষকসকলক বিনামূলীয়া সাৰ-বীজ আদি বিতৰণ কৰাৰ ব্যৱস্থা লব লাগে। আমাৰ গাঁও অঞ্চলত শতকৰা একানবৈৰ' জন লোক বাস কৰে। ইয়াৰ ভিতৰত প্ৰায় ভাগেই কৃষক। গতিকে এই কৃষক সকলৰ উন্নতি কৰিব পাৰিলেহে কৃষিৰ উন্নতি হব আৰু কৃষিৰ উন্নতি হলে দেশৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰা যায়। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত নতুন মঠাউৰিৰ ব্যৱস্থা কৰিব' লাগে। বৰ্ত্তমান চৰকাৰে ভূমি ৰাজহৰ ক্ষেত্ৰত ১০ বিঘালৈ খাজনা ৰেহাই দিয়া, আৰু ক্ষেত্ৰত দশম মানলৈকে বিনা মাচুলে শিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে জনতা চৰকাৰৰ নীতি সমূহ সমৰ্থন কৰিছো আৰু এই ক্ষেত্ৰত ৰাজ্যপাল মহোদয় ধন্যবাদৰ পাত্ৰ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত অসমৰ চৰ অঞ্চলৰ বাসকৰা কৃষি কাৰ্য্যত খেতিয়ক সকলৰ ওপৰত ব্যাপক অধ্যয়ণৰ কাৰণে বিশেষ ব্যৱস্থা লোৱা হব আৰু এইবোৰ অঞ্চলৰ মৌলিক সমস্যা ক্ষিপ্ৰগতিত দূৰ কৰিবলৈ ব্যৱস্থা লোৱা হব আৰু প্ৰশাসনীয় সংস্কাৰৰ ক্ষেত্ৰত সংখ্যা লঘু আৰু জনজাতীয় লোক আৰু সমাজৰ অনুন্নত শ্ৰেণীৰ প্ৰতিও যথোচিত ব্যৱস্থা কৰিবলৈ চৰকাৰ বদ্ধ পৰিকৰ, তেওঁলোকৰ সংবিধানত থকা

সকলো ৰক্ষণাবেক্ষণ আৰু নিৰাপত্তা পাব'। এই দুটা নীতি গ্ৰহণ কৰাত নতুন চৰকাৰক মই সৰ্ব্বান্তঃ কৰণে সমৰ্থন দিছো। ইয়াৰ উপৰিও সংখ্যা লঘু সম্প্ৰদায়ৰ লোকসকলক সংবিধান সম্মত ভাৱে প্ৰাপ্য সুবিধা দিয়াৰ বন্দবস্ত কৰিব লাগে। আশাঁকৰো নতুন চৰকাৰে এইবোৰ মুখে মুখে নাৰাখি কাৰ্য্যত পৰিণত কৰিব'। কোনো এটা ব্যক্তিৰ কোনো এটা অঙ্গ পঙ্গু হৈ গলে সেই ব্যক্তিয়ে যেনেকৈ চলিব ফুৰিব নোৱাৰা হয়, ভীষণ অসুবিধা পায়, তেনেকৈ এখন দেশৰ এটা শ্ৰেণীক এটা অংশক বা এটা জাতিক সদায় ঘৃনা আৰু অৱহেলা কৰি দুৰ্ব্বল কৰি ৰাখিলে সেই দেশৰ উন্নতি সাধন হোৱা সম্পূৰ্ণ অসম্ভৱ।

আমাৰ যেনেকৈ প্ৰত্যেকৰে ধৰ্ম্ম আছে আৰু আমি তাত মানি চলিব লাগে তেনেকৈ ৰাজনৈতি ক্ষেত্ৰত আমাৰ এটা সুকীয়া ধৰ্ম্ম আছে সেইটো হল মানুহ হিচাবে' প্ৰত্যেককে জাতি ধৰ্ম্ম, বৰ্ণ নিৰ্ব্বিশেষে সমান চকুৰে দেখা আৰু সকলো নাগৰিকক সমান সুযোগ সুবিধা দিয়াৰ চেষ্টা কৰা। নতুন চৰকাৰে সেইখিনি ভালকৈ উপলব্ধি কৰিবৰ চেষ্টা কৰিছে তাৰবাবে নতুন চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। আগৰ চৰকাৰে ইমান বছৰে জাতিৰ নামত ধৰ্ম্মৰ নামত আৰু শ্ৰেণীৰ নামত ইমান বেছি ব্যৱধান ৰাখিছিল যে ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। ভূতপূৰ্ব্ব কংগ্ৰেছ চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে সংখ্যালঘুৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই বুলি কৈ মিছা কথাৰে তেওঁৰ নাটকৰ পটভূমি আৰম্ভ কৰিব বুলি মই ভবা নাছিলো।

এই কংগ্ৰেছ চৰকাৰে যোৱা ৩০ বছৰে সংখ্যালঘু সম্প্ৰাদায়ক কেনে ভাৱে অৱহেলা কৰি আহিছে সেই বিষয়ে মই কেইটামান উদাহৰণ দাঙি ধৰিব বিচাৰিছো। বিশেষকৈ নিয়োগৰ ক্ষেত্ৰত মুছলমান সম্প্ৰাদায়ক কেনে ভাৱে অৱহেলা কৰা হৈছে চাওক ৩০০ টকাৰ ওপৰৰ দৰমহা পোৱা চাকৰিয়ালৰ সংখ্যা মাত্ৰ ১ জন আৰু ৩০০ টকাৰ তলত ২ জন মুছলমানে পাইছে। শিক্ষা অধিকৰ্ত্তাৰ কাৰ্য্যালয়ত ২০০ জন চাকৰিয়ালৰ ভিতৰত মুছলমান মাত্ৰ ৪ জন সেইদৰে জনস্বাস্থ্য অধিকৰ্ত্তাৰ কাৰ্য্যালয়ত ১৮০ জনৰ ভিতৰত মাত্ৰ ৩ জন আৰু কাৰিকৰি অধিকৰ্ত্তাত ১৯০ জনৰ ভিতৰত মাত্ৰ ২ জনে পাইছে। আৰক্ষি মহাপৰিদৰ্শ কৰ কাৰ্য্যালয়ত ২৫০ জনৰ ভিতৰত ৪ জন কৰ্ম্মচাৰী মুছলমান। গুৱাহাটী মেডিকেল কলেজত ২৫০ জনী নাৰ্চৰ ভিতৰত ৩ জনী মুছলমান। কটন কলেজত আৰবিক ভাষাৰ শিক্ষকৰ বাহিৰে ১০০০ হাজাৰ জন শিক্ষকৰ ভিতৰত মাত্ৰ ৩ জন শিক্ষক আৰু অশোক পেপাৰ মিলত মাত্ৰ ১০ জনক দিয়া হৈছে। এয়ে কংগ্ৰেছ চৰকাৰৰ সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত থকা ন্যায় বিচাৰৰ নমুনা।

শ্ৰীফণী মেধি :— অশোক পেপাৰ মিলত যিটো হিচাব দিছে, মই তাৰ চেয়াৰম্যান হিচাৱে কও যে তাত ১০ জনতকৈ বহুত বেছি মুছলমান সম্প্ৰদায়ৰ লোক আছে।

শ্ৰীআব্দুল লতিফ :—যি কংগ্ৰেছ চৰকাৰে অসমৰ কাগজে-পত্ৰে প্ৰত্যেক নিৰ্ব্বাচনৰ ২/৩ মাহ আগত অসমত পাকিস্তানী বা বাংলাদেশৰ অনুপ্ৰবেশকাৰী অহা বুলি কৈ আমাৰ ইয়াৰ তথাকথিত ইমিগ্ৰেন্ট মুছলমান লোকক ভয়-ভীতি দেখুৱাই কংগ্ৰেছক ভোট দিয়াৰ যন্ত্ৰ হিচাবে ব্যৱহাৰ কৰিছিল। ভোট নিদিলে অসমৰ পৰা ওলাই যাব লাগিব বুলি কৈ এই নিৰীহ মানুহক তেওঁলোকৰ গণতান্ত্ৰিক আৰু সাংবিধানিক অধিকাৰ খৰ্ব্ব কৰিছিল, যি চৰকাৰে চৰ অঞ্চলৰ গৰাখহনীয়া আৰু বানপীড়িত নিৰাশ্ৰয়া লোক-সকলক এমুঠি অন্ন, বস্ত্ৰ দিব পৰা নাই, যাৰ ফলত চৰ অঞ্চল আৰু চাপৰ অঞ্চলৰ বানপীড়িত, নদীয়ে ভঙা আৰু দুখীয়া লোকে অন্ন-বস্ত্ৰৰ বাবে হাহাকাৰ কৰি মথা-উৰি, গছৰ তলত নগৰে-বন্দৰে, ৰেল লাইনৰ বাৰান্দাত আশ্ৰয় বিচাৰি হাবাথুৰি খাই

দিনে-নিশাই মৃত্যুমুখত পতিত হৈছে। সেই চৰকাৰৰ মুখ্যমন্ত্ৰীজনে অন্ততঃ অতীতৰ দিনবোৰ পাহৰি নাযাই কিছুদিনৰ বাবে ঈশ্বৰৰ নাম স্মৰণ কৰি অনুতাপ কৰাটো নৈতিক দায়িত্ব আছিল বুলি মই ভাবো। বিধবা আৰু বৃদ্ধা তিৰোতাই ভিক্ষা বৃত্তি লবলগীয়া হৈছে। যি চৰকাৰে প্ৰায় ৬০ বছৰীয়া এটা পুৰণা লাহুৰাল মচজিদ ভাঙি দিছিল, যিকিৰ হিলচত বাঙ্গালী, নেপালী আৰু মুছলমান প্ৰায় ৩০ হাজাৰ মানুহক বিনা বিচাৰে উচ্ছেদ কৰিছিল সেই চৰকাৰৰ মন্ত্ৰীজনৰ মুখত সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতি দৰদৰ কথা শোভা নাপায় তাৰ বাবে মই লজ্জিত। আমি প্ৰত্যেকেই অসমবাসী, ইয়াত জন্মগ্ৰহণ কৰাৰ দিনৰে পৰা এইখন আমাৰ মাতৃভূমি আৰু এই মাতৃভূমিয়ে জন্মৰ সময়ত আমাক সমানে আদৰ আহবান কৰিছিল আৰু সমাদৰ কৰিছিল। কিন্তু একে শ্ৰেণীৰ এজনক মূৰত তুলি আৰু কিছুমানক ভৰিৰে গচকি ফুৰিলে সেইটো ৰাজনৈতিক অধৰ্ম্ম কৰা হৈছে। এই বিলাক জানো অন্যায় হোৱা নাই? যিসকল ভূমিহীন কৃষকে মথাউৰিত অশ্ৰিয় লৈছে, নগৰে-চহৰে খাদ্যাভাৱত অনাই-বনাই ঘূৰি ফুৰিছে, সেইসকলৰ সুব্যৱস্থা কৰি দিয়াৰ বাবে অনতিপলমে এটা এন্কুৱেৰী কমিটি গঠন কৰিব লাগে আৰু প্ৰকৃত তথ্য উদ্ধাৰ কৰি, প্ৰতিবেদন লৈ তেওঁলোকৰ মজিত মাটি বিতৰণ কৰিব লাগে আৰু যিমানদূৰ পৰা যায় তেওঁলোকৰ থকা-মেলাৰ ব্যৱস্থা নতুন জনতা চৰকাৰক অনতিপলমে কৰিবলৈ আহবান জনালো। কংগ্ৰেছ চৰকাৰৰ দৰে ৪০ হাজাৰ মুছলমানক উচ্ছেদ কৰি ১৮ হাজাৰ মুছলমানক মাটি দিয়াৰ যাদুখেল যেন নতুন জনতা চৰকাৰে নকৰে তাৰ বাবে অনুৰোধ কৰিলো। স্বাস্থ্যৰ ক্ষেত্ৰত দুটামান কথা মই কব বিচাৰিছোঁ। হস্পিতালত আউটদোৰৰ ২৪ পইচা ৰেহাই দিয়াৰ যি ব্যৱস্থা কৰিছে তাৰ বাবে নতুন চৰকাৰক অভিনন্দন জনাইছোঁ কিয়নো কম পইচা হলেও গৰীব জনসাধাৰণে ইয়াৰ পৰা লাভবান হব বুলি মই ভাবো। তাৰ পিচত বৰপেটাত যিটো চিভিল হস্পিতাল আছে তাত লাল পানীৰ বাহিৰে একো বস্তুৱেই পাবলৈ নাই। বৰপেটা মহকুমাত ১৩ লাখ মানুহৰ বসবাস। কিন্তু হস্পিতালত বিচনাৰ সংখ্যা মাত্ৰ ৬৫ খন। তাত বিচনাৰ সংখ্যা ইমান তাকৰ যে গৰীব জনসাধাৰণে তাত পইচা দিব নোৱাৰে আৰু বেচিভাগ সময়তেই তাত আহি বিচনাৰ অভাৱত মাটিত পৰি থাকিবলগীয়া হয়। ৰঙাপানীৰ বাহিৰে তাত একো নাই। 'এক্স-ৰে প্লেট, নাই আজি ৬ মাহ ধৰি, টি, বি, স্পেচিয়েলিষ্ট নাই, পেথ'লজিষ্ট নাই দুজন পেথ'-লজিষ্ট আছে, কিন্তু যন্ত্ৰ-পাতি মুঠেই নাই দেন্টিষ্ট যদিও এজন আছে তাত কোনো যন্ত্ৰ-পাতি নাই। গতিকে মই নতুন চৰকাৰক অনুৰোধ জনাও যাতে অনতিপলমে এই হস্পিতালখনৰ উন্নতি কৰি তাত এক্স-ৰে প্লেট আৰু ব্লাড বেংকৰ ব্যৱস্থা কৰে আৰু তাত ১৫০ খনলৈকে বিচনাৰ সংখ্যা বৃদ্ধি কৰে। অধ্যক্ষ মহোদয়ক বেচিকৈ আমনি দিব নোখোজো। শেষত ৰাজ্যপালৰ ভাষণক সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Fakhrul Islam**:— Sir, regarding the employment figure mentioned by the Hon'ble Member Shri Abdul Latif, there has been a dispute. I would, therefore, request the Hon'ble Minister-in-charge of labour etc., to provide the correct figures in different establishments Thank you, sir.

**Shri Giasuddin Ahmed**: - Mr. Speaker, sir, this is the official figure and so far as my information goes it is only 8% out of 1 lakh of people whereas the population of the muslim is more than 25%.

**Shri Fakhrul Islam**:— Sir, we want a correct and official version from the Minister's concerned.

**Shri Nazmal Haque**:— Mr. Speaker, sir, that at the end of the motion of thanks moved by Shri Nagen Sharma on the address of Governor the following be added:—

But regret that the Govt.s' policy regarding the burning issues of the socio-economic life of Assam like industrialisation, creation of avenues for employment, distribution of land to the landless, flood control measures, mechanisation of agricultural cultivation, etc, were not spelled out more concretely in the address.

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহুতো জলন্ত সমস্যাই ৰাজ্যপালৰ ভাষণত উল্লেখ হোৱা নাই আৰু ৰাজ্যপালে যিখন ভাষণ দাঙি ধৰিছে সেইখন গতানুগতিক ভাষণ হৈছে। তাত কোনো নতুনত্ব নাই, কংগ্ৰেছী আমোলত দিয়া ভাষণৰ প্ৰতিধ্বনিহে। এতিয়া যিহেতু নতুন চৰকাৰ গঠন হ'ল, তেনে ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত এটা নতুন প্ৰতিচ্ছবি ফুটি উঠিব লাগিছিল। কিন্তু দুখৰ কথা যে ৰাজ্যপালৰ ভাষণত জৰুৰীকালিন অৱস্থাৰ দৰে এটি ভয়াবহ পৰিস্থিতিৰ বিষয়ে নূন্যতম আভাসো নাই, এই বিষয়ে কেবাজনো মাননীয় সদস্যই আক্ষেপ কৰিছে, অলমান হলেও জৰুৰীকালিন অৱস্থাৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগিছিল।

## STATEMENT BY MINISTER

**Mr. Speaker**:— Now, the Finance Minister will make a statement on the firing incident at Lumding on behalf of the Chief Minister.

Shri KESHAB CHANDRA GOGOI, (Minister, Finance) : — Mr. Speaker Sir, the Chief Minister promised in the House yesterday to make a statement about the fire incident that took place in Lumding town of Nowgong. I now make the statement on behalf of the Chief, Minister.

"Information was received from the Superintendent of Police Nowgong that a fire broke out in the market area of Lumding town at about 1-15 P. M. on 28/3/78 completely gutting one cinema hall namely Jyoti Cinema Hall, one huller sheller mill and 28 other shops and dwelling houses adjacent to this area including 3 or 4 hotels in the bazar area.

It appears that the fire broke out first in the kitchen room of a hotel called the French Hotel in Lumding Town and that the fire tspread rapidly to the adjacent cinema hall and shops. One Railway Fire Tender available at Lumding was immediately pressed into service and 8th A. P. Battalion personal, one company of the C. R. P. and other local police were able to control the fire in a period of about 2 to 3 hours.

The cause of the fire is under enquiry. The value of the loss has not been accurately ascertained so far. However, preliminary assessment based on eye estimates indicate approximate loss of properties worth Rs. 3-4 lakhs.

The situation is normal at present and under watch. Further details about the incident are awaited."

Shri NOORUL HUDA : The Chief Minister assured the House for providing adequate relief to the fire victims. I would request the Finance Minister to let this House know what relief, financial or in kind would be given to them.

Shri KESHAB CHANDRA GOGOI (Minister, Finance) : Relief will be given to the fire victims. This will be announced by the Chief Minister who will make a statement tomorrow.

MR. SPEAKER : The House stands adjourned till 10·00 a. m. on 30th March 1978.

## ADJOURNMENT

The House rose at 5 P.M. and stood adjourned tiill 10 A.M. on Thursday, the 30th March, 1978.

Dated Dispur :
The 29th March, 1979.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (LA) 965/78—1250—14-6-79